দ্বাবিংশতিতম্
সংখ্যা

২০০৫ - ২০০৬




# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

তত্ত্বাৱধায়ক- ড° ভগীৰথ চন্দ্ৰ নাথ

সম্পাদনা- ৰফিকুল ইছলাম

# নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী

দ্বিবিংশতিতম্ সংখ্যাঃ

২০০৫-০৬ ইং

NABAJYOTI COLLEGE
LEARN, LABOUR & SERVE
KALGACHIA, ASSAM

# NABAJYOTI COLLEGE MAGAZINE

**22nd Issue**

**2005-06.**

**To,**

______________________________

________________________

**With thanks**
**Editor.**

তত্বাৱধায়ক ঃ

ড° ভগীৰথ চন্দ্ৰ নাথ

সম্পাদক ঃ

ৰফিকুল ইছলাম।

Incharge :

**Dr. BhogirathChandra Nath**

Editor :

Rofiqul Islam

নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী

দ্বিবিংশতিতম সংখ্যাঃ

২০০৫-০৬ ইং

বেটুপাতঃ-

পৰিকল্পনা ঃ অধ্যাপক, এম, এচ, শ্বেইখ

ডি,টি,পি, ঃ দেৱান তোজাম্মেল হুছেন।

অফছেট অপাৰেটৰ ঃ জাহিদুল ইছলাম।

মুদ্ৰন ঃ আল-আমিন অফছেট প্ৰেছ,
কলগাছিয়া, বৰপেটা (অসম)

ফোন- ৯৯৫৭০০৯৪৮০
৯৯৫৭০০৯৫৯৪

## সম্পাদনা সমিতি

সভাপতি ঃ ভাৰপ্ৰাপ্ত অধ্যক্ষ, ওমৰ আলী আহমেদ।

সম্পাদক ঃ ৰফিকুল ইছলাম

তত্বাৱধায়ক ঃ ড° ভগীৰথ চন্দ্ৰ নাথ

সদস্য ঃ অধ্যাপক, শ্ৰীঘনশ্যাম ভড়ালী
অধ্যাপক, কাইয়ুম কবীৰ
অধ্যাপক, এম, এচ, শ্বেইখ
অধ্যাপক, মাহুদ হাচান
মোঃ শফিউৰ ৰহমান
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা।

## উছৰ্গা

যিসকল মৰহুম্ মহান ব্যাক্তিৰ আশোশুধীয়া প্ৰচেষ্টাত নৱজ্যোতি মহাবিদ্যালয় এই পৰ্য্যায়লৈ উন্নীত হৈছে, জ্ঞাত অজ্ঞাত ব্যাক্তি আৰু ছাত্ৰ-ছাত্ৰী আমাৰ মাজৰ পৰা চিৰ বিদায় লৈছে, তেওঁলোকৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি এই সংখ্যা আলোচনী উছৰ্গা কৰা হ'ল।

আলোচনী সম্পাদক



বয়সেও হাৰ মনাব নোৱাৰা কৰ্মনিপুন আৰু সত্যনিষ্ঠাৰ প্ৰতীক তথা নৰজ্যোতি মহাবিদ্যালয়ৰ প্ৰগতিৰ অন্যতম সেমানী কৰ্মৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষ ওমৰ আলী আহমেদ।

*Abdul Khaleque*
**MLA, 44 No. Jania LAC**
**Member, Public Accounts Committee**
**Assam Legislative Assembly**

सत्यमेव जयते

**Qr. No.- 62, Old MLA Hostel**
**P.O. Assam Secretariat**
**Dispur, Guwahati- 6**
**☎ : 0361-2235406**
**📱 : 94351-15864**
**e-mail : mlajania@rediffmail.com**

**Date ...........................**



# শুভেচ্ছাবাণী

বঙ্গমূলীয় অসমীয়া মুছলমান অধ্যুষিত এলেকাৰ প্ৰথম উচ্চ শিক্ষাৰ অনুষ্ঠান কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়। স্বাভাৱিকভাৱেই এই মহাবিদ্যালয়ৰ প্ৰতি অসমৰ সকলো অঞ্চলৰ লোকৰ দৃষ্টি আছে। অঞ্চলৰ লগতে উল্লেখিত জনগোষ্ঠীটোৰ প্ৰত্যাশা কিছু পৰিমাণে হলেও মহাবিদ্যালয়খনে পূৰাবলৈ সক্ষম হৈছে। জনীয়া সমষ্টিৰো প্ৰধান শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খনেই। সমগ্ৰ সমষ্টিবাসীৰ হৈ মই বিচাৰো এই মহাবিদ্যালয়খন এক 'উৎকৰ্ষতাৰ কেন্দ্ৰ (Centre of Excellence)' ত পৰিণত হওঁক। তাৰ কাৰণে প্ৰয়োজনীয় যাৱতীয় সহযোগিতা সাধ্যানুসাৰে আগবঢ়াবলৈ মই সদা প্ৰস্তুত।

অন্যান্য বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়খনিৰ ছাত্ৰ একতা সভাই বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিব বুলি জানি মই অত্যন্ত আনন্দিত হৈছো। এই আলোচনীখনে নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিবলৈ সক্ষম হ'ব বুলি মই আশাবাদী।

ছাত্ৰ-ছাত্ৰী, শিক্ষা-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট সকলোলৈ আন্তৰিক শুভেচ্ছাৰে-

(আব্দুল খালেক)

# সূচীপত্ৰ


**প্ৰবন্ধ**

- ধৰ্মীয়, নৈতিক ও আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা — মোঃ নুৰুল হ'ক — ১
- আধুনিক জীৱন পৰিক্ৰমাত তথ্য প্ৰযুক্তিৰ প্ৰভাৱ — ড° ছাৰাফিমা আহমেদ — ৪
- জৈৱ বৈচিত্ৰ্যৰ অৱক্ষয় আৰু মানুহৰ ভৱিষ্যৎ — হানিফ মোস্তাক — ৭

**কবিতা**

- প্ৰতিশোধ — চৈয়দা মেহেৰুন্নীছা বেগম — ১০
- বাল্যকাল — মোঃ দিদাৰ হুছেইন — ১০
- জোনাক ভালপোৱা ল'ৰাজনলৈ ক্ষমা প্ৰাৰ্থনাৰে — আবিদা চুলতানা — ১১
- বিস্ফোৰণ — মিচ্ আচমিনা আহমেদ — ১৩
- অকনমান পোহৰৰ সন্ধানত — ছেলিমা খাতুন — ১৩
- তোমাৰ অপেক্ষাত — ছামচুন নেহাৰ — ১৪
- বিশ্ব স্ৰষ্টা — খন্দকাৰ মনোৱাৰ হুছেইন — ১৪
- দু-সময় — আৰিফা আহমেদ — ১৫
- কুঁৱলী — শাহিদুল ইছলাম — ১৫
- সপোন নে বাস্তৱ? — মোঃ জাকিৰ হুছেইন — ১৬
- আঘাত — মকিবুল হুছাইন — ১৬
- বন্ধুৰ সন্ধান বিচাৰি — শ্বহিদুল ইছলাম — ১৭
- দুখখিনি বুকুত সাৰটি লৈ — ময়নুল হক — ১৭
- তোমাৰ স্মৃতি — নাজমাতুল ইছলাম — ১৮
- জীৱন — এম, মোজাম্মেল হুছেইন — ১৮

**গল্প**

- সুগন্ধি আতৰ — ড° এম, এছ, শ্বেইখ — ১৯
- ৰামধেনুৰ ৰং — ড° ভগীৰথ নাথ — ২১
- সুমিত্ৰা বাই — ঘনশ্যাম ভৰালী — ২৬
- গাৰ্লফ্ৰেণ্ড - বয়ফ্ৰেণ্ড — শিৰাজুল ৰহমান — ২৯
- স্বপ্ন ভংগ — জাহিদুল ইছলাম (আশ্বিক) — ৩১
- নিহাৰ বিয়া — আব্দুৰ ৰৌফ আহমেদ — ৩৩
- এয়া মোৰ সম্পূৰ্ণ ব্যক্তিগত.... — খাদিজা হোছাইন — ৩৪
- আধুনিক প্ৰেম — মকিবুল হুছেইন — ৩৬
- আত্মবিকাশ — মহিবুৰ ৰহমান — ৩৭
- ভাবিয়েই পোৱা নাই — এফ, এ, মঞ্জিল — ৩৮

**ENGLISH SECTION (TOPICS)**

- Professional Development in a Teacher — B.K. Samal — 40
- Ozone depletion and its affect — Gobinda Karmakar — 43
- A slum Community with an idea of social thought — By- Kh. A. Goffur — 44
- Food Preservation — Dr. Sayeda Jahanara Begum — 46
- The most Burning Problem of Assam : An Analysis — By- Md. Fakhrul Alom — 49
- The Holy Quran — Shofiur Rahman — 51

**(POEM)**

- Passion — Shofiur Rahman — 52
- Feeling's of love — Anowar Al-Hassan — 52
- Oh God ! — Rofiqul Islam — 53
- Your Remembrance — Pinky — 53
- Yours Smile — Sheikh Khairul Alom — 54
- Brothers of Stars — Shashafi Abdullah — 54
- Spring — Md. Halim Khan — 54
- Bhumikampa (Go away...) — Imrul Basir Khan — 55
- I Love only you — Rahabubar Rahman — 55
- A Tribute to college through the commercial world — Mustafizur Rahman — 56
- প্ৰতিবেদন শিতানঃ- — ক-
- নৱজ্যোতি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ তালিকা — ড-
- Winner List — এ




প্ৰবন্ধ

# ধৰ্মীয়, নৈতিক ও আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা।

মোঃ নুৰুল হ'ক, এম,এ,
মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ।

ভাৰতীয়সকল প্ৰকৃততে উত্তেলিত আধ্যাত্মিকতাৰ ৰশ্মি শিখাৰে আগুৰা এক বলয়ৰ মাজত জন্ম গ্ৰহণ কৰে। মিছা কথাৰ অভাৱ কোট যিমানেই পিন্ধক, আধ্যাত্মিকতাক যিমানেই অস্বীকাৰ কৰওক তেওঁলোকৰ, কিন্তু অনুপস্থিত মানসিকতাৰ মাজেদি ফুটি উঠা ভাব অনুভূতিৰ যোগেদি এই আধ্যাত্মিকতাৰ অপাৰ শক্তিও প্ৰভাব দৃশ্যমান হোৱা দেখা যায়। ইয়াৰ মূলতে আধুনিকতা, পৰিবৰ্ত্তনশীলতা ও বিশ্বনায়নৰ নামত অন্ধ ভাবে আমি আমাৰ শৰীৰত বস্তুবাদৰ প্ৰলেপসানি সংস্কাৰকামী আধুনিক ও প্ৰগতিশীল বুলি নিজকে প্ৰতিপন্ন কৰিব বিচাৰো। আমাৰ অন্তৰ, মন কিন্তু ভাববাদী হৈয়েই থাকে। অন্তৰক কিন্তু প্ৰাশ্চাত্যৰ প্ৰলেপেৰে সজাব নোৱাৰি। আধ্যাত্মিকতাই ভাৰতীয়ক যেনেদৰে প্ৰভাবিত কৰিব পাৰে, তেনে অইন কোনো বস্তু বা বিষয়ে প্ৰভাবিত কৰিব নোৱাৰে। সম্প্ৰদায়িক সংঘৰ্ষই তাৰ স্পষ্ট প্ৰমাণ অৰ্থাৎ কেতিয়াবা সম্প্ৰদায়িক সংঘৰ্ষ সংগঠিত হলে বহুতে বস্তুবাদী ধ্যানধাৰণাক বিসৰ্জন দি অন্তৰাত্মাৰ আবেদনত আত্মসৰ্ম্পণ কৰা দেখা যায়।

আদৰ্শবাদ ও বস্তুবাদৰ দ্বন্দ্বই ভাৰতীয় সমাজক দুভাগে বিভক্ত কৰা দেখা যায়। বেছিভাগেই অন্তৰ ও মনৰ তাড়নাৰ বিপৰীতে শৰীৰৰ তাড়নাক অধিক গুৰুত্ব দি বস্তুবাদী জগতৰ উন্নতিত বিভোৰ হোৱা পৰিলক্ষিত হৈছে। তেওঁলোকৰ মতে জন্ম ও মৃত্যু এটা স্বাভাৱিক প্ৰক্ৰিয়া যি বহিঃ যান্ত্ৰিক শক্তিৰ দ্বাৰাই সংঘটিত হয়। জীৱনৰ কোনো নিগূৰ ৰহস্য বা উদ্দেশ্য নাই। মানুহ এটা পদাৰ্থ গতিকে মৰিলে পদাৰ্থতেই বিলীন হব বুলিকৈ ভাৰতীয় আদৰ্শবাদী মণীষীসকলে জীৱনটো যে এটা অসাৰ খন্তেকীয়া বুলি কৈছে ও ভগৱানৰ ওচৰত নিজকে শপি সৎ সহজ সৰল এক সাধাৰণ জীৱন যাপন কৰিবলৈ কোৱা কথা অসাৰ প্ৰতিপন্ন কৰিব খুজিছে। তেওঁলোকৰ মতে গোটেই বিশ্বব্ৰমাণ্ড এক আত্মিক শক্তিৰ দ্বাৰা পৰিচালিত হৈছে, গতিকে জন্মও মৃত্যুও এই শক্তিৰেই অৰ্ন্তগত। গতিকে লোভ লিপ্সা, কামনা-বাসনা, ভোগবিলাস গৰ্ব অহঙ্কাৰ আদিৰ বান্ধোনত থকা মানৱ আত্মাক মুক্ত কৰি পৰমাত্মাস্বৰূপ ভগৱানৰ লগত মিলিত কৰিব পৰাটোৱেই জীৱনৰ চৰম লক্ষ্য হোৱা উচিত। ইয়াকেই চূড়ান্ত সত্য ও চূড়ান্ত জ্ঞান হিচাপে গণ্য কৰা উচিত।

আদৰ্শবাদী হোৱা মানে এলেহুৱা কৰ্ম সংস্কৃতিবিহীন বুলি কব নোৱাৰি। আদৰ্শবাদেও কৰ্মক আগস্থান দিছে। কৰ্মই ধৰ্ম। কৰ্ম কৰিলেহে ভগাৱনক পোৱা যাব। ভগৱানে এলেহুৱা মানুহক নুখুৱায়। "আদদুনীয়া বিল ৱাছিলায়ে লাইছা বিল ফাজায়েলে।" অৰ্থাৎ কৰ্মৰ জৰিয়তে ইহজগত পৰিচালিত হৈছে।

গতিকে পশ্চিমৰ বস্তুবাদক অন্ধভাবে অনুকৰণ কৰাৰ ফলত ভাৰতীয় সমাজত নানা সমস্যা ও সংঘাতৰ সৃষ্টি হোৱা দেখা যায়। আদৰ্শবাদৰ নীতি সাপেক্ষে ধৰ্মীয় শিক্ষা তথা ধ্যান ধাৰণা, তপস্যা ও অধ্যায়ণ আদিৰ ওপৰত গুৰুত্ব দিয়া হলে বৰ্ত্তমান বিশ্বত বিশেষকৈ ভাৰতত দেখা দিয়া বহুমুখী সমস্যাই এক ভয়ানকৰূপ ধাৰণ নকৰিলেহেঁতেন। জন্মৰ পিছতেই মানুহে পাহৰি যায় জীৱনৰ গূঢ় ৰহস্যৰ কথা। আধুনিক যান্ত্ৰিক সভ্যতাই মানুহৰ বিপদ, দুখ কষ্টৰ মূল কাৰণে বুলি

আমি ভাবো। আমাৰ সামাজখনেই মূলতে ইয়াৰ বাবে দায়ী।

আমাৰ চাৰিওফালে বৰ্ত্তমান হিংসা সন্ত্ৰাসৰ কলা ডাৱৰে আগুৰি ৰাখিছে। সমাজখন নানা অপকৰ্মৰে ভৰি পৰিছে। হত্যা, লুণ্ঠন, ধৰ্ষণ, দুনীতি, যুদ্ধ সংঘৰ্ষ আদি ঘটনাবোৰ নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে এই সকলোবোৰত আজিৰ যুৱ প্ৰজন্মই প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত। আজিৰ প্ৰজন্ম শ্ৰম বিমুখ, কৰ্ম বিমুখ সকলোকে লাগে সহজলভ্য ধন সম্পত্তি।

জনসংযোগৰ সকলো মাধ্যমত একেই বাতৰি— অচিনাক্ত যুৱকৰ দ্বাৰা ধন দাবী; গুণ্ডাকৰ সংগ্ৰহ, ওপৰৰ পৰা তৃণমূল পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰীও মন্ত্ৰী বিধায়কে মুকলি ভাবে অবৈধভাৱে ধন সংগ্ৰহ ও ধনৰ বাবে একেলগে ডাঙৰ হোৱা লৰালি কালৰ বন্ধুকো হত্যা। শিশু, বৃদ্ধ বণিতাক ধৰ্ষণ কৰি হত্যা কৰাহৈ আছে। নাৰী নিৰ্য্যাতন। অৱশ্যে ইয়াৰ কাৰণে নাৰী সকলৰ বেপেৰুৱা উলঙ্গ চাল চলনকে বহু পৰিমাণে দায়ী কৰিব পাৰো।

প্ৰগতিবাদী জীৱন যাপনৰ নামত বৰ্বৰতাৰ যুগৰ পুনৰাবৃত্তি কৰাহে দেখা যায়। নাৰী প্ৰগতিৰ নামত নাৰীৰ অধোঃগতিহে হৈছে। আদৰ্শবাদৰ ধ্যান ধাৰণাক পদ ধূলিত কৰাৰ কাৰণেই এনে যোৱা বুলি আমি ভবাৰ থল আছে। গোটেই বিশ্ব আজি এক জাতিগত ও গোষ্ঠীগত সংঘৰ্ষত লিপ্ত হৈছে। ধৰ্মীয় নৈতিকতা ও মানৱীয়তাৰ আদৰ্শ শূণ্য পৰ্য্যায়ত অৱনমিত হৈছে।

অৱশ্যে ইয়াৰ বিপৰীতে এচাম যুৱক-যুৱতী, ব্যক্তি ও জাতিয়ে সৎপন্থাৰে জীৱিকা নিৰ্বাহ কৰি মানৱীয়তাৰ আদৰ্শক উচ্চ স্থান দি ভাৰসাম্য ৰক্ষা কৰাত অহৰহ চেষ্টা কৰি আছে। যিসকল আমাৰ আদৰ্শৰ স্বৰূপ।

বহুসংখ্যক লোক অবাঞ্চিত ও অবাটে যোৱাৰ অৰ্থ কি? যিসকলে হিংসা সন্ত্ৰাসেৰে বিশ্বৰ সমাজ জীৱনক কলুষিত কৰি তুলিছে। আচলতে তেওঁলোকে জীৱনৰ আচল অৰ্থ আৰু লক্ষ্যৰ কথা বুজি পোৱা নাই। সঁচা কথা কবলৈ গ'লে ইয়াৰ গূঢ়াৰ্থৰ কথা আমাৰ স্কুল, কলেজ ও বিশ্ববিদ্যালয়ৰ জ্ঞানেৰে পাব নোৱাৰি। আচলতে আমাৰ শিক্ষা ব্যৱস্থাই আদৰ্শহীন জড় ব্যক্তি হিচাপে গঢ় দিয়াৰ ভূমিকা লোৱা দেখা যায়। গতিকে গূঢ়াৰ্থৰ কথা জনাৰ কাৰণে ভাৰতীয়ও প্ৰাচ্যৰ আধ্যাত্মিকতাবাদৰ ওচৰ চাপিবই লাগিব। বৰ্ত্তমান এনেকি বস্তুবাদী প্ৰাশ্চত্য বিশ্বৰ বহু যুৱক-যুৱতীও প্ৰাচ্যৰ আধ্যাত্মিকতাবাদৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। তেওঁলোকৰ বক্তব্য হল— জীৱনত তেওঁলোকে পাবলগা সকলো পাইছে কিন্তু সেইবোৰে তেওঁলোকক বিৰক্ত কৰি তুলিছে। মনত অশান্তি দিছে। অকল প্ৰাচ্যৰ আধ্যাত্মিক প্ৰজ্ঞাইহে মনত বিমল প্ৰশান্তিৰ জন্ম দি জীৱনৰ আচল অৰ্থ লক্ষ্য আৰু উদ্দেশ্যৰ কথা বুজাত সহায় কৰাৰ লগতে জীৱনটো উপভোগ্য কৰি তুলিব পাৰিছে।

গতিকে এই আদৰ্শহীন যুৱ প্ৰজন্মও অন্যান্য লোকসকলে এই প্ৰজ্ঞাক অৱলম্বন কৰা উচিত। আমাৰ ঘৰুৱা, সমাজ, ৰাষ্ট্ৰীয় ও শিক্ষানুষ্ঠানৰ জীৱনতো এনে এক ধৰ্মীয় নৈতিক প্ৰজ্ঞাত্মক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা উচিত যিয়ে উঠি অহা যুৱ প্ৰজন্মৰ মানসিকতাক বহু পৰিমাণে সংশোধন কৰাত সহায় কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

আধ্যাত্মিক প্ৰজ্ঞা আমাৰ বুদ্ধিৰ এনে এটা স্থিতি, গুণ বা ক্ষমতা যাৰ দ্বাৰা কোনো এটা কঠিন বিষয়বস্তু অতি সহজে বুজি পাব পাৰি। পৰিস্থিতিৰ সঠিক অৱলোকন কৰিব পাৰি। এই প্ৰজ্ঞা শুভ প্ৰযত্নৰ এনে একফল যি বিকশিত হৈ মানুহক মনোস্থিতি একাগ্ৰ কৰি ৰাখিবলৈ, নিন্দা, ঘৃণা, দ্বেষ, হানি, লাভ, জয়-পৰাজয় আৰু জীৱনৰ কঠিন ধুমুহাৰ মাজতো পৰ্বতৰ দৰে অচল অটলহৈ থাকিবলৈ ক্ষমতা প্ৰদান কৰে, যাৰ দ্বাৰা জীৱনলৈ অহা নানা মিঠা প্ৰলোভন, উত্তেজনা ও প্ৰৰোচনাৰ মাজতো মানুহে নৈতিকতাৰ খোপনি দৃঢ়ভাবে ৰাখিবলৈ সক্ষম হয়। এই প্ৰজ্ঞা বৃদ্ধিৰ এনে এটা অৱস্থা





যিয়ে ব্যক্তিৰ মাজত অৰ্ন্তনিহিত হৈ থকা মানৱীয় গুণসমূহৰ বিকাশ সাধন কৰাৰ লগতে ভয় চিন্তাৰ পৰা মুক্ত কৰি কাৰো ওচৰত শিৰনত নহৈ নিঃদ্বন্দ্বভাবে কৰ্ম কৰি যাবলৈ প্ৰেৰণা যোগায়। তেনে অৱস্থাপ্ৰাপ্ত হলে মানুহে কেতিয়াও কাৰো অহিত অন্যায় চিন্তা কৰিব নোৱাৰে।

ব্যক্তিৰ মনৰ মাজত তেনে প্ৰজ্ঞাৰ তেতিয়াহে জন্ম হব, যেতিয়া এজন ব্যক্তিয়ে মনত বাৰে বাৰে চিন্তা কৰিব ধৰে যে, "মই শৰীৰৰ মাজত থকা শুদ্ধ, শান্ত পবিত্ৰ আৰু শক্তিযুক্ত এক আত্মাহে। এই সংসাৰৰ ৰংগমঞ্চলৈ আহিছো এক বিশেষ অভিনয় কৰিবলৈ, অভিনয়ত মোৰ ভাও হব এক মহাবীৰৰ, যাক দেখি সকলোৱে অনুপ্ৰাণিতহৈ সুস্থ সৰলভাৱে জীয়াই থকাৰ অনুপ্ৰেৰণা পাব। মোৰ সমস্ত ক্ৰিয়া কৰ্ম চিন্তা ভাৱনা জগতৰ কল্যাণৰ বাবে সৰ্মপিত। এই বিশ্বৰ সকলোবোৰ মোৰ আপোন, কাৰো লগত মোৰ শত্ৰুতাভাব নাই"।

মানুহৰ ক্ৰিয়া কৰ্ম আচাৰ ব্যৱহাৰ কথা বতৰা সকলোবোৰ চিন্তাৰ প্ৰতিফলন। এজন মানুহে মনত যি ধাৰণা চিন্তা-ভাৱনাৰ জন্ম দিয়ে কৰ্মত বচনত তাৰ হুবহুৰূপ লয়। গতিকে বৰ্ত্তমান সমাজখনে উক্ত চিন্তাচৰ্চাৰে আগবাঢ়িলে নিশ্চয় বিপদ সংকুল সমাজখন সমস্যাহীন হৈ সুন্দৰ হৈ উঠিব। ☐☐



## মহৎলোকৰ বাণী

- ☐ স্থান আৰু কালক যেতিয়া হৃদয়েৰে লেখা হয়, সিয়ে হয় প্ৰেম--- মাৰ্চেল প্ৰুষ্ট।
- ☐ অলপ মূৰ্খামি, প্ৰচুৰ কৌতুহলেই হ'ল প্ৰথম প্ৰেম--- জৰ্জ বাৰ্ণাৰ্ডশ্ব।
- ☐ প্ৰেমে আমাক শিকায় প্ৰতিটো কামকে সুন্দৰকৈ কৰিবলৈ--- ফিলিপছ ব্ৰুকছ।
- ☐ জুয়ে শুকান খৰি পুৰি ছাই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল কাম নষ্ট কৰি পেলায়--- হজৰত মহম্মদ।
- ☐ বৰ্ত্তমান যুগৰ ছোৱালীবোৰ হৈছে চিগাৰেট স্বৰূপ। চিগাৰেট হুপিলে যেনেকৈ পুৰি ছাই হয়, বৰ্ত্তমান যুগৰ ছোৱালীক ভাল পালে ঠিক তেনেদৰে হৃদয়খন জ্বলি জ্বলি জীৱনটো ধ্বংস হয়- এফ, এম, ছাইফুল ইছলাম।

সংগ্ৰহক-
ৰেজাউল আহমেদ (বুকুল)
স্নাতক মহলাৰ ১ম বৰ্ষ।

প্ৰবন্ধ

# আধুনিক জীৱন পৰিক্ৰমাত তথ্য প্ৰযুক্তিৰ প্ৰভাৱ।

ড° ছাৱাফিমা আহমেদ,
প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ।

প্ৰাকৃতিক বিজ্ঞানৰ নিয়ম সমূহৰ আলমত, সৰ্বসাধাৰণ মানুহৰ ব্যৱহাৰৰ উপযোগীকৈ নিপুণভাৱে গঢ়ি তোলা যিকোনো অভিনৱ কৌশল (Device) কে প্ৰযুক্তি বিদ্যা বুলিব পাৰি। অভিধানিক অৰ্থত প্ৰযুক্তি বিদ্যা হৈছে, মানুহৰ ব্যৱহাৰিক প্ৰয়োজনত বিজ্ঞানৰ প্ৰয়োগ।

প্ৰযুক্তি বিদ্যাৰ সহায়ত যোগাযোগ ব্যৱস্থাৰ জৰিয়তে ক্ষীপ্ৰ ভাৱে তথ্যৰ সৰববাহ কৰিব পৰা ব্যৱস্থাই হৈছে তথ্য প্ৰযুক্তি বিদ্যা (Information Technology)। তথ্য প্ৰযুক্তি বিদ্যাই মানৱ সমাজলৈ আনি দিয়া পৰিবৰ্ত্তন বিদ্যুৎৰ আৱিস্কাৰে নাইবা অৰ্ন্তদহন ইঞ্জিন (Combustion Engine)ৰ আৱিস্কাৰে অনা যুগান্তকাৰী পৰিবৰ্ত্তনৰ লগত তুলনা কৰিব পাৰি।

মানৱ ইতিহাসৰ তথ্যৰ ভঁড়াল হৈছে লিখিত বুৰঞ্জী। ইয়াৰ দ্বাৰাই অতীজৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক পৰিস্থিতিৰ আভাস পোৱা যায়। ভাৰতবৰ্ষলৈ বিভিন্ন ৰজাৰ ৰাজত্ব কালত অহা বিদেশী পৰিব্ৰাজকৰ টোকাৰ পৰাই সেই সময়ৰ বিভিন্ন বিষয়ৰ সম্যক জ্ঞান পোৱা যায়। ইতিহাসৰ এই লিখিত তথ্য (Recod)ৰ আৰম্ভনি হৈছিল। গছৰ পাত আৰু ছালত, শিলত নাইবা পৰ্বতৰ গুহা ইত্যাদিৰ যোগেদি। সাঁচিপতীয়া বুৰঞ্জীৰ কথা আমাৰ সকলোৰে জ্ঞাত।

(1410-1430) চনত চীন দেশত হোৱা কাগজৰ আৱিস্কাৰে শিক্ষাৰ ক্ষেত্ৰখনত এক বিপ্লৱৰ সূচনা কৰিলে। ছপাশালৰ আৱিস্কাৰৰ লগে লগে তথ্য সঞ্চয়নৰ পদ্ধতি আৰু এঢাপ আগুৱাই গল। ছপা পদ্ধতি হল মানৱ সমাজৰ প্ৰথমটো সংযোগকাৰী মাধ্যম। যদিও ১৫ শ শতিকাৰ মাজ ভাগৰ পৰাহে বিজ্ঞান সন্মত ভাৱে এই প্ৰণালীৰ উদ্ভাৱন আৰু প্ৰচলন হৈছিল, প্ৰাচ্যৰ বহুকেইখন দেশত ৬শ শতিকাৰ পৰাই কাঠত আখৰৰ সাঁচ কাটি ছপা কৰা প্ৰণালী প্ৰচলিত হৈছিল। লাহে লাহে ছপা কিতাপ, বাতৰি কাকতৰ আৱিৰ্ভাৱ হ'ল। লিখিত ৰূপত তথ্যৰ ভঁড়াল ৰূপে পুথি ভঁৰাল স্থাপন হ'ল [Library School, USA (1776)]। ইয়াৰ পাছতে মুদ্ৰালেখন যন্ত্ৰ (Type writen), চাইক্লষ্টাইল মেছিন (Cyclostyle machine)ৰ আৱিস্কাৰ হ'ল।

যোগাযোগ ব্যৱস্থা উন্নতিৰ লগে লগে ডাক সেৱাৰ মানো বহু উন্নত হ'ল। ফলত তথ্যৰ সৰববাহ বহু সহজ হৈ পৰিল আৰু কম সময়ৰ ব্যৱধানতে কৰিব পৰা হ'ল [বাৰ্ত্তাবাহক সেৱা (Courier Service), দ্ৰুত ডাক সেৱা (Speed post)]। যোগাযোগ মাধ্যমৰ উন্নতিৰ লগে লগে সমান্তৰাল ভাৱে তথ্য সৰববাহৰ বিভিন্ন মাধ্যমৰ সৃষ্টি হ'ল।

বৰ্ত্তমান তথ্য সৰববাহৰ মূল মাধ্যম বিলাক হৈছে-

(১) অনাতাৰ (Radio)
(২) দূৰদৰ্শন (Cable Television)
(৩) পুথিভঁৰাল
- ঘৰ
- কৰ্মক্ষেত্ৰ
- ৰাজহুৱা
(৪) টেলিফ'ন (Mobile)
(৫) ফেক্স মেছিন
(৬) কম্পিউটাৰ
- ঘৰ
- বিভিন্ন সংস্থাত

এই সকলোবোৰ মাধ্যমৰ দ্বাৰাই তথ্য প্ৰযুক্তি বিদ্যাই



:: নৱজ্যোতি মহাবিদ্যালয় আলোচনী ::

যদিও উন্নতি লাভ কৰিছে, তথাপিও এই ক্ষেত্ৰত সকলো মাধ্যমতকৈ কম্পিউটাৰৰ অৱদান অতুলনীয়। কম্পিউটাৰ আৱিস্কাৰৰ পাছতেই তথ্য প্ৰযুক্তিৰ বিদ্যাৰ জগত খনত এটা আলোড়নৰ সৃষ্টি হ'ল। একোটা কম্পিউটাৰ হৈ পৰিল হাজাৰ হাজাৰ তথ্যৰ ভঁড়াল। কম্পিউটাৰৰ লগতে যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব উন্নয়নৰ ফলতে আজি তথ্য প্ৰযুক্তি বিদ্যাই বিকাশ লাভ কৰিছে। অতি ক্ষীপ্ৰতাৰে শুদ্ধভাৱে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ কম্পিউটাৰে তথ্য সৰববাহ কৰিব পাৰে। এই তথ্য সৰববাহৰ বাবে আৱশ্যকীয় আহিলা সমূহ-- উপযুক্ত হাৰ্ডৱেৰ সহ কম্পিউটাৰ, তথ্য জমা আৰু পৰিচালনাৰ বাবে চফ্‌টৱেৰ, তথ্য সৰববাহৰ যোগাযোগ মাধ্যম ইণ্টাৰনেট।

ইণ্টাৰনেট হৈছে এটা বিশাল কম্পিউটাৰ নেটৱৰ্ক যিয়ে শ শ নিযুত কম্পিউটাৰক গোটেই পৃথিৱী জুৰি সাঙুৰি ৰাখে। এই কম্পিউটাৰৰ যিকোনো এটাত জমা হোৱা তথ্য মূহুৰ্ত্তত নেটৱৰ্কৰ আন যিকোনো কম্পিউটাৰলৈ পঠাব পাৰি। ইণ্টাৰনেট সেৱা ১৯৬০ চনতে আৰম্ভ হৈছিল। USA ত বিভিন্ন গৱেষণা প্ৰতিষ্ঠানৰ মাজত আৰম্ভনিতে এই ইণ্টাৰনেট সেৱাৰ নেটৱৰ্ক গঠন হৈছিল। বিশ্ববিদ্যালয় আদি অনুষ্ঠানো লাহে লাহে এই নেটৱৰ্কত সংযোজিত হ'ল। ঘৰুৱা কম্পিউটাৰ উভৈনদী হোৱাৰ লগে লগে ১৯৯০ চনৰ পৰা ইণ্টাৰনেট টেলিফ'ন লাইনৰ যোগেদি জনসাধাৰণে ব্যৱহাৰ কৰিব পৰা হ'ল।

ইণ্টাৰনেট মূলতঃ দুটা ক্ষেত্ৰত ব্যৱহাৰ হয়----- ই-মেইল (E-mail) আৰু ৱৰ্ল্ড ৱাইড ৱেব (World wide web)।

E-mail ৰ দ্বাৰা আমি পৃথিৱীৰ যিকোনো খবৰ (লিখিত), ফটোগ্ৰাফ ইত্যাদি পঠাব পাৰো আৰু মূহুৰ্ত্তত সমিধানো পাব পাৰো।

World wide web হৈছে এটা বিশাল তথ্যৰ ভঁড়াল। এই ভঁড়ালত বিষয় অনুযায়ী বিভিন্ন নামকৰণ কৰি তথ্য সমূহ File হিচাবে জমা ৰখা হয়, যাতে যিকোনো ইণ্টাৰনেট পৰ্য্যবেশনকাৰী ব্যক্তিয়ে বিচৰা ধৰণে নিৰ্দ্দিষ্ট Web কম্পিউটাৰৰ জৰিয়তে সংযোজিত কৰি তথ্য সমূহ পঢ়িব পাৰে, আদান-প্ৰদান কৰিব পাৰে।

**তথ্য প্ৰযুক্তি আৰু শিক্ষাঃ-**

যোৱা পাঁচশ বছৰত ছপা উদ্যোগলৈ বৈপ্লৱিক পৰিবৰ্ত্তন আহিছে। আশীৰ দশকত উদ্ভাৱন, প্ৰৱৰ্ত্তন আৰু প্ৰচলন হোৱা পাৰ্ছনেল কম্পিউটাৰ আৰু লেজাৰ প্ৰিণ্টাৰে ছপা পদ্ধতিৰ ৰূপ সলনি কৰিলে। ডেস্কটপ পাব্লিছিঙৰ প্ৰয়োগ ছপা উদ্যোগৰ ভৱিষ্যতক সুদূৰপ্ৰসাৰী কৰি তুলিছে। ছপা মাধ্যমক তথ্য বিপ্লৱৰ লাইখুটা বুলিয়ে গণ্য কৰিব পাৰি।

বৰ্ত্তমান ইণ্টাৰনেটৰ যি অভাৱনীয় জনপ্ৰিয়তা, তাৰ প্ৰতি লক্ষ্য কৰিলে ভাব হয় অচিৰেই জনসাধাৰণে তথ্য সংগ্ৰহৰ উৎস হিচাবে ছপা মাধ্যমতকৈ এই ইলেকট্ৰনিক মাধ্যমকে অগ্ৰাধিকাৰ দিব। পৃথিৱীৰ বহুসংখ্যক কালজয়ী গ্ৰন্থ ইলেকট্ৰনিক মাধ্যমৰ সহায়ত (CD-ROM, DVD, Internet) সংৰক্ষণ আৰু ইণ্টাৰনেটৰ যোগেদি প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে। এই ই-কিতাপ (E-book) ত, বিশ্বকোষৰ দৰে বৃহৎ আকাৰৰ মূল্যবান গ্ৰন্থ অতি কম দামতে সহজলভ্য হৈ পৰিছে। তাৰোপৰি দৈনিক ছপা বাতৰি কাকতকো বৰ্ত্তমান ই-ইংক (e-ink) য়ে প্ৰত্যাহ্বান জনাইছে। বিশেষ পদ্ধতিৰে নিৰ্মিত প্লাষ্টিক ছীটত e-ink প্ৰয়োগ কৰি বাৰ্ত্তা আলোচনী সমূহ ডাউনলড কৰি ল'ব পাৰি। প্ৰতিদিনে পূৰণা বাতৰিখিনি উঠাই দি নতুন দিনৰ কাকত ডাউনলড কৰি ল'ব পাৰি। e-ink প্লাষ্টিক ছীট পি, চি,ৰ যোগেদি ইণ্টাৰনেট ৱেবছাইটৰ লগত সংযোগ কৰি বাৰ্ত্তা আলোচনীৰ পৃষ্ঠা সমূহ আহৰণ কৰিব পাৰি।

বৰ্ত্তমান বহুতো আগশাৰীৰ শিক্ষানুষ্ঠানত ইণ্টাৰনেটৰ জৰিয়তে নামভৰ্ত্তিৰ বাবে বাছনি পৰীক্ষা, শিক্ষা প্ৰদানৰ ব্যৱস্থা সমূহো আছে। এই ব্যৱস্থাত শিক্ষকে শিকাবলগীয়া বিষয়টোৰ সম্পূৰ্ণ টোকাটো

ইণ্টাৰনেটত (নিৰ্দ্দিষ্ট ৱেবছাইটত) আগতীয়াকৈ আপ ল'ড কৰি দিয়ে। ছাত্ৰই টোকাটো অধ্যয়ন কৰে আৰু আৱশ্যক অনুযায়ী ইণ্টাৰনেটতে প্ৰশ্নও কৰিব পৰা ব্যৱস্থা থাকে।

ইণ্টাৰনেটৰ সহায়েৰে e-conference ৰ দ্বাৰা বিভিন্ন ব্যক্তি পৃথিৱীৰ বিভিন্ন স্থানত থাকিয়ে কোনো এটা বিষয়ৰ ওপৰত আলোচনা, ভাৱৰ আদান-প্ৰদান কৰিব পাৰে। e-shopping ৰ দ্বাৰা ঘৰৰ পৰাই পৃথিৱীৰ যি কোনো ঠাইতে বজাৰ-সমাৰ কৰিব পৰা যায় বা ঘৰতে বহি যাত্ৰাৰ বাবে আগতীয়াকৈ টিকট সংৰক্ষণ কৰিব পৰা হয়।

**<u>স্বাস্থ্য সেৱাত প্ৰযুক্তি বিদ্যাঃ—</u>**

টেলিমেডিচিন একবিংশ শতিকাৰ তথ্য প্ৰযুক্তি বিদ্যাৰ চমকপ্ৰদ সৃষ্টি। এজন ৰোগীক স্বাস্থ্য সম্পৰ্কীয় তথ্যবোৰ দূৰসংযোগ মাধ্যমেৰে এঠাইৰ পৰা আন ঠাইলৈ প্ৰেৰণ কৰি বিশেষজ্ঞৰ লগত দৃশ্য শ্ৰাব্য মাধ্যমেৰে আলোচনা কৰি ৰোগীক উন্নত চিকিৎসা প্ৰদান কৰিব পৰা ব্যৱস্থাই হ'ল টেলিমেডিচিন।

এই ব্যৱস্থাত ছফ্টৱেৰ, হাৰ্ডৱেৰ আৰু সংযোগ ব্যৱস্থা এই তিনিওটাৰে সংমিশ্ৰনত ভৌগলিক ভাৱে বিচ্ছিন্ন দুখন ঠাইৰ মাজত চিকিৎসা সম্পৰ্কীয় তথ্য আদান-প্ৰদান কৰি উন্নত চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰা হয়।

টেলিমেডিচিনৰ প্ৰাথমিক প্ৰয়োগ বহু বছৰ পূৰণি। ১৯৬০ চনতে নাছাই পৃথিৱী পৃষ্ঠৰ পৰা মহাকাশচাৰীৰ স্বাস্থ্যৰ বুজ লবলৈ টেলিমেডিচিনৰ সহায় লৈছিল। টেলিডায়োগনছিছ, টেলিপেথলজী, টেলি-ৰেজিঅ'লজী, টেলিকাৰ্ডিঅ'লজী, টেলিচাৰ্জাৰী, টেলিৰিছাৰ্ছ, টেলিথেৰাপী, টেলিএগুচকপী, টেলিডাৰমেট'লজী, টেলিকেয়াৰ ইত্যাদি টেলিমেডিচিনৰ বিভিন্ন বিভাগসমূহ।

তাৰোপৰি Geographical Information System (GIS) ব্যৱহাৰ কৰি তৈয়াৰ কৰা ছফ্টৱেৰৰ দ্বাৰা কম্পিউটাৰ প্ৰযুক্তিৰ সহায়ত পৰিৱেশ অধ্যয়নো কৰা হয়।

এই দৰে দেখা যায় আমাৰ দৈনন্দিন জীৱনৰ বহল ক্ষেত্ৰখনত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰেৰে উপচি পৰিছে। নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনে আমাৰ সমাজত এনে আলোড়ন তুলিছে যে এই বিলাকৰ অবিহনে যেন আমাৰ আধুনিক জীৱনৰ গতি স্তব্ধহৈ ৰব, এনে ধাৰণা হয়। □□

### মহৎলোকৰ বাণী

ঘৃণা সদায় হানিকৰ, প্ৰেম অমৰ গতিকে ঘৃণাক লো' কৰি স্নেহ বৃদ্ধি কৰা মানৱৰ কৰ্ত্তব্য- মহাত্মা গান্ধী।

নিজৰ প্ৰেমত পৰাজন কোনো প্ৰতিদ্বন্ধী নাথাকে—— বেঞ্জামিন ফ্ৰেংকলিন।

মানৱ জাতি সদায় প্ৰেমৰ পক্ষত থিয় হয়—— ইমাৰছ।

লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম কিন্তু নিজক পৱিত্ৰ ৰাটো তাতোকৈ বুদ্ধিমানৰ কাম- মহাত্মা গান্ধী।

সংগ্ৰহক-
এফ. এম. ছাইফুল ইছলাম।
স্নাতক মহলাৰ ১ ম বৰ্ষ।





প্ৰবন্ধ

# জৈৱ বৈচিত্ৰ্যৰ অৱক্ষয় আৰু মানুহৰ ভৱিষ্যৎ।

হানিফ মোস্তাক, প্ৰৱক্তা,
নৱজ্যোতি কলেজ, কলগাছিয়া।

জৈৱ বৈচিত্ৰ্য হ'ল জীৱ সম্প্ৰদায়ৰ ভিন্নতা বা পৰিৱৰ্ত্তনশীলতা যি প্ৰাকৃতিক বাসস্থানৰ লগত ওতপ্ৰোত ভাবে জড়িত। বায়ো ভাইৰছিটি বা জৈৱ বৈচিত্ৰ্য কথাষাৰ আক্ষৰিক অৰ্থত বিবেচনা কৰিলে ইয়াৰ অৰ্থ হয় কোনো ঠাইৰ জীৱনৰ বিচিত্ৰতা। অৰ্থাৎ কোনো ঠাইৰ জৈৱ বৈচিত্ৰ্য বুলিলে সেই ঠাইৰ প্ৰাণৰ প্ৰাচুৰ্য্য সলনি সেই ঠাইত কিমান ধৰণৰ প্ৰাণী আছে সেই সংখ্যাটোহে বিবেচ্য বিষয়।

আমি খালি চকুৰে যিমান ধৰণৰ পশু-পক্ষী, গছ-গছনি দেখিবলৈ পাওঁ, তাৰে পৰাই পৃথিবীৰ জৈৱ বৈচিত্ৰ্যৰ কিছু অনুমান কৰিব পাৰি। প্ৰকৃতিৰ মনোৰম সৃষ্টিৰ দ্বাৰা পৃথিবীৰ বুকুত এই বৈচিত্ৰ্যময় জীৱৰ সমষ্টি বিৰাজমান। প্ৰকৃতিৰ সৃষ্টি জীৱকুলৰ পৰা মানুহে লাভ কৰিছে খাদ্য, বস্ত্ৰ, আবাস আৰু ৰোগ ব্যাধিৰ বাবে ঔষধ। এই জীৱকুলে পৰস্পৰৰ মাজত সমতা ৰক্ষা কৰাৰ ওপৰিও প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি চলে। কিন্তু ৪৬ নিযুত বছৰ বয়সীয়া পৃথিবীৰ শেষতম আলহী মানুহৰ জ্ঞানৰ বিকাশ হোৱাৰ লগে লগে মানুহে প্ৰকৃতিক নিজৰ নিয়ন্ত্ৰত অন্নাৰ হাবিয়াসৰ ফলত প্ৰকৃতিৰ মনোৰম জৈৱ বৈচিত্ৰ্য আজি সংকটৰ সন্মুখীন হৈছে আৰু যোৱা চাৰিটা শতিকাৰ ভিতৰত পৃথিবীৰ পৰা বহুতো জীৱ বিলুপ্ত হৈছে আৰু আন বহুতোৰে বিলুপ্ত আসন্ন হৈ পৰিছে। বিলুপ্তিৰ এই ধাৰাবাহিকতাই পৃথিবীৰ জীৱকুলৰ প্ৰতি আনিছে এক ভয়াবহ সংকট। জৈৱ বৈচিত্ৰ্যৰ অৱক্ষয়ে সাম্প্ৰতিক কালত গোটেই বিশ্বত এক বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে লগতে মানুহৰ ভৱিষ্যৎ অস্থিত্বক সন্দেহৰ আৱৰ্ত্তত পেলাইছে।

প্ৰশ্ন হয় প্ৰকৃতিৰ এই জৈৱ বৈচিত্ৰ্যৰ প্ৰয়োজন কি? মানুহৰ বাবে জৈৱ বৈচিত্ৰ্যৰ গুৰুত্ব কিমান? এই প্ৰশ্নৰ উত্তৰ যদিও সহজ নহয় তথাপি এক কথাত কব পাৰি যে জৈৱ বৈচিত্ৰ্যই গোটেই জৈৱ পৰিমণ্ডলক জীয়াই ৰাখে। জীৱৰ বাচি থকাৰ বাবেই জৈৱ বৈচিত্ৰ্যৰ প্ৰয়োজন। জৈৱ বৈচিত্ৰ্য বা জীৱৰ প্ৰজাতি সমৃদ্ধি আৰু জটিলতা বৃদ্ধিয়ে জীৱকুলক পৰিবেশৰ চাপ আৰু বিপৰ্য্যয় সমূহ প্ৰতিহত কৰাৰ সম্ভাৱনীয়তা বঢ়ায় আৰু সিহঁতক সুস্থিৰ কৰি ৰাখে। প্ৰতিনিয়ত পৰিৱৰ্ত্তনশীল পৃথিবীত পৰিবৰ্ত্তন হৈছে মাটি, জলবায়ু আৰু পৰিবেশ। এই পৰিৱৰ্ত্তনশীল পৃথিবীত বাচি থকাৰ বাবেই প্ৰকৃতিয়ে জীৱক প্ৰদান কৰিছে জৈৱ বৈচিত্ৰ্য।

যদি মানৱিক দিশৰ পৰা বিবেচনা কৰা যায় তেন্তে জৈৱ বৈচিত্ৰ্যৰ অইন এটি প্ৰয়োজনীয়তাও আছে। ১৯৮৬ চনত বৈজ্ঞানিক সকলে লক্ষ্য কৰে যে আফ্ৰিকাৰ ক্ল'ড ভেকুলীৰ দেহত কোনো ধৰণৰ সংক্ৰমণ নহয়। পৰীক্ষাগাৰত কটা ছিঙা কৰাৰ পাছত সাধাৰণ ভাবে চিলাই কৰি জলাশয়ত এৰি দিলে কটা ছিঙা অংশত কোনো ধৰণৰ সংক্ৰমণ নহয় আৰু ই জীয়াই থাকে। এই ঘটনাৰ অনুসন্ধান কৰি বৈজ্ঞানিক সকলে দেখা পায় যে ক্ল'ড ভেকুলিৰ দেহৰ পৰা এক ধৰণৰ ৰস নিসৃত হয় যিয়ে আমাৰ জনা শুনা যিকোনো বেকটেৰিয়া ধ্বংস কৰিব পাৰে। পাছলৈ দেখাযায় যে সকলো ভেকুলীৰ দেহতেই কম বেছি পৰিমাণে জীৱানু ধ্বংস কৰিব পৰা আচ্ছাদন এটা থাকে যাৰ বাবে সিহঁত গেলা-পঁচা জীৱানুযুক্ত পানীত বাচি থাকিব পাৰে। ক্ল'ড ভেকুলীৰ দেহত যি এণ্টিবায়'টিক পোৱা যায় তাৰ দ্বাৰা ঔষধ তৈয়াৰ কৰি আমেৰিকাৰ পেনছালভেনিয়াৰ

মেগাইনিন ফার্মাচিউটিকেল নামৰ কোম্পানী এটাই গোটেই বিশ্বত কৌটি কৌটি টকাৰ ব্যৱসায় কৰি আছে। পেনিচিলিন; মৰফিন, ষ্টেৰইড আদি মানুহৰ জীৱন মৰণ নির্ধাৰণকাৰী ঔষধ সমূহ আচলতে জৈৱ বিচিত্ৰ্যৰেই সোনোৱালী শইচ আৰু আমাৰ দেশত সেইজ বিপ্লৱ সম্ভৱ হৈছিল এই জৈৱ বৈচিত্ৰ্যৰ বাবেই।

গছৰ ছাল বা প্ৰাণীৰ দেহৰ পৰা ঔষধ পোৱা, ধান বা ঘেহুৰ পুলি কিছুমান দ্ৰুত বঢ়া আন কিছুমানৰ বৃদ্ধি মন্থৰ, মানুহৰ মাজতো কিছুমান দীঘল আৰু কিছুমান চাপৰ আদি কথাবোৰ মানুহে বহুদিন আগৰ পৰাই জানে আৰু প্ৰকৃতিৰ এই উপাদান সমূহক মানুহে অতীজৰে পৰাই ব্যৱহাৰ কৰি আহিছে, তাত আঁচৰিত হ'ব লগা কি আছে আৰু তাৰ লগত জৈৱ বৈচিত্ৰ্যৰেই বা সম্পৰ্ক কি? এই উত্তৰলৈ যোৱাৰ আগতে জৈৱ বৈচিত্ৰ্যৰ মূলতত্ব সম্পৰ্কে কিছু আলোচনা কৰি লোৱাটো ভাল হ'ব।

পৃথিবীত প্ৰতিটি প্ৰাণীৰ জন্মৰ পাছৰ পৰাই নানা প্ৰকাৰ পৰিবৰ্ত্তন আৰম্ভ হয়; এই পৰিৱৰ্ত্তনৰ হোতা হ'ল জিন আৰু জিনৰ মাজতেই লিখা থাকে জীৱৰ বৈশিষ্ট্য কি হ'ব। নতুন প্ৰাণ যি মূহুৰ্ত্তত পৃথিবীত চকু মেলে সেই মূহুৰ্ততেই জিনে লক্ষ্য কৰে যে নতুন প্ৰাণে তাৰ মাক-দেউতাকৰ পৰা যিবিলাক বৈশিষ্ট্য পাইছিল তাৰ বহু বিলাকেই এই পৰিবৰ্ত্তনশীল প্ৰকৃতিত অনুপযোগী আকৌ কিছুমান আগতে অনুপযোগী আছিল কিন্তু বৰ্ত্তমান উপযোগী। নতুন প্ৰাণৰ নতুন জিনত এই আটাইবিলাক কথা লিখা হৈ যায় আৰু পাছৰ পুৰুষ বা জেনেৰেশ্বন লৈ এই তথ্য সঞ্চাৰিত হয়। এইদৰে এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ বৈশিষ্ট্যসমূহ সঞ্চাৰিত হৈ কেতিয়াবা মূল প্ৰজাতিৰ বৈশিষ্ট্য অদৃশ্য হৈ যাব পাৰে নাইবা মাজতে কোনো জিনে হঠাৎ অইন ধৰণে আচৰণ কৰি সম্পূৰ্ণ এক নতুন প্ৰজাতিৰ জন্ম দিব পাৰে। এই প্ৰক্ৰিয়াৰে একাধিক নতুন প্ৰজাতিৰ জন্ম হয় আৰু পুৰণি মূল প্ৰজাতিবিলাক পৰিবৰ্ত্তীত পৃথিবীত খাপ খাব নোৱাৰি বিলুপ্ত হয়। এয়াই প্ৰকৃতিৰ নিয়ম ইয়াক প্ৰজাতি বিলুপ্তিকৰণ বোলে।

কোনো কোনো প্ৰজাতিৰ বিলুপ্তিৰ বাবে কোটি কোটি বছৰ লাগে আকৌ কোনো কোনো প্ৰজাতি সেই পুৰুষমান পাছতেই পৃথিবীৰ পৰা বিদায় লয়। উল্লেখনীয় যে অশ্বখুড়া কেকোৰা সমূহ পৃথিবীত প্ৰায় দুশ কোটি বছৰ আগৰ পৰাই আছে আৰু জেঠী বিলাকৰ বয়স তাতোকৈ বেছি আকৌ কিছুমান পোক-পৰুৱাৰ প্ৰজাতি কেই পুৰুষমান পাছতেই পৃথিবীৰ পৰা বিদায় লয়।

ধ্বংসৰ মাজতেই সৃষ্টিৰ বাৰ্ত্তা ঘোষিত হয়। এটা প্ৰজাতি ধ্বংস হয় আৰু তাৰ ঠাই লবলৈ আহে অইন এটা নতুন প্ৰজাতি। যিমানেই প্ৰজাতি বৃদ্ধি হয় সিমানেই বাঢ়ে বৈশিষ্ট্য আৰু সিমানেই বাঢ়ে সকলো প্ৰকাৰ পৰিবৰ্ত্তন আৰু প্ৰতিকুলতাৰ লগত খাপখুৱাই এটা নহয় এটা প্ৰজাতিৰ বাচি থকাৰ সম্ভাৱনা। য'ৰ পৰা ক্ৰমান্বয়ে বহু প্ৰাণী উধ্যোষিত এক পূৰ্ণাংগ জীৱন জগত গঢ়লৈ উঠিব পাৰে। অথ এব পৃথিবীত জীৱক বচাই ৰাখিবৰ বাবেই জৈৱ বৈচিত্ৰ্যৰ প্ৰয়োজন আৰু জৈৱ বৈচিত্ৰ্যৰ মূল কথা হ'ল প্ৰজাতিৰ বিলুপ্তি।

সৌৰজগতৰ তৃতীয় সদস্য পৃথিবী বহু ধ্বংস আৰু বহু সৃষ্টিৰ মূল দেখিবলৈ পাইছে। বিগত সময় চোৱাত পৃথিবীত পাচটা ধ্বংস আছিল অকল্পনীয় আৰু অস্বাভাৱিক। বাহিৰৰ কোনো অজ্ঞাত শক্তিৰ প্ৰভাৱত এই ধ্বংসবোৰ সংঘটিত হৈছিল যাৰ ফলত জীৱজগতৰ বহু সংখ্যক প্ৰজাতিৰ একে লগে মৃত্যু হৈছিল আৰু ইয়াক গণবিলুপ্তি বা মাছ একসাটিংছন বোলে।

সাধাৰণ অৱস্থাত ধৰিলোৱা হয় যে পৃথিবীৰ ধাৰণ ক্ষমতা এক কোটি প্ৰজাতি আৰু প্ৰতিটো প্ৰজাতিৰ গড় আয়ুকাল এক লাখৰ পৰা দহ লাখ বছৰ। ইয়াৰ পৰা বৈজ্ঞানিক সকলে হিচাব কৰি দেখুৱাইছে যে প্ৰতি বছৰ একশটা নতুন প্ৰজাতি পৃথিবীত জন্ম হয়, পুৰণি বিলুপ্ত হোৱা প্ৰজাতি সমূহৰ ঠাই লবলৈ। ইয়াই স্বাভাৱিক হাৰ। কিন্তু যদি স্বাভাৱিক হাৰতকৈ বেছি প্ৰজাতিৰ





একে লগে বিলুপ্তি ঘটে তেন্তে তাক গণবিলুপ্তি বা মাছ এক্‌সটিংছন বোলে। পৃথিবীত এনে মাছ মাছ একসটিংছন পাচবাৰ সংঘটিত হৈছিল যদিও প্ৰকৃতিৰ বিলুপ্তি কৰণ আৰু নবীকৰণ প্ৰক্ৰিয়াত কোনো হীনদেৰি নথকা বাবে প্ৰতিবাৰেই ধ্বংসৰ তাণ্ডৱ প্ৰতিহত কৰি পৃথিবীত প্ৰাণৰ স্পন্দন ধ্বংনিত হৈছিল।

কিন্তু আজিৰ আধুনিক বিশ্বত আৰম্ভ হৈছে ষষ্ট আৰু শেষতম মাছ এক্‌সটিংছন। যাৰ কাৰণ আমাৰ প্ৰত্যেকৰেই জ্ঞাত। আমি নিজেই সংঘটিত কৰিছো এই মাছ এক্‌সটিংছন বা গণবিলুপ্তি। এই শেষতম মাছ এক্‌টিংশনত আমি প্ৰকৃতিৰ নিয়মক জলাঞ্জলি দিছো আৰু তাৰ ফলত আটাইতকৈ বেছি ক্ষতি গ্ৰস্থ হ'ব, যি সংহাৰক, সেই মানুহেই।

বিশ্ব সংৰক্ষণ সংস্থাৰ হিচাব মতে যোৱা ১৫০০ শতিকাৰ পৰা বৰ্ত্তমানলৈকে বিশ্বৰ পৰা প্ৰায় ৭৮৪ টা প্ৰজাতি বিলুপ্তি হৈছে মানুহৰ কাৰ্য্যকলাপৰ ফলত আৰু প্ৰায় ১৫৫৮৯ টা প্ৰজাতিৰ বিলুপ্তি আসন্ন। বৈজ্ঞানিক সকলে হিচাব কৰি দেখুৱাইছে যে এই বিলুপ্তি স্বাভাৱিক হাৰতকৈ ১০০০ গুণ বেছি। এই হাৰত প্ৰজাতিৰ বিলুপ্তি হৈ থাকিলে আগৰ পাচটা প্ৰলয়ত যিমান সংখ্যক প্ৰজাতি ধ্বংস হৈছিল তাৰ সন্মিলিত হাৰতকৈও বেছি হ'ব, এই আধুনিক যুগৰ ছিকস্থ এক্‌টিংশনত প্ৰজাতিৰ বিলুপ্তিকৰণ। যাৰ ফলত পৃথিবীত মানুহৰ অস্থিত্ব হৈ পৰিছে সংকটাচ্ছন্ন।

কাৰণ পৃথিবীত আটাইতকৈ বেছি পৰনিৰ্ভৰশীল প্ৰজাতি হ'ল মানুহ। পৰিবৰ্ত্তীত পৃথিবীত মানুহে ও নতুন অৱস্থা আৰু প্ৰতিকুলতাৰ সন্মুখীন হৈ আছে। সেই প্ৰতিকুলতা আৰু বিপৰ্য্যয়ৰ হাতসাৰিবলৈ মানুহে হাত পাতিব লগা হয়, অইন প্ৰজাতিৰ ওচৰত। কোনে কব পাৰে ভৱিষ্যতে মানৱকুলৰ সন্মুখত কেতিয়া কি বিপৰ্য্যয় আহিব, যদি প্ৰকৃতিৰ জৈৱ বৈচিত্ৰ্য অটুট নাথাকে তেন্তে মানুহে সেই বিপৰ্য্যয় আৰু প্ৰতিকুলতাক প্ৰতিহত কৰাৰ কোনো পথ বিচাৰি নাপাব। কিন্তু যদি মানুহে প্ৰকৃতিৰ জৈৱবৈচিত্ৰ্য অৱক্ষয় ৰোধ কৰি তাক সংৰক্ষণ কৰে, তেন্তে অতীতৰ নিচিনাকৈ সকলো প্ৰকাৰ প্ৰতিকুলতাক জয় কৰাৰ অস্ত্ৰ হয়তো প্ৰকৃতিৰ পৰাই পাই যাব পাৰে। যেনেকৈ অতীতত খাদ্যৰ অভাৱত পাইছিল ৰোগ প্ৰতিৰোধক আৰু অধিক উৎপাদনশীল ধান আৰু ঘেহুৰ প্ৰজাতি। ৰোগ ব্যাধিৰ পৰা ৰক্ষা পাবলৈ পাইছিল পেনিছিলিন, মৰফিন ষ্টেৰইড কুইনাইন আদি ঔষধ।

গতিকে মানুহে জৈৱবৈচিত্ৰ্যৰ অৱক্ষয় ৰোধ কৰি প্ৰকৃতিক তাৰ স্বাভাৱিক নিয়মত চলিবলৈ দিলে জৈৱবৈচিত্ৰ্য অটুট থাকিব আৰু ভৱিষ্যৎ মানুহে এই মহাবিশ্বত ভাহিফুৰা মানুহৰ সহপ্ৰজাতি বিলাকৰ পৰাই সকলো প্ৰকাৰ প্ৰতিকুলতা আৰু বিপৰ্য্যয় প্ৰতিহত কৰাৰ মহা মন্ত্ৰ পাই যাব। □□



কবিতা

## প্ৰতিশোধ

চৈয়দা মেহেৰুন্নীছা বেগম,
নৱজ্যোতি মহাবিদ্যালয়,
অসমীয়া বিভাগ।

বিক্ষিপ্ত বেদনাত জৰ্জ্জৰিত অন্তৰ
গুজৰি উঠিছিল ক্ৰোধত
প্ৰতিশোধ লাগে প্ৰতিশোধ লাগে
কলিজাৰ ৰক্তিম তেজ
আৰু ৰক্তিম হে উঠক
তেজৰ বিনিময়ত তেজ লাগে
প্ৰতিশোধ লাগে, সিহঁতক
প্ৰতিশোধ লাগে। □□



## বাল্যকাল

মোঃ দিদাৰ হুছেইন,
উঃ মাঃ ২য় বৰ্ষ (কলা শাখা)

সেই ...............
মোৰ বাল্যকাল ক'ত লুকাল?
য'ত ধূলি বালিৰে খেলিছিলোঁ
সেই ঠাই কিমান যে বিচাৰি ফুৰো
তথাপিও তাক বিচাৰি নাপাওঁ।
সেই ...............
দূবৰি বনত কিমান যে বিচাৰি ফুৰো
মোৰ অতীতৰ বাল্যকাল
পুতুলাৰে কণ্যাদান দিছিলোঁ
বিয়া গীত গাইছিলোঁ লগৰীয়াৰ লগত।
সেই ...............
হে শান্তিময় সংকীৰ্ণ জীৱন
আহিবানে কেতিয়াবা ঘূৰি?
প্ৰাণ ভৰি চাম মই
মোৰ অতীতৰ স্মৃতি।।
সেই ...............
বালিৰে ঘৰ দুৱাৰ সাজি
ফুলনিৰ পৰা ফুল ছিঙি আনি
সাজিছিলো পুষ্প ধাৰি;
তাক এতিয়া নাপাওঁ বিচাৰি।।
সেই ...............
অতীতৰ সোনৰ বাল্যকাল
তাক এতিয়া কতো বিচাৰি নাপাওঁ
কিমান যে লাগিছিল ভাল
কিন্তু, নাথাকিল চিৰকাল।।□□





:: নৱজ্যোতি মহাবিদ্যালয় আলোচনী ::

কবিতা

## জোনাক ভালপোৱা ল'ৰাজনলৈ ক্ষমা প্ৰাৰ্থনাৰে।

আবিদা চুলতানা,
স্নাতক, ৩ য় বৰ্ষ (কলা)

জোনাক ভালপোৱা ল'ৰাজন
ক্ষমা বিচাৰিছো
তোমাৰ ওচৰত.......

জুইৰ স'তে খেলি খেলি
তুমি কি পাবা
জুইৰ ডেউকাত কলিজাৰ ৰং সানি

জুয়ে নাজানে
অনুভৱৰ ভাষা,
জুয়ে নুবুজে
আলিংগনৰ ভাষা,
জুয়ে নিশিকে
প্ৰেমৰ নামত কৰা প্ৰতিজ্ঞাৰ ভাষা.....।

মাথোঁ-----
জুয়ে জানে
জুয়ে বুজে
জুয়ে শিকে
নিঃশেষ কৰাৰ ভাষা......।

জোনাক ভালপোৱা ল'ৰাজন
সোৱৰাই দিছো তোমাক ........
কথা নিদিবা জুইক
শপত নিদিবা জুইক
ফুল নিদিবা জুইক
উশাহ নিদিবা জুইক
বতাহ নিদিবা জু ইক
আৱৰণ নিদিবা নিদিবা নিদিবা জুইক........।

কবিতা

জোনাক ভালপোৱা ল'ৰাজন মোৰ
শব্দবোৰ জুই হ'বলে
নিশিকিবা;
আশাবোৰ জুই হ'বলৈ
নক'বা,
বিশ্বাসবোৰ জুই হ'বলে
নুবুজাবা,
আৰু ভালপোৱা অনুভূতিবোৰ........
নাঃ নাঃ নাঃ
জুইৰ স'তে খেলিব নিদিবা এবাৰো
লুকাভাকু হ'লেও ............ ।

জুইৰ স'তে খেলিয়েই
এঙাৰ পাবা,
পাবা এঙাৰ
পুনঃ জ্বলি উঠিবলৈ ......... ।

জুয়ে নাজানে
জুয়ে নুবুজে,
জুয়ে নিশিকে
হৃদয়ৰ এশ এটা সৰল প্ৰাৰ্থনা .......... ।

জোনাক ভালপোৱা ল'ৰাজন
মোৰ,
জুই নহ'বা তুমি
জুই নহ'বা তুমি
জুই নহ'বা তুমি কোনোকালে............ ।□□







কবিতা

# বিস্ফোৰণ।

মিচ্ আচমিনা আহমেদ,
স্নাতক, প্ৰথম বৰ্ষ (কলা শাখা)

এহেজাৰ মগজুৰ বিস্ফোৰণ ঘটিছে
ছিটিকি পৰিছে ক্ষুধাৰ স্ফুলিংগবোৰ
অ'ত ত'ত উলংঘ হৈছে নিৰ্জন স্বাধীনতা।
স্বপ্ন ৰাজ্যৰ পৰা উভতিছে ফুল কোঁৱৰ
মূল সুঁতিত মুখ গুজিবলৈ
নিষ্প্ৰাণ শিশুৰ বুকুত;
হ'ব লাগে এক ভয়াবহ বিস্ফোৰণ
যাতে শিশুৰ টোপনিয়ে জগাব পাৰে
বঙহৰদেউৰ অকলে ঘুমুটি।
জোনাকী হাটত বহিব প্ৰেমৰ বণিক
হাতে হাতে তুলি দিব স্বাধীনতাৰ পতাকা,
বুকুৰ দুখ খুলি যদি চেপী দিয়া
টক্ বগ্ তেজত ক্ষমতাৰ জাপনা।
আহা আমি সবে জাহ যাওঁ
এই সপোন কোঁৱৰৰ বিস্ফোৰণত;
আৰু আমাৰ মৃত্যুৰ ঢাপত
গঁজি উঠক সিহঁতৰ ফুলাম হাঁহি।।□□



# অকনমান পোহৰৰ সন্ধানত

ছেলিমা খাতুন,
স্নাতক, ২য় বৰ্ষ (কলা)

আহি পালেহি কেনেবাকৈআজি এয়া মাজ বাটত
জীৱনৰ এই অগ্ৰগতিৰ পথত,
জনা নাছিলো একো, বুজা নাছিলো একো,
যেতিয়া অগ্ৰসৰ হৈছিলো;
এই জীৱনৰ পথত।
আজি বুজিছো সকলো
তথাপিও যে হেৰুৱাই পেলাইছো সকলো
আজি এই ভয়াবহ মাজবাটত আহি।
দোমোজাত পৰিছো আজি মই
সন্ধান পোৱা নাই কোনো সিদ্ধান্ত,
অভাৱ অনুভৱ কৰিছো যেন
কোনো এজনৰ প্ৰকৃত বন্ধুত্ব।
এন্ধাৰে মুন্ধাৰে যে আওৰি ধৰিছে,
বিচাৰি পোৱা নাই ক'তো পোহৰৰ সন্ধান
ধৰিব পৰা নাই কোনো আতিগুৰি
এয়াই কি বিধিৰ বিধান?
সন্মুখত পোহৰ নেদেখাৰ ফলত
মনৰ ভিতৰতে যেন এক অজান ধুমুহাই
ভয়ংকৰ ৰূপ ধাৰণ কৰি আছেহি
এনে সময়তে কোনোবাই যেন
হৃদয়ৰ দৰ্জাত টুকুৰিয়াইছে
যাৰ শব্দই হৃদয়খনো কঁপাই তুলিছে,
পিছে খুলিবৰ সাহস পোৱা নাই
হৃদয়ৰ গোপোন কোঠাৰ দৰজা
এই কাৰণেই যে কিজানিবা;
ভিতৰলৈ সোমোই আহেই ধুমুহা,
মনৰ ভিতৰতে জাগি উঠা প্ৰশ্নই আৰু
এনে কিছুমান জটিল সমস্যাই দাঙি ধৰিছে
যাৰ বাবেই হয়তো প্ৰশ্নৰ উত্তৰ বোৰেও
লুকুৱাইলৈ চেষ্টা কৰিছে;
ৰৈ আছো আজি এই অজান মাজ বাটত
কেৱল মাত্ৰ অকণ মান পোহৰৰ সন্ধানত।□□

কবিতা

## তোমাৰ অপেক্ষাত

ছামচুন নেহাৰ,
উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)

বহাগ আহিল
কপৌ ফুলিল
তুমি আহিবা বুলি
সদায় আবেলি
নঙলামুখত ৰৈ থাকো
কিজানি তুমি আহিছা.............।

কুলি চৰাইয়ে মাতিছে
কৃষ্ণচূড়া গছবোৰ
ফুলেৰে ভৰি পৰিছে
সদায় ব্যস্ত পথটোলৈ
উখল-মাখল চিএৰ ধ্বনিৰে
জুম বান্ধি থকা ল'ৰাবোৰলৈ
এবাৰ হলেও চকু ফুৰাওঁ
কিজানি তুমি আহিছা.........।

মই জানো তুমি নাহা
তথাপিও ঘৰৰ সন্মুখৰ
বকুল জোপাৰ তলৰে বহি
আজিও মই বকুল ফুলৰ মালা গাঁথো
কেৱল মাত্ৰ তোমাৰ বাবেই
কিজানি তুমি আহিছা.........
কিজানি তুমি আহিবা।□□



## বিশ্ব স্ৰষ্টা

খন্দকাৰ মনোৱাৰ হুছেইন,
স্নাতক তৃতীয় বৰ্ষ (কলা)

কণ মনিয়ে প্ৰশ্ন কৰিছে
কোৱাচোন মা তুমি?
প্ৰতিক্ষনে এই ধৰাৰ বুকুত
বাজে কাৰ নামৰ ধ্বনি
ধল পুৱাতে কাৰ নাম লই
চৰায়ে গায় গান?
পাহাৰ ভৈয়াম খাল বিল নৈ
কোনে কৰিলে দান।
কাৰ আদেশত নিতৌ বাগিছাত
ফুলে নানাৰঙী ফুল?
চন্দ্ৰ সূৰ্য উদয় অস্তত
নকৰে কদাপিও ভুল।
কাৰ মহিমাত ৰাতিৰ এন্ধাৰত
তৰাবোৰ আকাশত জ্বলে?
কোলাত বহি ভাবিছে নিৰবে
সৃজিলে কোনে মোক?
সুধিছে মাকক মই মৰিলে বাৰু
কৰিবানে তুমি শোক?
দুখৰ কাৰণ নহয়যে এয়া আই
হাঁহিবহে তুমি লাগে,
বিশ্ব স্ৰষ্টাৰ বুকুত থিতাপি
ল'ম মই আগে- ভাগে।
ক্ষণস্থায়ী এই মায়াময় পৃথিৱীত
ৰইছেনে কোনোবাই?
পৰম স্ৰষ্টাৰ দৰ্শন পাম য'ত
সেয়াহে আচল ঠাই।□□





কবিতা



## :: দু- সময় ::

আৰিফা আহমেদ,
স্নাতক তৃতীয় বৰ্ষ (কলা শাখা)

অন্তৰৰ অন্তৰতম বন্ধুৱেওঁ
কঢ়িয়াই লৈ ফুৰিব পাৰে
তোমাৰ বাবে মৰণাস্ত্ৰ।
হৃদয়ৰ নিভৃত কোণত এতিয়া
সযত্নে পালন কৰিব পাৰে
তোমাৰেই মৃত্যু কামনা।

নিমিষতে বিস্মৃতিত
হেৰাই যাব পাৰে,
দেশৰ মাটিত থকা
তোমাৰেই দুভৰিৰ চিন।
অসময়তে পাহৰি যাব পাৰে
হৃদয়ত থকা
তোমাৰ আৱেগিক স্মৃতি
এতিয়া বৰ দুঃ সময় জানো বন্ধু
যিকোনো মুহূৰ্তে নুমাই যাব পাৰে
দেশৰ চৌকাশে পোহৰাই থকা
তোমাৰ জীৱন দীপ।

এটি আঙুলিৰ ইংগিত ছিন্ন ভিন্ন হৈ যাব পাৰে
তোমাৰ ক্লান্তিময় দেহ।
কাচিৎ হে কোনো বন্ধুৰ সেমেকা হাতত পাবা
অহিংসা, ত্যাগ আৰু প্ৰেমৰ অমৰবাণী।
যি বাণী কঢ়িয়াই লৈ ফুৰিছে
মহাত্মা গান্ধী, মাদাৰ টেৰেছা, নেল্‌চন্ মেণ্ডেলাই
যুগ যুগান্তৰ দেশ দেশান্তৰলৈ।।□□

## কুঁৱলী

শাহিদুল ইছলাম,
স্নাতক, ৩য় বৰ্ষ (বিজ্ঞান শাখা)

এতিয়া কুঁৱলী
যেন তোমাৰ চকুলো
ঢাকি আছে মোৰ বাট।।
অলপ পিছতে ৰ'দৰ তাপত
কুঁৱলী আঁতৰি যাব
মুকলি আকাশে মাটিৰ বুকুত
নিজকে ঘূৰাই পাব
ওলাব বাটৰ আঁত।।
তোমাৰ চকুৰ কুঁৱলী আঁতৰি গ'লে
মুকলি হ'ব মোৰ বাট
এইবাটে দিয়ে সজাল যৌৱন
সাজি- কাচি গুছি যায়
এই বাটেদিয়ে তেজাল সপোনে
মোলৈ ঘূৰি ঘূৰি চায়
দি যায় মোক মাত।।□□



কবিতা

## সপোন নে বাস্তৱ ?

মোঃ জাকিৰ হুছেইন,
স্নাতক, ২য় বৰ্ষ (কলা শাখা)

এন্ধাৰ ৰাতিৰ গভীৰ নিশাৰ
ছায়াময় সপোনত দেখিলো তোমাক,
চক্ খাই উঠিলো এয়া সপোন নে বাস্তৱ;
কিন্তু গভীৰ নিশা বৰ নিষ্ঠুৰ
তুমি ভাল পোৱাৰ বিপৰীতে
পঠিয়ালা এপাত কাড়;
ভেদিলে কুমলীয়া হৃদয়ক
ব'ৱলৈ ধৰিলে তেজৰ টোপাল।
যন্ত্ৰনাত চিঞৰিলো প্ৰিয়তম
সাৰ পাই দেখো এয়া চোন বাস্তৱ।
তেতিয়া নিৰবে বৈছিল তলত চকুলো;
টোপালবোৰ মিলি হৈছিল এটি
হৃদয়েৰে বৈযোৱা কনমানি সুঁতি।
যত নিশাৰ প্ৰাণীৰ দৰে
আজিও তোমাক বিচাৰি ফুৰোঁ। ☐☐



## ঃ আঘাত ঃ

মকিবুল হুছাইন,
স্নাতক, তৃতীয় বৰ্ষ (কলা শাখা)

যিদিনা 'তুমি' মোৰ পৰা
আঁতৰি গ'লা,
সিদিনাৰ পৰা তুমি মোৰ পিয়াহ, আনন্দ,
টোপনি সকলো কাঢ়ি নিলা।
যিদিনা তুমি মোৰ পৰা
আঁতৰি গ'লা,
সিদিনাৰ পৰা যেন পৃথিৱীত
নামি আহিছে এন্ধাৰ।
সেই এন্ধাৰত যেন আহিব
পোহৰ ভাবিব নোৱাৰি।
যিদিনা তুমি মোৰ আছিলা তেতিয়া
মোৰ সকলো কল্পনা সহজ আছিল।
কিন্তু আজি মোৰ সকলো কল্পনা হৈ
পৰিছে হীৰাৰ দৰে কঠিন।
তুমি মোৰ সপোন দিঠকত
ৰূপায়িত কৰিলা,
'তুমি' তুমি, জানো মোক পাহৰি
যাব পাৰিলা ?
যিদিনা তুমি মোৰ পৰা
আঁতৰি গ'লা,
সিদিনাৰ পৰা তুমি মোৰ সকলো
সুখ কাঢ়ি নিলা।
'মাথো' ৰাখি গলা নিজৰাৰ দৰে
বৈ অহা চকুলো,
'কেৱল' কেৱল ভাল পোৱাৰ কি
এয়াই পৰিণতি ? ☐☐





কবিতা

## বন্ধুৰ সন্ধান বিচাৰি।

শহিদুল ইছলাম,
স্নাতক, ৩য় বৰ্ষ।

বহুদিন দৰি বিচাৰি আছো বন্ধুৰ সন্ধান
সুঠাম চেহেৰা মৰম লগা
স্পষ্টবাদী মোৰ বন্ধুজন
প্ৰথম লগ পোৱা দিনটোৰ কথা পাহৰিলেও
মনত আছেতাৰ বহুত কথা
সভাই সমিতিয়ে প্ৰায় একেলগে থকা
এক বছৰৰো অধিক কাল
এতিয়া বাৰু ক'ত ?
এদিনাখন যে' সাক্ষৰ আৰু স্বাক্ষৰৰ
পাৰ্থক্য বিচাৰি সভাখনত খেলিমেলি লাগিছিল
কামৰ মুদ্ৰা দোষ থকা মানুহজন
মুখৰ শব্দত যে উচপ খাই উঠিছিল
সেই বন্ধু মানুহজন
খুব সম্ভৱ তেওঁ এতিয়া কোনো বা ঠাই বিচাৰক
কিন্তু ক'ৰ ?
উলিয়াব পৰা নাই সন্ধান
যেনেদৰে ভুল অংক এটাৰ বাবে
ছাত্ৰকে গালি পাৰাৰ পিছত
মাষ্টৰেও উলিয়াব নোৱাৰে উত্তৰ
ঠিক তেনেদৰে
মই কিন্তু এতিয়াও ঢুলীয়া তিতাবৰীয়া। ☐☐



## দুখখিনি বুকুত সাৱটি লৈ।

ময়নুল হক,
স্নাতক, ৩য় বৰ্ষ (কলা)

চৰাই এজাক উৰি গ'ল
আকাশ বিচাৰি
মেঘৰ মাজত লুকাই জোন
মোৰ হৃদয়ৰ বাহিৰে ভিতৰে
ধুসৰতা আৰু শূণ্যতা
বিষাদৰ নিকৰুণ সুৰ এটাই
আগুৰি থাকে মোক অনাবৰতে
মই ছট্-ফটাই উঠো সংগোপনে
বাহিৰলৈ চকু মেলি চাওঁ
অমাৱস্যাৰ আন্ধাৰ
অথবা পূৰ্ণিমাৰ জোনাক
একোৱেই আকৃষ্ট নকৰে মোক
পৃথিৱীৰ সমস্ত অতৃপ্ত বাসনাৰ
দুখখিনি
বুকুত সাৱটি লৈ
ঢলি পৰো বিছনাত। ☐☐

কবিতা

## তোমাৰ স্মৃতি।

নাজমাতুল ইছলাম
স্নাতক, ২য় বৰ্ষ (কলা)

স্মৃতিৰ সুৰভি বিচাৰি বিচাৰি
ভাগৰি পৰিছো মই
শাৰদীয় নিশা অকলে অকলে
খিৰীকি মুখত ৰৈ
জোনাকৰ সতে থাকো উমলি
তোমাৰ কথাকে কৈ
গোপনে আহিছিলো মোৰ জীৱনলৈ তুমি
এছাটি বা হৈ
নেযাবা আঁতৰি বুকু শূণ্য কৰি
বোৱাই বিষাদৰ নৈ।
গোলাপ জোপাৰ কাইটিয়া তুমি
মই গোলাপৰ পাহি
অহিবা বুলি কথা দি
দিলা মোক ফাঁকি।। ◻◻

## জীৱন

এম, মোজাম্মেল হুছেইন,
স্নাতক, ২য় বৰ্ষ (বিজ্ঞান শাখা)

বালিৰে ঘৰ অতি ফুৰ্তিৰে সাজিব পাৰি;
কিন্তু কোনো উপায়ে তাত থাকিব নোৱাৰি।
মনৰ মৰম কিমান তাক উপভোগ কৰিব পাৰি;
কিন্তু কাৰোবাক কোনো দিন দেখাব নোৱাৰি

মনত সপোন বহু ধৰণে আঁকিব পাৰো;
কিন্তু তাত কোনো ধৰণৰ ৰং দিব নোৱাৰো।
জীৱনত সপোন আমি বহু মিঠাৰে ছাব পাৰি;
কিন্তু ইয়াক বাস্তৱত কেতিয়াও পূৰণ কৰিব নোৱাৰি।

নদীৰ সোঁত কম নে বেছি তাক অনুমান কৰিব পাৰি;
কিন্তু নদী এখন কিমান 'দ' তাক কব নোৱাৰি।
বয়স কিদৰে পাৰ হয় তাক সময়েৰে জুখিব পাৰি;
কিন্তু জীৱনটো এটা কি বস্তু তাক বুজাব নোৱাৰি।

◻◻







গল্প

# সুগন্ধি আতৰ

ড° এম, এছ, শ্বেইখ
জ্যেষ্ঠ প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ।

চেংচেঙীয়া ৰদৰ পোহৰ বোৰ খিৰিকিৰ আইনাৰ ফাঁকেৰে সৰকি আহি বাৰুকৈয়ে আমনি কৰিছিল। ৰাজ্যিক পৰিবহন নিগমৰ ছুপাৰ ডিলাক্সৰ ভীৰৰ পৰা ঠেলি হেচি নামি আহি ৰাজ্যিক চিটি বাছখনৰ সন্মুখৰ দুৱাৰ মুখৰ খালী আসন খনত বহি স্বস্তিৰ নিঃশ্বাস পেলাইছিল ৰেকিবে। ইমান সহজে বহা আসনখন পাই তেওঁৰ মনটো ফৰকাল যেন লাগিছিল। খিৰিকিৰ ফাঁকেৰে অহা তেজাল পোহৰৰ আভাবোৰে যাতে আমনি কৰিব নোৱাৰে তাৰ বাবে ভিতৰ ফালৰ আসনখনত বহিছিল তেওঁ। আসনখনৰ সুবিধা জনক নহয়। ঠেলা হেচাত কেতিয়াবা ত'ত নোপোৱা অৱস্থা হয়।

ৰেকিবৰ পোনে পোনে থকা বাওঁ ফালৰ আসনখনত বহি থকা পুৰুষ যাত্ৰী জনক মহিলা এজনীয়ে ধমকি দি উঠাই দিয়া কাৰ্যত থতমত খাই ৰেকিবে নিজৰ আসনখনৰ সোঁফালে বাছৰ বডিত লিখা শব্দ কেইটা কেৰাহিকৈ পঢ়ি চালে। শাৰীৰিক ভাৱে অক্ষম ব্যক্তিৰ বাবে সংৰক্ষিত আসনখনত বহিছে তেওঁ। গ্ৰীষ্মকালৰ ডাৱৰীয়া বতৰৰ দৰে তাৰ মনটো সেমেকি গ'ল। কেউপিনে ৰুদ্ধশ্বাসে চকু ফুৰাই ক'তো তেনে ব্যক্তি দেখা নোপোৱাত স্বস্তিৰ নিশ্বাস পেলালে তেওঁ।

বাছ মালিক সন্থা, মিনি চিটি বাছ সন্থা আৰু অটো ৰিক্সা সন্থাই ভাৰা বৃদ্ধি কৰণৰ দাবিত যোৱা দুদিন ধৰি চকা বন্ধ অব্যাহত ৰাখিছে। অৰ্ধ ব্যক্তিগত কৰণৰ দ্বাৰা ধ্বংসৰ গৰাহৰ পৰা কথমপি প্ৰাণৰক্ষা হোৱা ৰাজ্যিক পৰিবহন নিগমৰ কিছু বাছ চলিছিল যদিও ৰাইজৰ আলৈ অথনিৰ সীমাৰ অন্ত নাছিল। নিমিষতে মিনি ছিটি বাছ খন যাত্ৰীৰে ঠাহ খাই গৈছিল। বাদুলি ওলোমা দি যোৱা যাত্ৰীৰ ভীৰত পকেট মাৰৰ উৎসাহ বহুগুণে বৃদ্ধি পাইছিল।

যাত্ৰীৰ ঠেলা হেচা আৰু পুৰুষ আৰু গ্ৰীষ্মৰ উষ্ম উন্মাদনাত নিভাজ কিশোৰী সকল বাৰুকৈয়ে অসহায় বোধ কৰিছিল। চাকৰ মৌ-মাখিৰ দৰে সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত। কওতা কোনো নাই, ধৰোতাও নাই। চহৰৰ দ্ৰুত বৰ্ধিত জনসংখ্যাৰ উপন্যাসিক পৰিক্ৰমাৰ বিশ্লেষণত তন্ময়হৈ থাকোতে বাছখন আৰ্মিয়ে কেতিয়া ঘেৰি ধৰিছিল ৰেকিবে গমেই পোৱা নাছিল।

যুদ্ধত বন্দী সৈনিকৰ দৰে হাত দুখন উপৰলৈ দাঙি ৰেকিবে আন যাত্ৰী সকলৰ লানিত চামিল হৈছিল। মহিলা যাত্ৰী সকলক বাছৰ ভিতৰতেই থাকিব দিছিল। টালিটোপলা, ছিটৰ তল, ইঞ্জিন আদি তন্ন তন্নকৈ বিচাৰি একো নাপাই আৰ্মিয়ে পুৰুষ যাত্ৰী সকলক ধমকি দি কৈছিল- "*আৰে আপলোগ ক্যায়সে পুৰুষ হ্যায়। নাৰী কী কদৰ কৰনা নেহী জানতে হ্যায়। জিছ দেশমে নাৰী কী ইজ্জত নেহী হ্যায়, উস্ দেশ কী উন্নতি ক্যাসে হোগী*"। পুৰুষবোৰক থিয় কৰাই মহিলা সকলক বহিব দি আৰ্মিৰ জোৱান সকল গুচি গৈছিল। দোদুল্যমান পেণ্ডুলামৰ দৰে গৈ থকা পুৰুষ যাত্ৰীবোৰে আখৈ ফুটাদি আৰ্মিক গালি পাৰিছিল।

চহৰৰ মাজ মজিয়াত যাত্ৰীৰ ভীৰ কিছু পাতলিছিল। মহিলা যাত্ৰী সকলৰ বেছি ভাগেই নামি

গৈছিল। খালী আসনত বহি ৰেকিবে ৰুমালেৰে কঁপালৰ ঘাম মচিছিল।

হাতত শাক-পাচলিপূৰ্ণ মোনা, দৈ পূৰ্ণ মাটিৰ পাত্ৰ, প্ৰজ্বলিত চুৰুট আৰু চেমনীয়া লৰা এজনৰ স্নৈতে লংপেণ্ট শ্বাৰ্ট পিন্ধা মানুহ এজন বাছ খনত সোমাই ৰেকি বৰ কাষত লৰাজনক থিয় কৰাই থৈ আৰু সা-সামগ্ৰী সমূহ ছিটৰ তলত থৈ দুৱাৰৰ কাষত থিয়দি আপোনমনে চুৰুট হুপি নিজৰ লৰা আৰু সামগ্ৰীৰ পিনে চোকা দৃষ্টি ৰাখিছিল। নাকত ৰুমাল সোপা দিয়া কাষৰ যাত্ৰীৰ প্ৰবল বাধাত চুৰটটো পেলাই দিবলৈ বাধ্য হৈছিল তেওঁ।

বাছখনৰ সন্মুখেদি কলা মেকুৰি এজনি ৰাস্তা পাৰ হোৱা দেখি সাম্ভাব্য বিপদৰ পৰা ৰক্ষা পাবলৈ ড্ৰাইভাৰে হঠাতেই ব্ৰেক মাৰিছিল। কৰ্কশ চিএৰ এটা মাৰি বাছখনৰ গতি স্তব্ধ হৈছিল। অবাঞ্চিত মন্থৰতাত যাত্ৰী সকলৰ বহুতেই মুখ থেকেচা খাইছিল। কাষতে থিয়হৈ থকা লৰাজন ভাৰসাম্যতা হেৰুৱাই মুখ থেকেচা খাই পৰিব ধৰোতেই শূণ্যতেই থাপ মাৰি ধৰি আসন্ন বিপদৰ পৰা ৰক্ষা কৰিছিল ৰেকিবে। নিজৰ আসন খনৰ এচুকত বহুৱাইলৈ ল'ৰাজনৰ নাম, ধাম, কোন শ্ৰেণীত পঢ়া, ক'লৈ যা'বা আদি সুধি আছিল।

আপোনাক কি বুলি ধন্যবাদ জনাম। আপুনি নহলে ল'ৰাজনৰ অবস্থা সাংঘাতিক ভাবে বেয়া হ'লহেতেন। আমাৰ ঘৰ গাৱঁত। আত্মীয়ৰ ঘৰলৈ যাব ওলাইছো। লৰাজনে লগ নেৰা হ'ল। ৰ'দে -বৰষুণে অৱস্থা বেয়া কৰি পেলাইছে। চহৰত যে ইমান গৰম।

একে উশাহতে কথাবোৰ শেষ কৰি জেপৰ পৰা সুগন্ধি দ্ৰব্য উলিয়াই হঠাতেই ৰেকিবৰ কাপোৰ আৰু হাতত ঘঁহি দি কলে " এয়া মজমুৱা আঁতৰ। বৰ ভাল। গৰমত কাপোৰ কানিবোৰ একেবাৰে গলি গৈছে"।

আচহুৱা ব্যক্তিজনৰ কাণ্ডত ৰেকিব তেনেই অস্বস্তি বোধ কৰিব ধৰিলে। সুগন্ধি দ্ৰব্য ব্যৱহাৰ কৰি বেল বাছ আদিত ডকাইতি কৰা বৰ্ত্তমান যুগত সৰ্ববিদিত নিত্য ঘটিত ঘটনা। পকেট মাৰো হব পাৰে, কিডনেপাৰো হব পাৰে। ৰেকিবে আৰু মনে মনে বহি নেথাকি ভৱিষ্যতে তেনে কাম নকৰিবলৈ মানুহ জনক সোঁৱৰাই দিলে। সুগন্ধিয়ে যে বহুতৰে হাৰ্টৰ অসুবিধা কৰে সেয়া ভালদৰে বুজাই দিয়াত মানুহজন ইতস্ততঃ বোধ কৰি মাথোন কলে "ভাল আতৰ। এয়া ললে দেহ মন পবিত্ৰ হয়"। □□







গল্প

# ৰামধেনুৰ ৰং

ড° ভগীৰথ নাথ,
অধ্যাপক, নৱজ্যোতি কলেজ, কলগাছিয়া।

এন্ধাৰ এতিয়াও আঁতৰা নাই।

এন্ধাৰে গোটেই পৃথিবীখন গিলি আছে। ৰাতি পুৱাবলৈ বেছি সময় নাই। অলপ পিছতেই ন-বোৱাৰীৰ কঁপালৰ সূৰ্য্যদেৱী পৰ আকাশত দেখা দিব। দূৰত চি চি কৈ চৰাইয়ে সিঁহতৰ নিজ নিজ ভাষাৰে ৰাতিপুৱাৰ আগজাননী দিব।

ৰাতি পুৱাল। চৰাইৰ কিচ্ কিচ্ শব্দত ৰুমীৰ টোপনি ভাগি গ'ল। টোপনিৰ অলসতাখিনি আঁতৰাবলৈ তাই বিছনাত বহি এবাৰ এঙামুৰি দি বিছনাৰ পৰা নামি আহিল। ন বজাৰ লগে লগে ক্লাচলৈ যাব লাগিব। বাহী-বনখিনি দৌৰাদৌৰিকৈ কৰি অঁতাব পাৰিলেই ৰক্ষা। নতুনকৈ কলেজলৈ যোৱা কথা গাত তত্ নাই। পাৰিলে ন বজাৰ আগতেই যাবলৈ ইচ্ছা কৰে। ওচৰৰ ঘৰৰে লুমী আৰু হেমলতাৰো এই একেই অৱস্থা। লুমীয়ে গোটেই ৰাতি টোপনি খতি কৰি পঢ়িছে। এইবাৰ তাই বি,এ, ফাইনেল দিব। ইকনমিক্সত মেজৰ আছে। ফাষ্ট পাৰ্টত কম নম্বৰ পোৱা বাবে তাই হেনো দুদিনো ভাত খোৱা নাছিল। এইবাৰ বছৰৰ আৰম্ভণিৰ পৰাই পঢ়া আৰম্ভ কৰিছে।

ৰুমী কলেজৰ ভিতৰতে ধুনীয়া। গহীন গম্ভীৰ বুলি তাইক সকলোৱে জানে। ছোৱালীজনী যেনে ধুনীয়া তেনে গুণী। হেজাৰৰ ভিতৰত তেনে এজনী ছোৱালী ওলায় নে নোলায় সন্দেহ। ঘৰুৱা কাম বনবোৰ কৰি ৰুমি গৈ কলেজত উপস্থিত হ'ল।

কলেজৰ বাৰাণ্ডাখনত ভৰি দিয়েই তাই চাৰিওফালে এবাৰ চালে, কোনো নাই। বোধকৰো গাড়ীৰ বাবেই ল'ৰা-ছোৱালীবোৰে বজাৰৰ মাজ মজিয়াত ফুলদানিৰ নিচিনা থিয় হৈ আছে। মানুহৰ হেঁচাত হয়তো কিছুমানে গাড়ীত উঠিবলৈ যত্ন কৰি আকৌ পিচ হোঁহকি আহিছে। কিছুমানে হয়তো ইমান হুলস্থুল কৰি উঠিবলৈ মন নকৰি পিছৰ বাছ খনলৈ বাট চাইছে। ৰুমীৰ অকলশৰীয়া মনটোৱে কিবা কিবি ভাবিবলৈ ধৰিলে। কলেজলৈ প্ৰথম আহোঁতে দেউতাকে অধ্যক্ষৰ লগত কেনেকৈ পৰিচয় কৰি দিছিল, কলেজত পঢ়িব লাগিলে কেনে নিয়ম নীতিৰ মাজেৰে চলিব লাগে, এই সম্পৰ্কে অধ্যক্ষই কোৱা কথা সমূহ ইত্যাদি। দেউতাকে তাইৰ ভাৰ অধ্যক্ষৰ ওপৰতে দি সেই দিনা নিশ্চিন্ত মনে ঘৰলৈ গৈছিল। প্ৰথম অৱস্থাত অধ্যক্ষয়ো তাইৰ ওপৰত দৃষ্টি ৰাখিছিল। দিন বাগৰি যোৱাৰ লগে লগে পাহৰি গ'ল। কাৰণ কলেজখন বহু পুৰণি। তাইৰ নিচিনা বহুজনী এই কলেজলৈ আহিছে, বহুজনী আহি গৈছে, বহুজনী আহিব।

ৰুমীৰ আন এটা কথা হঠাতে মনত পৰিল। কলেজলৈ অহা বাটতে কোলাত কেঁচুপৰা এটালৈ এগৰাকী দীঘলকৈ ওৰণি লোৱা তিৰোতাই তাইৰ ওচৰত হাত পাতিলে— এটি পইচাৰ বাবে। তাই হেনো দুদিন ধৰি একো খোৱা নাই। বানপানীৰ কবলত পৰি সৰ্বস্ব শেষ হৈ গৈছে। গিৰীয়েকজনো হেনো নদীৰ

গৰাখহনীত পৰি মৰিছে। এতিয়া তাই আনৰ ওচৰত হাত পাতিব লগা হৈছে। দুৰ্ভগীয়া তিৰোতাজনীৰ কথাবোৰ শুনি ৰুমীৰ বৰ দুখ লাগিল। তথাপি কিমান জনক এনেকৈ সহায় কৰিব। শুকান বালিক জানো তিঁয়াব পাৰি! দীঘল হুমুনিয়াহ এটি কাঢ়ি তাই তাৰ পৰা আঁতৰি আহিল। তিৰোতাজনী হাত পাতিয়ে ৰ'ল।

কলেজৰ বাৰাণ্ডাৰ খুঁটা এটাত আঁউজি ৰুমীয়ে হাত পাতি থকা তিৰোতাজনীৰ কথা চিত্ৰপটত আঁকি বহু কথাই ভাবিলে। চকুৰ আগত ভাহি উঠিল তিৰোতাজনীৰ মুখখন আৰু তাই কোৱা কথাবোৰ। এনে বহুতো অভাগিনী আছে খুৱাৰ পিন্ধাব নোৱাৰি- কোলাৰ কেঁচুৱা আনৰ তাত বিক্ৰী কৰিছে। নদীত উটুৱাই দিছে। কিছুমানে মায়া-মোহ সামৰিব নোৱাৰি অনাহাৰে অনিদ্ৰাই নিজৰ বুকুৰ উমেৰে জীয়াই ৰাখিবলৈ চেষ্টা কৰিছে। ভোকৰ যন্ত্ৰণাত চটফটাই বুকুতে মৃত্যু বৰণ কৰিছে। সিহঁতৰ বাবে জগতখন আন্ধাৰ। পোহৰৰ লেখ মাত্ৰও নেদেখি বাট খেপিয়াই খেপিয়াই উৱাদিহ নাপাই মৃত্যুকেই শ্ৰেয় বুলি আত্মহত্যা কৰিছে।

২-৩০ বজাত ৰুমী ক্লাচ ৰুমৰ পৰা ওলাই আহিল। বেলি লহিয়াইছে। সূৰ্য্যৰ হেঙুলীয়া পোহৰত তাইৰ গাল দুখন ৰঙা পৰিছে, যেন সূৰ্য্যটো তাইৰ গালত স্থিতি লৈছে। চিৰিয়েদি নামি তাই জিৰণি কোঠালৈ মুখখন ঘূৰাওঁতেই হঠাতে বিপৰীত পিনৰ পৰা অহা প্ৰফেচাৰ গগৈৰ গাতে তাইৰ খুন্দা লাগিল। নিজৰ অসাৱধানতাত ৰুমী লজ্জিত হৈ পৰিল। অলপ দূৰত শুনিলে কমনৰুমৰ সন্মুখত গা- ঘেলাই থকা ছোৱালী কেইজনীমানৰ এটি অস্ফুট হাঁহি। কোনো মতে তাই কলে--- 'চৰি চাৰ'।

'ড'ণ্ট মাইণ্ড'-- গগৈ গুচি গ'ল। গগৈ মানুহজন সঁচাকৈয়ে বৰ গহীন গম্ভীৰ। ব্যৱহাৰ অমায়িক। লাগতিয়াল কথাৰ বাহিৰে বেছি কথা নকয়। সেইবাবেই গগৈয়ে কলেজৰ সকলো ল'ৰা-ছোৱালীৰ পৰা শ্ৰদ্ধা-ভক্তি আদায় কৰিব পাৰিছে। ক্লাচত প্ৰথম সাক্ষাততে ৰুমীৰ গগৈলৈ শ্ৰদ্ধা উপজিছিল। কেতিয়াবাহে গগৈৰ সৈতে কথা পাতিবলৈ সুযোগ পাইছে। গগৈৰ প্ৰতি ৰুমীৰ এটি বেলেগ আকৰ্ষণ থকাৰ দৰে ৰুমীৰ প্ৰতিও যে গগৈৰ এটা বেলেগ মৰম আছে সেই কথা ৰুমীয়ে 'College Week' তে ভালকৈ বুজি পাইছে।

অজান পুলকত ৰুমীৰ মন আলোকিত হয়। গগৈক দেখিলে তাই হৃদয়ত কঁপনি অনুভৱ কৰে। নেদেখাৰ ভাওলৈ যাবলৈ চেষ্টা কৰে। ৰুমীৰ খুব ভয় লাগে জানোচা তাইৰ বাবে কেতিয়াবা গগৈ চাৰ অপমানিত হ'ব লাগে। কলেজৰ ল'ৰা-ছোৱালীবোৰৰ টো মুখৰ লেগাম নাই, কেতিয়া কাক কি কয় তাৰো ঠিক নাই।

আজি তাইৰ মনটো বৰ গধুৰ গধুৰ লাগিছে। বহু পুৰণি বেমাৰ এটাই যেন আকৌ উক্ দিছে। ভৰি দুখন অচলহৈ পৰিছে। এখোজ দুখোজতকৈ কলেজৰ ধেনুভিৰীয়া সেউজীয়া দুবৰি বনেৰে দুয়ো কাষ আবৰা ৰাস্তাটোৰেদি ৰুমীয়ে খোজৰ মূৰত খোজ দি আগবাঢ়িছে। পিচ ফালে কোনোবাৰ জোতাৰ খোজৰ শব্দ শুনি ঘূৰি চাই দেখিলে অধ্যাপক গগৈয়ে মুখত অলপ হাঁহিলৈ বেগা বেগিকৈ তাইৰ পিনে আগবাঢ়ি আহিছে।

--- 'ৰুমী শুনাচোন'

--- 'কি কৈছে চাৰ'

--- 'অলপ ৰবা'





--- 'ঘৰলৈ ওলালা নেকি?'

--- 'হয় চাৰ। গাটো সিমান ভাল নহয়'

--- 'তোমাক এটা কাম দিম বুলি ভাবিছিলোঁ'

--- 'কি কাম চাৰ'

--- 'তুমি মোক অলপ সহায় কৰি দিব লাগে, মানে এইয়ে নোটকেইটা দেখিছা এই কেইটা কঁপি কৰি দিব লাগে। তোমাৰো কামত আহিব। পাৰিবাতো?'

--- 'পাৰিম'

--- 'বাৰু আহো তেনেহলে।'

গগৈ কলেজৰ অধ্যাপক নিবাসৰ পিনে খোজ ললে। অজান পুলকত তাইৰ মনটো শিয়ৰি উঠিল। গগৈ লৈ চাই ৰাস্তাতে থিয়হৈ তাই ভাবিলে--- 'গগৈ চাৰৰ লগত যেন আপোন ভাবে বহুদিন কথা পাতিছোঁ। বহুদিনৰ যেন চিনাকি।' মনে মনে ৰুমী আনন্দিত হ'ল। তাইয়ে গগৈৰ নিচিনা মানুহ এজনৰ অনুগ্ৰহ লাভ কৰিব পাৰিছে; তাতেই তাই ধন্য। ভাবি ভাবি আহি থাকোঁতে বাছখন কেতিয়া ওচৰেৰে পাৰহৈ গ'ল কবয়ে নোৱাৰিলে। বাচখন অলপ দূৰপাৰহৈ যোৱাৰ পিছতহে দেখিলে তাইৰ ওচৰেৰে বাছখন গুচি গ'ল।

ৰাতি খাই বই উঠি দিনৰ অলসতাখিনি দূৰ কৰিব বুলি ভাবি ৰুমী বিছনাত পৰিল। নান ভাবৰ জোৱাৰৰ উত্থান-পতনত ৰুমী দিশহাৰা হৈ পৰিল। পুহ মহীয়া ঠাণ্ডাতো তাইৰ গাটো ঘামি উঠিল। বাৰে বাৰে লেপখন পেলাই থয় আকৌ পিচ মুহূৰ্ত্ততে টানি লয়। চকু দুটি মুদিলেই প্ৰফেচাৰ গগৈৰ প্ৰতিমূৰ্ত্তি ভাহি উঠিবলৈ ধৰিলে।

"ৰুমী কলেজত পঢ়া ছোৱালী। ৰূপ-গুণ অতুলনীয়। দৰাৰ অভাৱ ক'ত? হাকিম, উকিল, ডাক্তৰ, ইঞ্জিনীয়াৰ আদি কিমান যে নাহিব তাৰ কি মানে আছে। তাই বি, এ, টো পাছ কৰিলেই হ'ল।" গগৈৰ কথা ভাবি থাকোঁতে দেউতাকৰ কথাবোৰে তাইৰ চিন্তাত আউল লগালে। ক'ব নোৱাৰাকৈয়ে ৰুমীৰ চকুৰে দুধাৰি তপত চকুলো ওলাই আহি নিপোটল গাল দুখন তিয়াই পেলালে। কিমান সময় যে এনেকৈ ভাৱৰ মায়া জালত বন্দীহৈ আছিল ৰুমীয়ে ক'ব পৰা নাছিল। তাইৰ মনত পৰিল পুৰণি দিনৰ পুৰণি কথা।

পোন্ধৰ বছৰ বয়সৰ পৰাই ৰুমীয়ে ভাল গান গাইছিল। ত্ৰিদিব নামৰ ল'ৰা এজনে তাইক মাজে সময়ে গান শিকাই আসোঁৱাহবোৰ মাৰি দিছিল। তেতিয়াৰ পৰাই তাই মনে মনে ভাল পাই পেলাইছিল ত্ৰিদিবক। ত্ৰিদিৱে কিন্তু ইমান দূৰ ভাবিব পৰা নাছিল। কাৰণ ত্ৰিদিব দুখীয়া ঘৰৰ ল'ৰা। প্ৰতি খোজতে তাৰ ভয়। কিজানি কৰবাত কিবা ভুলহৈ যায়। কেঁচা যৌৱনৰ কেঁচা তেজে জানো বাধা বিঘিনি মানে? এজনে আনজনৰ সান্নিধ্য পাবলৈ বিচাৰিলে। ভাল পোৱাৰ নদীত দুয়ো দুয়োকে উটাই দিলে। মানুহে পাঙে ভগবানে ভাঙে। মাক- দেউতাকৰ চোকা দৃষ্টিত সিহঁতৰ ভাল পোৱা নদীৰ সোঁত বন্ধহৈ গ'ল।

প্ৰথম অৱস্থাত তাই নিৰাশ হৈছিল যদিও কিছু দিন পিছত অতীতৰ কথা অতীত হৈ গ'ল বুলি স্বাভাৱিক অৱস্থালৈ আহিল। সুদূৰ পাঁচ বছৰৰ পিছত আকৌ প্ৰফেচাৰ গগৈ চাৰ। 'পঢ়া-শুনাৰ বাহিৰেও ঘৰুৱা কাম বনবোৰেই শেষ নহয়। তেনেস্থলত আকৌ এইবোৰ নতুন কাম। কলেজত মোৰ বাহিৰেতো আন আন বহুতো ছোৱালী আছে।' এনেবোৰ কথা চিন্তা কৰি তাই নিজে লজ্জিত হ'ল। তাইতো চাৰৰ কথা পেলাব নোৱাৰে। সেয়েহে তাই 'পাৰিম' বুলি কলে।

ৰুমীয়ে ক্লাচটো শেষ কৰি কমন ৰুমৰ পিনে

খোজ ললে। লগৰ দুই তিনিজনী ছোৱালীৰ লগত ইটো সিটো কথা পাতিলে। এটা পিৰিয়ড অফ্ থকা বাবে তাই কমন ৰুমৰ খিড়িকি এখনৰ ওচৰত বহিলে। কেইজনমান ল'ৰাই বাৰাণ্ডাত টহল দি আছে। ল'ৰাবোৰৰ শিক্ষাৰ প্ৰতি ধাউতি কমি গ'ল নেকি? নে তেওঁলোকে নিজৰ কৰ্ত্তব্য পাহৰি গ'ল। অৱশ্যে শিক্ষা গ্ৰহন কৰি বেচেৰাহঁতে নো কি কৰিব। এটা চাকৰিৰ কাৰণেও দেখোন টকা-পইচাৰ কথা আহে। এনেতে তাইৰ চিন্তাত আউল লগালে ক্লাচলৈ যোৱা অধ্যাপক গগৈয়ে। গগৈ চাৰৰ নীলাভ চকু যুৰিত আছে সাগৰৰ ঢৌ। এই ঢৌয়ে যেন তাইক লৈ যায় অজান দেশলৈ। কলেজত যৌৱন-উতলা চঞ্চলা বহুজনী ছোৱালী আছে। আছে ৰূপ আছে আবেগ ভৰা আকুলতা। পখিলাৰ দৰে নাচি ফুৰিছে। মাজে সময়ে গগৈৰ লগত তাই দুই এদিন কথা পাতোতে বহুতো ছোৱালীয়ে ঈৰ্ষাৰ চকুৰেও চাইছে। বহুতে নানা ধৰণৰ মন্তব্যও আগবঢ়াইছে। ডাঙৰ ডাঙৰ সমালোচকৰ দৰে সিহঁতে সমালোচনাও কৰিছে। দুই এজনীয়ে জ্বলি পুৰিয়েই মৰিছে। কিন্তু ৰুমীৰ নম্ৰতা আৰু সৰলতা দেখি কোনেও মুখ খুলি তাইক একো ক'ব পৰা নাই।

ৰুমীয়ে মাজে সময়ে ভাবে--- 'মইনো গগৈ চাৰৰ কথা কিয় ইমান দকৈ ভাবো। ত্ৰিদিবক ভাল পাইছিলোঁ যদিও কেতিয়াওতো ইমান ভাবিব লগা হোৱা নাছিল।' চিন্তাৰ জালত বন্দীহৈ থাকোঁতে সময়বোৰ কেনি পাৰহৈ গ'ল তাই গমকে নাপালে। চাহ একাপ খাম বুলি ৰুমীয়ে কেন্টিনলৈ গ'ল। চাহ কাপত মুখ দিওতেই তাইৰ চকু গ'ল কলেজৰ পিনে। টিনৰ ঘৰবোৰৰ ওপৰত সূৰ্য্যৰ হেঙুলীয়া ৰ'দ পৰি চিকমিকাই আছে। ঘৰবোৰ যেন একোটা ৰূপৰ পাহাৰহে।

প্ৰফেচাৰ গগৈয়ে ক্লাচ শেষ কৰি প্ৰফেচাৰ আবাসলৈ খোজ ললে। অলপ আগুৱাই গৈয়ে ৰুমীক চাহ খাই থকা দেখি তেওঁ খোজৰ গতিবেগ কমাই দি এটি মিচিকিয়া হাঁহি মৰিলে। ৰুমীয়ে গগৈক দেখি মাতিব নে আগবাঢ়ি যাব ভাবি থাকোঁতে গগৈয়ে আগধৰি মাতিলে। আহা ৰুমী! চাৰি দিয়া পুতলাৰ নিচিনা তাই আগবাঢ়ি আহিল। পঢ়া-শুনা কেনে চলিছে? ভালকৈ পঢ়িবা। দিনৰ পাঠ দিনে পঢ়ি যাবা। এইবোৰ প্ৰশ্নত ৰুমীৰ পেটে পেটে খং উঠিলেও প্ৰকাশ নকৰাকৈ সংযত ভাবে শুনি গ'ল। কলেজৰ সন্মুখৰ ৰাস্তাটোৰে দুয়ো আগবাঢ়িল। ল'ৰা-ছোৱালী বোৰে চাইছিল যদিও ৰুমীয়ে নোচোৱা ভাও ললে।-- 'মই এটা কথা কবৰ বাবেই তোমাক মাতিছোঁ। ৰুমীৰ গাটো জিকাৰ খাই উঠিল। তোমাৰ খং উঠা নাইতো?'

--- 'নাই উঠা চাৰ!'

--- 'মোৰ কথাটো শুনিবা?'

--- 'শুনিম চাৰ'

--- 'খং নকৰাতো?'

--- 'চাৰ!!'

গগৈয়ে কৈ গ'ল--- "তোমাৰ নাম ৰুমী! তোমাৰ নামটোৱে মোক অতীত স্মৃতি জগাই তোলে। মোৰো এজনী তোমাৰ দৰে ভনী আছিল। তাইৰ নাম আছিল ৰুণু। বৰ আদৰৰ, বৰ মৰমৰ একমাত্ৰ ভনী। আমি তিনিজন ভাই-ককাইয়ে তাইক বুকুৰ উমেৰে ডাঙৰ দীঘল কৰিছিলোঁ। আমাৰ কিমান আশা আছিল তাইক কোনো এজন শিক্ষিত ল'ৰাৰ লগত বিয়া দিম। এখন সংসাৰ দেখা পাম। প্ৰথম বিভাগত স্কুলৰ শেষ পৰীক্ষা পাছ কৰাৰ পিছত মোমাইদেউহঁতৰ ঘৰলৈ গ'ল। ককাদেউতা আৰু





আইতাই হেনো মৰাৰ আগতে নাতিনীয়েকৰ মুখখন এবাৰ চাই লয়। দুটা ৰাতি কটাই তাই ঘৰলৈ ফিৰি আহিল ককাদেউতা আৰু আইতাৰ আশীৰ্বাদ লৈ। কিন্তু চাৰিদিন পিছত সামান্য জ্বৰত তাই আমাক সকলোকে কন্দুৱাই চিৰদিনৰ বাবে গুচি গ'ল। যিজনী ভনীক মা-দেউতাৰ অভাৱ অনুভৱ কৰিব দিয়া নাছিলোঁ। তাই আমাৰ বুকু উদং কৰি গুচি গ'ল। বুজিছা ৰুমী, তোমাক প্ৰথম দেখা দিনৰে পৰা মোৰ মনত পৰিছে ৰুণুলৈ। তোমাৰ চেহেৰাই তাইলৈ বাৰে বাৰে মনত পেলাই দিয়ে। তোমাক ইমানবোৰ কথা কম বুলিয়েই মই তোমাৰ ওচৰলৈ নিজে আগবাঢ়ি আহিছোঁ। তুমি মোৰ ভনী ৰুণুহৈ থাকিব পাৰিবা?' একে উশাহতে কথাবোৰ শেষ কৰি গগৈয়ে দীঘলকৈ এটি হুমুনিয়াহ কাঢ়িলে। নাকৰ উষ্ম বতাহ ৰুমীৰ গাত লাগিল।

ৰুমীৰ চকুৰেদি দুধাৰি চকুলো বাগৰি আহিল। আনন্দৰ নে বিষাদৰ ৰুমীয়ে গমকে নাপালে। তললৈ মুখ কৰি চাদৰৰ আঁচলটোকে দাঁতেৰে কামুৰি ধৰিলে। কিছু সময় মৌন হৈ থাকি তাই থোকাথুকি মাতেৰে মাত্ৰ কলে--- 'পাৰিম চাৰ'।

ধন্যবাদ জনাই উৎফুল্লিত মনে প্ৰফেচাৰ গগৈ আঁতৰি গ'ল। তেতিয়া অস্তগামী ৰঙা সূৰ্য্যৰ পোহৰ আহি তাইৰ মুখখন ৰঙা কৰি তুলিলে। বতাহত তাইৰ চুলিবোৰ লাহে লাহে কঁপি উঠিল। □□



গল্প

# !! সুমিত্ৰা বাই !!

**ঘনশ্যাম ভৰালী**, জ্যেষ্ঠ প্ৰবক্তা।

ৰাতিপুৱা ঠিক ৫-৩০ বাজিছে। হঠাৎ ম'বাইলটো বাজিল। এনেতে পদূলিমুখত মাৰুতি ভ্যান এখন ৰইছেহি। মানে কইনা আহি পালে। ৰাতিপুৱা বেলিটো খেজুৰ জোপাৰ ফাকেৰে ভূমুকি মাৰিছে। বেলিৰ ৰঙচুৱা পোহৰ চাৰিওফালে বিৰিঙি উঠিছে। পদূলিমুখৰ পুখুৰীটোত শুভ্ৰ ৰাজহাঁহ দুটা নামিছে। দৰাঘৰত উখল-মাখল, কইনাক আদৰিব লাগে। কইনাৰ লগত ভনীয়েক, সৰু ভায়েককে ধৰি মুঠ ছয়জন আহিছে। তেওঁলোকক আপ্যায়নৰ ব্যৱস্থা কৰিব লাগে। সকলোৰে ভাগৰ লাগিছে। যোৱাকালি বিয়াত গোটেই দিনটো কষ্ট হৈছে। তাতে আকৌ নিশা দৰাৰ লগত টোপনি ক্ষতি। চাৰিওফালে গহীন পৰিবেশ। দুই-এটা কুকুৰে চুৱা পাতনিত খোৱা বস্তু বিচাৰিছে; মাজে মাজে পেলাই দিয়া দৈ, চিৰা, ভাত আঞ্জা আদিৰ বেয়া গোন্দ ভাহি আহিছে .....।

যোৱাকলি ৪ মাঘ, বুধবাৰে চিন্ময় চৌধুৰীৰ বিয়া গৈছে। মহেন্দ্ৰ মৌজাদাৰৰ কনিষ্ঠ ল'ৰা। স্থানীয় হাইস্কুলৰ শিক্ষক। ৰমেন চৌধুৰী ডাঙৰ ল'ৰা। এওঁৱে বাপেকৰ মৌজাৰ দায়িত্ব ভাৰ বহন কৰিছে। দ্বিতীয় সন্তান হৰেণ, বঙাইগাওঁ কলেজৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা। নিকীতা সৰু ছোৱালী। বিয়া দিছে। থাকে ৰঙিয়াত। সুমিত্ৰা ডাঙৰ ছোৱালী। তাই চুবুৰীটোৰ সকলোৰে বাইদেউ। এটা সময়ত ঘৰখনৰ সমস্ত দায়িত্ব তাইৰ ওপৰতে পৰিছিল। সকলো কাম বিনা প্ৰতিবাদে নিয়াৰিকৈ কৰি গৈছিল। ভাত ৰন্ধা, চাহ দিয়া, অতিথিক সোধপোচ কৰা, চাকৰ-বাকৰক নজৰ দিয়া, তাঁতশাল বোৱা আদি সকলো কামতে তাই পাৰ্গত। মুখত অনবৰতে হাঁহি বিৰিঙি থকা, অতি মৰমীয়াল সহানুভূতিশীলা সুমিত্ৰা সৰু বৰ সকলোৰে হৈ পৰিছিল 'সুমিত্ৰা বাই'। গাওঁখনত ঘটি থকা সমস্ত ঘটনা, কাৰ ঘৰত কি হ'ল, কোন আহিল, কোন গ'ল, কাৰ ক'ত বিয়াৰ ঠিক হ'ল- তাইৰ নখদৰ্পনত। তাই যেন এখন বাতৰি কাকতহে। দুটা সন্তানৰ মাতৃ। কিন্তু কণা বিধাতাই তাইক অকালতে বিধবা কৰিলে। সৰু ভায়েকৰ বিয়া। বৰ মৰমৰ সি। চাৰিদিন মান আগতে আহি বিয়া ঘৰত উপস্থিত। বিয়া ঘৰত কেৱল চাৰিওফালে সুমিত্ৰা বাই। সুমিত্ৰাই কোনো এটা বস্তু যতনাই আগবঢ়াই নিদিলে দিওঁতা কোনো নাই। গোটেই দিনটো বিয়াত কষ্ট কৰি মাজ ৰাতি ঢাবি এখন পাৰি লৈ সন্তান দুটিৰে অলপ টোপনী মাৰিছিল যদিও কইনা অহা বুলি গম পাই উঠি আহিল। সকলোৰে চিন্তা কইনাক আদৰিব লাগে। কিন্তু বাহি চোতাল। এটা সময়ত নিকীতাই বৰকাঁহী এখনত চাকি, ধূপ, ঘট-টেকেলী আদিৰে বৌয়েকহঁতক লৈ পদূলিমুখৰ পৰা আদৰি আনি কইনাক ৰভাস্থলত ঢাবি এখনত বহুৱালে। যাবতীয় নীতি, নিয়ম পালনৰ পাছত কইনাক ঘৰৰ ভিতৰলৈ নিলে। তাতো আয়তীসকলে বিভিন্ন নীতি নিয়মৰে কইনাক আদৰিলে। আৰম্ভ হ'ল কইনাক চিনাকী কৰি দিয়াৰ পৰ্ব। লগত অনা বাকচ ভৰ্ত্তি কাপোৰ আৰু অন্যান্য বস্তুৰে বয়স অনুযায়ী কইনাই এফালৰ পৰা চিনাকী হোৱাত লাগিল। হাতত শৰাই এখন লৈ পুৰুষক গামোচা, পেণ্ট-চাৰ্টৰ কাপোৰ, পান-তামোল আৰু মহিলাক চাদৰ-মেখেলা, পান-তামোলৰ লগত শ-টকীয়া নোট এখনৰে সেৱা কৰিছে। মৌজাদাৰে তেওঁৰ খিনিক চিনাকী কৰি দিছে। ডাঙৰ ল'ৰা ৰমেণে তেওঁৰ লগৰখিনিক, হৰেণ আৰু সৰু ভনীয়েক নিকীতাই নিজৰ নিজৰ মানুহখিনিক চিনাকী কৰি দিয়াত ব্যস্ত। কিন্তু সুমিত্ৰাই কইনাৰ লগত অহাখিনিক চাহ-জলপান, পান-তামোল দিয়াত ব্যস্ত। এবাৰ ভৰাঁল ঘৰ, এবাৰ বৰঘৰ, এবাৰ পাকঘৰলৈ, তাঁত বাতি কাঢ়ি আছে। নিকীতাই পাটৰ খম্‌খমীয়া কাপোৰজোৰ পিন্ধি অনবৰতে কইনাৰ লগত মানে নবৌয়েকৰ লগত।

ৰভাঘৰত মণ্ডপৰ ওপৰত ফুলাম কাগজৰে বনোৱা মটুকটোৰ কাগজবোৰ সৰু ল'ৰাবোৰে এৰুৱাই দিছে। ওপৰত আঁৰি দিয়া ফুলৰ মালাবোৰ আন কোনোবা ল'ৰাই জপিয়াই জাপিয়াই ছিঙি পেলাইছে। পদূলিমুখত কাঠৰ ফলিত ৰং দি "শুভ বিবাহ" লিখা গেটখন কোনোবাই নষ্ট কৰিলে নেকি সুমিত্ৰাই তাকো নজৰ দিছে। কিয়নো দস্তুৰ মতে বিয়াৰ তিনিদিনলৈকে এইবোৰ নষ্ট কৰিব নেপায়। এনেতে ভিক্ষাৰী এজন চোতাল পালেহি। খোৱা বস্তু বিচাৰি এবাৰ, দুবাৰ নহয় সি দহবাৰ মান চিঞৰিলে। কিন্তু তাৰ প্ৰতি কাৰো নজৰ নাই। মৌজাদাৰ মহেন্দ্ৰ ডাঙৰ ল'ৰা ৰমেণ, হৰেণহতেও দেখিছে, কিন্তু কাৰো যেন সময় নাই। আটাইৰে দেহা-মন অৱস যেন লাগিছে। তাৰ চিঞৰ শুনিব নোৱাৰি হৰেণে এবাৰ কলে--"যা- যা- গুছি যা। আজি আৰু কি পাবি? যোৱাকালিয়ে বিয়া গ'ল, নাহিলি কিয়? এতিয়া যা বুলিছো নহয় যা।" কিন্তু সুমিত্ৰাই দেখিলে তাক। তাই এখন থালত দৈ, চিৰা, বুন্দিয়া, মিঠাই আনি দিলে। সি পৰমতৃপ্তিৰে খালে। কামৰ মাজতে সুমিত্ৰাই আহি সুধিলে অলপ দিম নেকি? এনেতে মৌজাদাৰে দেখি ঘোপাকৈ চাই গ'ল। পুতেক হৰেণেও তেনেকৈ থালত খাবলৈ দিয়াত ভাল নেপালে। ভিক্ষাৰীজনে তাক খাবলৈ দিয়া মিঠাই দুটা পাত এখনেৰে মেৰাই ললে থকা ল'ৰাটোৰ বাবে। "খাই তৃপ্তি পালে, আই। আপোনাৰ মংগল হওঁক, আল্লাই আপোনাৰ সুখ শান্তি দিয়ক" বুলি আৰ্শীবাদ দি ভিক্ষাৰীজন গুছি গ'ল।

মৌজাদাৰে তাক তেনেকৈ খাবলৈ দিয়াৰ বাবে সুমিত্ৰাক ধমকি দিলে। তাই একো নামাতি ঘৰৰ ভিতৰলৈ গ'ল। তাইৰ অলপ জিৰণী লবলৈ মন গ'ল। কিন্তু তাই যিটো কোঠাতে যায় সিটোতে খালি ঠাই নাই। শেষত ভৰাঁল ঘৰলৈ গ'ল। ভৰাঁল ঘৰ মানে বিয়াৰ বাবে অনা দৈ, চিৰা, পান-তামোল, মিঠাই, চাউল-দাইল, বাচন-বৰ্ত্তন আদি পালে। বস্তু এই ঘৰটোতে ৰখা হয়। ঘৰটোত খালি ঠাই অলপো নাই। এখনে মাত্ৰ দুৱাৰ মুখ। জিৰণী লব বুলিয়ে তাই দুৱাৰখন জপাই দিলে। দৈ, চিৰা, মিঠাইৰ টেঙা টেঙা গোন্দত তাইৰ অসহ্য লাগিল। তথাপিতে তাইৰ বাহিৰলৈ আহিবৰ মন নগ'ল। মনটো বিষাদে আৱৰি ধৰিলে। তাইৰ মনলৈ আহিল জীৱনৰ কথা, তাইৰ স্থিতিৰ কথা। যিমান আশাৰে তাই ভায়েকৰ বিয়ালৈ আহিছিল। গিৰীয়েক ঢুকুৱাৰ পিছৰ পৰা তাইৰ অৱস্থা শোচনীয় হৈ পৰিছে। তাই এতিয়া বাৰী-বিধৱা। তাই অমংগলীয়া, কুলক্ষণীয়া তথাপিতো তাই আহিছে বিয়ালৈ। ল'ৰা দুটাকোও আনিছে নতুন কাপোৰেৰে সজাই পৰাই। অ'ত-ত'ত কাম কৰি পোৱা টকাৰে কইনাক দিবলৈ আনিছে এযোৰ পাটৰ কাপোৰ। বৰ আশাৰে আনিছে কাপোৰ যোৰ, তাই কইনাক দিব।

কিন্তু তাইক যে কোনেও চিনাকী কৰি নিদিলে। এবাৰ কাপোৰজোৰ তাইৰ চাবলৈ মন গ'ল। ওচৰতে থকা বেগটো টানি আনি চেইন ডাল খুলিলে যদিও চাবলৈ সাহস নহ'ল। দুখতে তাইৰ চকুলো বৈ আহিল। এনেতে তাইক কোনোৱাই মাতিলে। প্ৰায় গধূলি হৈছে। চোতালৰ ৰভাৰ লাইটবোৰ জ্বলিছে। তাই আকৌ আগৰ দৰে কামত ব্যস্ত হৈ পৰিল। কাঁহী, লোটা, চকী, মেজ, দা-কুঠাৰ, কাপোৰ-কানি সকলো যতনাই থলে। ৰভাৰ তলত পুথি পঢ়িবলৈ অহা ভকতক চাহ-তামোল যতনাই দিলে।

নিশা প্ৰায় দহ বাজিল। ঠায়ে ঠায়ে সকলো শুই পৰিল। তাইৰো শুবৰ মন গ'ল। তাই ভৰাঁল ঘৰতে অকন মান ঠাই উলিয়াই ঢাৰি এখন পাৰিলে। নিকীতাৰ ভৰি শিতানত বাগৰ দি থকা ল'ৰা দুটাক দাঙি আনিলে। বাগৰ দিলে যদিও তাইৰ টোপনি নাহিল। বাৰে বাৰে তাইৰ মনটো বিষাদেৰে ভৰি পৰিল। আন্ধাৰতে তাই বেগৰ পৰা কাপোৰযোৰ উলিয়ালে। হাতত লৈ অলপ সময় চিন্তা কৰি বাহিৰলৈ ওলাই আহিল। অলপো দেৰি নকৰি তাই পোনে পোনে কইনা থকা কোঠাটোলৈ সোমাই গ'ল। কইনাই শুবৰ বাবে আঠুৱাৰ তলত সোমাইছিল মাথোন। এনেতে মাত দিলে সুমিত্ৰাই- অলপ এইপিনে আহাচোঁন। কইনাই সুমিত্ৰাৰ কাষ পালে। তাই কলে শুবৰ সময়ত দিগ্‌দাৰ দিলো, বেয়া নেপাৱা। ধৰা, লোৱা- এই যোৰ কাপোৰ, তোমাৰ বাবে আনিছিলোঁ। দিনটো কামতে ব্যস্ত আছিলোঁ; তদুপৰি কোনেও মোক চিনাকী কৰিয়ে নিদিলে। ৰাতিপুৱাই যাম। গোটেইখিনি কথা একে উশাহতে কোৱাৰ দৰে কৈ সুমিত্ৰাই কলে। মইতো কাকো চিনি নেপাওঁ। চিনাকী কৰি দিলেহে চিনি পাম। আপোনাক গোটেই দিনটো কামতে ব্যস্ত থকা দেখিছোঁ। বেয়া নেপাব, বাইদেউ।

ৰাতিপুৱাল। ৪-৩০ বজাত মৌজাদাৰে প্ৰাতঃভ্ৰমণ কৰি আহি সুমিত্ৰাক চিঞৰিলে উঠ। ঘৰ-চোতাল ঝাড়ু দিব লাগে। কেবাবাৰ মতাৰ পিছত দুৱাৰখন ঠেলি গৈ দেখে যে সুমিত্ৰা বিচনাত নাই। ল'ৰা দুটাও নাই। ক'লৈ গ'ল, কি হ'ল- এই ৰাতিপুৱাই সকলো চিন্তাত পৰিল। এনেতে কইনাই ওলাই আহি সুমিত্ৰাই কোৱা কথাখিনি বিৱৰি কলে। মৌজাদাৰে কলে, যিয়ে নহওঁক তাই এনেকৈ মাত এষাৰ নিদিয়াকৈ যাব লাগেনে। হৰেণে স্কুটাৰখনেৰে গৈ ষ্টেচন পালে। কিন্তু সুমিত্ৰাক নেপালে। খবৰ কৰি গম পালে যে ট্ৰেইনখন ৰাইট্ টাইমতে ষ্টেচন এৰিছে। হৰেণেও কলে- ছিহ- তাই এনেকৈ গুছি যাব লাগে নে? ঘৰৰ আটাইৰে মুখত মাথোন একেটাই কথা- হলেও তাই এনেকৈ যাব লাগে নে.........।







গল্প

# গাৰ্লফ্ৰেণ্ড — বয়ফ্ৰেণ্ড।

শিৰাজুল ৰহমান
শ্ৰেণী- দ্বাদশ (বিজ্ঞান শাখা)
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

'দেউতা মোৰ এজন বয়ফ্ৰেণ্ড আছে।' চহকী এঘৰৰ এজনী নৱম শ্ৰেণীৰ ছোৱালীয়ে তাইৰ দেউতাকক আৰু জনালে যে, অকল তাইৰে নহয় সিহঁতৰ ক্লাচৰ সব ছোৱালীৰে বয়ফ্ৰেণ্ড আছে। কথাষাৰ শুনি, দেউতাক হেমবৰুৱাই তাহানি আঁচৰিত হৈছিল। মনে মনে তেওঁ ভাৱিছিল, 'বয়ফ্ৰেণ্ড আছে যেতিয়া এতিয়া ডেটিং কৰিলেই হ'ল।' আজি পিছে বাটে-হাটে, বাছে-আস্থানে এই কথাবিলাক শুনি শুনি আমি অভ্যস্থ হৈ পৰিছো। পিছে আচহুৱা সংস্কৃতি বা পৰম্পৰা এটাক আঁকোৱালি লোৱাৰ আদি অৱস্থাটো বিপদজনক কিয়নো ব্যভিচাৰে ইয়াক সহজে আকাশীলতাৰ দৰে ঘেৰি ধৰে। কথাবিলাক তেনেদৰে ভাবিবলৈ বাধ্য কৰাইছে সততে দেখিবলৈ পোৱা কিছুমান কাণ্ড-কাৰখানাই ।

আজি তিনিবছৰমান আগতে মহাবিদ্যালয়ৰ এজনী ছোৱালীয়ে লগৰে এজন ল'ৰাক ৰাখী পিন্ধাই দাদা পাতি ললে। মুক্ত বিচৰণৰ সুবিধাৰ হেতু দুয়ো ভাই-ভনীহৈ পৰিল। ছোৱালীজনীয়ে অবাধে ল'ৰাজনৰ মেচৰ ৰুমলৈ আহিব পৰা হ'ল। নিশালৈ দুয়ো একেলগে ঘূৰিব পৰা হ'ল। পিছে শিক্ষা সাং কৰি ঘৰা-ঘৰি যাবলৈ ওলোৱাতহে ভাই-ভনীৰ আচল ৰূপটো ওলাই পৰিল। ল'ৰাজনে ছোৱালীজনীক ক'লে, 'মই তোমাক এৰি থাকিব নোৱাৰো।' ছোৱালীজনীয়েও ল'ৰাজনৰ লগত সহমত প্ৰকাশ কৰিলে। গতিকেই বিয়া। কিন্তু হিন্দী বলয়ৰ যিকোনো লোকৰ প্ৰেক্ষাপটত এয়া এক অকল্পনীয় দুৰ্ঘটনাৰূপে পৰিগণিত হ'লহেঁতেন। ৰাখী তেওঁলোকৰ হাৰ্দিক বন্ধন, লগতেই আশ্বাস আৰু বিশ্বাসৰ প্ৰতিজ্ঞা। কিন্তু আমাৰ বাবে ই এডাল মূল্যহীন ৰঙচঙীয়া ৰছী।

আকৌ ছোৱালীজনীৰ কথালৈ আহো। কথা হ'ল ছোৱালীজনীয়ে বাৰু 'বয়ফ্ৰেণ্ড' শব্দটোৰে কি বুজাব বিচাৰিছিল। আমাৰ যুৱক-যুৱতীহঁতে যে, বয়ফ্ৰেণ্ড-গাৰ্লফ্ৰেণ্ডৰ কথা কয় তেওঁলোকে বাৰু কি বুজাব খোজে? বয়জ্যেষ্ঠ সকলেই বা কি বুজে?

বয়ফ্ৰেণ্ড, গাৰ্লফ্ৰেণ্ড আৰু ডেটিঙৰ আভিধানিক অৰ্থ এনে ধৰণৰ---

**বয়ফ্ৰেণ্ডঃ---** ছোৱালীৰ সাময়িক ভাৱে প্ৰিয় ল'ৰা।

**গাৰ্লফ্ৰেণ্ডঃ---** এজনী ছোৱালী যাক প্ৰায়েই এজনৰ সঙ্গী হিচাপে দেখা যায়।

ডেটিং ঃ--- বিপৰীত লিংগৰ স'তে পূৰ্ব নিৰ্ধাৰিত সূচীত মিলিত হোৱা (অন্য কথাত ই মুক্ত প্ৰণয় বা প্ৰাক্‌বৈবাহিক সম্পৰ্ক)।

বয়ফ্ৰেণ্ড - গাৰ্লফ্ৰেণ্ড, প্ৰেমিক-প্ৰেমিকাতকৈ বহু অগভীৰ সম্পৰ্কৰ কথা প্ৰকাশ কৰা শব্দ। ই বন্ধুত্ব বা প্ৰেম কোনো এটাৰে ভিতৰুৱা বস্তু নহয়।

প্ৰেম বা প্ৰণয় হৈছে এক উচ্চ আদৰ্শ সম্ভূত নীতি সম্পন্ন অনুভূতি। এই কাৰণেই এজনে আন এজনৰ কাৰণে সমগ্ৰ সত্ত্বা উছৰ্গা কৰিবৰ কাৰণে সক্ষম। এনে আদৰ্শৰ জৰিয়তে ব্যক্তিগত সম্বন্ধ টনকিয়াল হয়। দৰাচলতে প্ৰকৃতিগত ভাৱেই মানুহৰ প্ৰাক যৌৱন কালত (১২-১৫ বছৰ) সমলিংগৰ মাজত বন্ধুত্বৰ মনোভাৱ শক্তিশালী হয় আৰু ৰিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হয়। এই সময়তে নিজৰ দেহৰ প্ৰতি যত্ন বাঢ়ে। ল'ৰাই শৰীৰ চৰ্চাত মনোনিবেশ কৰে, ছোৱালীয়ে বিউটিচিয়ানৰ ওচৰলৈ যাব আৰম্ভ কৰে। প্ৰকৃততে এই সময়খিনিতেই দুই লিংগৰ মাজৰ প্ৰভেদটো স্পষ্ট হৈ ধৰা দিয়ে। বন্ধুমহলৰ পৰা যৌনতা সম্পৰ্কীয় কথা কামৰ খোজ-খবৰ ল'ব ধৰে। ল'ৰা আৰু ছোৱালীৰ মাজত বিপৰীত লিংগৰ মুকলিমূৰীয়া আলোচনা চলে।

প্ৰাক্ যৌৱনৰ বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ আৰু বিশেষকৈ কলেজীয়া মুকলি মূৰীয়া জীৱনে দিয়া পৰিয়াল জীৱনৰ পৰা মুক্তি; এই উৎসুক্য আৰু কিছু

পৰিমাণে ঔদ্ধতাৰ আৱিস্কাৰ গাৰ্লফ্ৰেণ্ড-বয়ফ্ৰেণ্ড। কব পাৰি এয়া যৌৱনৰ এক সংক্ৰামক ৰোগ। এই ৰোগ বিশেষকৈ বন্ধুমহলৰ মাজত এজনৰ পৰা আন এজনলৈ বিয়পে। 'ভাল লগা হৈ যায় মৰম, মৰম হৈ যায় ভালপোৱা।' প্ৰেম-প্ৰণয়ৰ আদৰ্শসম্ভূত আৰু নীতি সম্পন্ন অনুভূতিৰ বিপৰীতে পাশ্চাত্যত ডেকা গাভৰুৱে অনুভৱ কৰিব ধৰিলে, 'প্ৰণয়ৰ মাধ্যম হৈছে দুটি দেহা, এই দেহাই দুটা মনৰ যোৰ পাতে। পিছে বহুতৰ মাজত এজনীক বাচিবলৈ ৰিজনীৰ প্ৰয়োজন। ৰিজনীৰ বাবে সুযোগ সুবিধাৰ প্ৰয়োজন। ৰিজনীৰ জৰিয়তে নিৰ্বাচন পুৰঠ কৰিবলৈ হ'লে কেবাজনীৰো অভিজ্ঞতাৰ প্ৰয়োজন।' পশ্চিমীয়া সমাজত এই কথা ল'ৰাৰ ক্ষেত্ৰত যেনেদৰে সঁচা ছোৱালীৰ ক্ষেত্ৰতো সঁচা হ'ব ধৰিলে। পৰিণতি হিচাপে ১৯২০ চনত ডেকা-গাভৰুৰ বিপ্লৱৰ জৰিয়তে ইউৰোপ আৰু আমেৰিকাত মুক্ত প্ৰণয় ব্যৱস্থাৰ উদ্ভৱ হ'ল। ইংৰাজ কবি স্যেলীয়েও এনে বিপ্লৱ কৰি ছোৱালী পলুৱাই নি স্কটলেণ্ডৰ হোটেল এখনত আশ্ৰয় লৈছিল। পিছে এইজনা কবিয়ে যেতিয়া 'Marriage is a prison' বুলি উল্লেখ কৰে তেতিয়া সেই মুক্ত প্ৰণয়ক ব্যভিচাৰৰ অন্য নাম বুলি নকৈ উপায় নাই।

পশ্চিমীয়া সমাজৰ মুক্ত প্ৰণয়ৰ জৰিয়তে পুৰুষ সঙ্গী বাচি লোৱা প্ৰথাটোৱে নাৰীক স্বতন্তৰীয়া ৰূপত কেতিয়াও তুলি নধৰে। তাত পৰিয়াল জীৱনৰ একাকীকত্বৰ বাবে ল'ৰা-ছোৱালীয়ে নিজৰ সঙ্গী নিজেই নিৰ্ব্বাচন কৰি লব লগা হয়। দৰা বা কইনা নিৰ্বাচন তাত আমাৰ সমাজৰ দৰে পৰিয়াল বা সমাজৰ দায়িত্ব নহয়।

আমাৰ পুৰণি সমাজতো, বিশেষকৈ উচ্চ ঘৰৰ ছোৱালীৰ পুৰুষ সঙ্গী নিৰ্বাচন অধিকাৰ আছিল। স্বয়ম্বৰ তেনেকুৱা এটা অনুষ্ঠান। পিছে আমাৰ সমাজত যি আছিল সংস্কৃত সুসংহত সামাজিক বস্তু।

পশ্চিমীয়া দেশবোৰত প্ৰণয় দেহাৰ আকৰ্ষণত পৰিণত হ'ল। অল্ ডইছ হাক্সলীয়ে টেনিছ আৰু বিলিয়াৰ্ড খেলৰ দৰেই আমেৰিকাৰ যৌনজীৱন স্বতন্ত্ৰ, সহজ আৰু স্পন্দনযুক্ত বুলি 'ফেচনচ ইন লাভ' বোলা ৰচনাত স্পষ্ট ভাৱেই উল্লেখ কৰিছে। কাজেই আমেৰিকাৰ শতকৰা পঞ্চাশজনী ছোৱালী বিবাহৰ পূৰ্বেই যৌন অভিজ্ঞতা লাভ কৰে। ল'ৰাৰ ক্ষেত্ৰত এই হাৰ আৰু বেছি।

পশ্চিমীয়া মহিলাৰ বাবেও এতিয়া পিছে মুক্ত প্ৰণয়ৰ চেপা অসহনীয়হৈ উঠিব ধৰিছে।

অলপতে গিনেথ পেলাটো নামৰ মোহময়ী অভিনেত্ৰী গৰাকীয়ে ব্ৰিটিছ পুৰুষ সকলৰ ডেটিঙৰ অভ্যাস সন্দৰ্ভত কৰা বিৰূপ মন্তব্যই তাকেই প্ৰতিপন্ন কৰে।

নাৰীমুক্তিৰ ভ্ৰান্তিৰেই আমাৰ সমাজতো সম্ভৱতঃ এইমুক্ত প্ৰণয় বাৱস্থা ই আহি ভূমুকি মাৰিলে। ইয়াৰ বাবে বিশ্বায়ন আৰু কেৱল টিভিৰ অৱিহনাক সকলোৱে ধন্যবাদ জনোৱা উচিত। আজি আমি বয়ফ্ৰেণ্ড, গাৰ্লফ্ৰেণ্ড বা ডেটিঙৰ বিষয়ে বিনা দ্বিধাই সহজভাৱেই আলোচনা কৰিব পৰা হ'লো। সেয়ে হয়তো, এজনী ছোৱালীক মাকে ককৰ্থনা কৰাত ছোৱালীজনীয়ে ওলোটাই ফেপেৰি পাতি ধৰিলে, অ' বয়ফ্ৰেণ্ডৰ লগত ৰেষ্টুৰেণ্টলৈ গৈছিলো-- তাতে কি হ'ল?'

বৰ্ত্তমান আমাৰ সমাজ জীৱনত ডেটিঙৰ প্ৰয়োজনৰ আন এটা কাৰণ হ'ব পাৰে কৰ্ম সংস্থাপনৰ অভাৱ। আমাৰ সমাজত এচল উদঙীয়া ডেকাৰ আলোচনাত এজনে আন এজনক উপ দেশ দিয়ে, 'বিয়া কৰিব নালাগে বুজিছ, বিয়া নকৰাবি। বিয়া কৰালেতো ল'ৰা-ছোৱালী হ'বই। গতিকে ডেটিং।'

উপসংহাৰ ঃ প্ৰেম প্ৰণয়ত কিছু ধনাত্মক দিশো নথকা নহয়। অকল ঋনাত্মক দিশবোৰে খুচুৰি থকাটো সকলো সময়তে শুভ বুদ্ধিৰ পৰিচায়ক নহয়। বয়সৰ কাম বয়সত কৰাটোৱে স্বাভাৱিক। বৰং ইয়াৰ ব্যতিক্ৰমটোহে ৰোগৰ লক্ষণ।

পিছে এনে এখন কলেজৰ কল্পনা কৰকচোন য'ত ল'ৰাই ছোৱালী জোকোৱা নাই। ছোৱালীয়ে ল'ৰাবোৰক মিচিকিয়া হাঁহি মৰা নাই! ছোৱালীৰ আচলৰ কোবত ল'ৰাৰ হৃদয় চুৰমাৰ হোৱা নাই! য'ত যৌৱনে ফাকুগুৰি খেলা নাই! নালাগে থাকক! সকলো থাকক! মাথো ইয়ে যাতে সমাজৰ বাবে প্ৰত্যাহ্বান হৈ নুঠে। □□





গল্প

# স্বপ্ন ভংগ।

জাহিদুল ইছলাম (আশ্বিক)
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)

ছেলিনাই কলেজৰ পৰা আহি মূখ-হাত ধুয়েই কম্পিউটাৰৰ পাৱাৰ অন্ কৰি দিলে। আজি কেইদিনমান ধৰি তাইৰ মনটো বৰ ভাল নহয়। নানা চিন্তাই জুমুৰি দি ধৰিছে তাইক। চিন্তা কৰি কৰি পাৰ নোপোৱা হৈছে। তাই কি কৰিব এতিয়া? মুকুলৰ কথাটোৱেই যদি সঁচা হয়? সি যদি প্ৰতিজ্ঞা কৰামতেই কাম কৰে? তাই বুকুৰ মাজত এক নাম নজনা বিষ অনুভৱ কৰিলে। কিতাপৰ ভাঁজৰ পৰা হাচানৰ ছবিখন উলিয়াই আনিলে। স্থিৰ নেত্ৰে এপলক চাই থাকি আলফুলকৈ চুমা এটা খালে। অশান্তিৰ মাজতো যেন অকণমান শান্তিৰ ৰেঙণি দেখাপালে তাই। অজাণিতেই তাইৰ দু-ওঁঠৰ ফাকেৰে বাগৰি গ'ল এক সাফল্যৰ হাঁহি। তাইৰ ভাল লাগিল। ছবিখন স্কেনাৰৰ প্লেটেন গ্লাছত থৈ লাহেকৈ ডকুমেণ্ট কভাৰখন ঢাকি দি ক্লিক কৰিলে-স্কেন। চকুদুটা মুদি দিলে তাই। বহুতো কথাই ভুমুকি মাৰিলে মনৰ পৰ্দাত।

কলেজত প্ৰথম দিন। সিদিনা তাই কমলা ৰঙৰ চুৰিদাৰ পিন্ধি কলেজলৈ গৈছিল। জিৰজিৰকৈ মলয়া বৈছিল। নিঃসংকোচে ফেৰ্ ফেৰ্ কৈ উৰি আছিল তাইৰ নীলা বৰণৰ ওৰণিখন। সাজযোৰেৰে তাইক অপূৰ্ব দেখাইছিল। সময়ত কলেজ চৌহদত ভৰিদিছিল তাই। ইফালে ৰেগিঙৰ ভয়, আৰু আনফালে কলেজত প্ৰথম পৰ্দাপনৰ মাদকতা। দুয়োটাৰ সংমিশ্ৰণত এক নতুন অনুভূতি জাগ্ৰত হৈছিল। গভীৰ উৎকণ্ঠাৰে বাট চাই আছিল শ্ৰেণীত শিক্ষক অহালৈ। "শুনা চোন ভণ্টী।" ছিনিয়ৰ ছোৱালী এজনীৰ মাতত সম্বিৎ ঘূৰাই পাইছিল তাই। "মইনে বাইদেউ?" 'ওঁ' তাইৰ ভয় লাগিছিল। বুকুখন টিপ্ টিপাইছিল। কেইজনমান ল'ৰা-ছোৱালী থকা কোঠালি এখনলৈ লৈ যোৱা হৈছিল তাইক। "শুদ্ধ অসমীয়াত তোমাৰ ঠিকনাটো দিয়াচোন" এজন ল'ৰাই কৈছিল। তাই কঁপিছিল। বাঢ়ি গৈছিল হৃদস্পন্দন। ভয়ে ভয়ে উত্তৰ দিছিল তাই, "নামঃ ছেলিনা আকতাৰ, মাৰফৎঃ ছিদ্দিকুৰ ৰহমান, গাওঁ+পোঃ অঃ ..........।" আটায়ে গিৰ্জনী মাৰি হাঁহিবলৈ লৈছিল। চাই ৰঙাছিঙা পৰি গৈছিল। কৈছিল, "ছৰি, 'ডাকঘৰ' কলগাছিয়া।" "অংকত কিমান পাইছিলা, মেট্ৰিকত?" আন এজনে সুধিছিল। "এইটটি চেভেন।" "ছেক্সি মানে কি?" তাই তলমূৰ কৰিছিল। "নোৱাৰিবা?" "ওৱান বাই কচ্ চি।" তাই উত্তৰ দিছিল। "মই তোমাক বেয়া পাওঁ। বিপৰীত কি হ'ব?" হাচান নামৰ ল'ৰাজনে সুধিছিল। তাই থেৰোগেৰো কৰিছিল। "কোৱা আকৌ।"

"মই তোমাক ভাল পাওঁ।" লাহেকৈ কৈছিল তাই। কোঠাটোত হাঁহিৰ ৰোল উঠিছিল। ৱাল আৰু চিলিঙত খুন্দা খাই বাৰে বাৰে প্ৰতিধ্বনিত হৈছিল হাঁহিবোৰ। গীত এটা গাবলৈ দিয়া হৈছিল। প্ৰথমাৱস্থাত 'না' কৰিছিল যদিও পিছমূহুৰ্তত বাধ্যহৈ পৰিছিল। যাবলৈ দিয়া হৈছিল তাইক। 'উহঃ ৰক্ষা প্ৰভূ'- তাই স্বস্তিৰ নিশ্বাস এৰিছিল।

হাচানে প্ৰায়ে মাত লগাইছিল, 'ভণ্টি, তোমাৰ নামটো জানো কি কৈছিলা? পাহৰিলো।' মনে মনে তাইৰ খং উঠিছিল। একেটা কথাকে সদায় সদায় সুধি থাকিব লাগেনে? মনত যদি নাথাকেই তেন্তে সুধি কি লাভ? আৰু সুধিবই বা লাগে কিয়? কিন্তু মনৰ কথা মনতে মাৰ নিয়াই নম্ৰভাৱে উত্তৰ দিছিল-ছেলিনা আকতাৰ। অৱশ্যে পিছলৈ হাচানে কিবা সুধিলে তাইৰ খং নুঠাহৈছিল। কিবা অজান কাৰণত তাক তাইৰ ভাল

লাগিছিল। সময়ত সিহঁত দুটাৰ মাজত ভাল বন্ধুত্ব গঢ়ি উঠিছিল। বাঢ়ি গৈছিল হলিগলি। কেতিয়াবা কেণ্টিনত, কেতিয়াবা কৃষ্ণচূড়া জোপাৰ তলত আনকি চিনেমা হলতো প্ৰায়ে দেখা গৈছিল সিহঁত দুটাক। কতযে সময় পাৰ কৰিদিছিল নানা ধৰণৰ গল্পৰ মাজেৰে এদিন লগ নাপালেই সিহঁতৰ উৰুঙা উৰুঙা লাগিছিল। নিজকে অসম্পূৰ্ণ যেন অনুভৱ হৈছিল। এনেদৰেই সময়ৰ সোঁতত সিহঁতৰ বন্ধুত্ব পৰ্য্যবসিত হৈছিল প্ৰেমলৈ। প্ৰেমে শিপাইছিল ক্ৰমে গভীৰৰ পৰা গভীৰতৰলৈ। এনেদৰেই সময়বোৰ বাগৰিছিল। সিহঁতৰ সম্পৰ্কই সম্পূৰ্ণ এটা বছৰ অতিক্ৰমি ভৰি দিছিল দ্বিতীয় বৰ্ষত।

এদিনাখনৰ কথা। ছেলিনাই গেট পাৰহৈ কেইখোজমান গৈছিলহে মাথোন। এনেতে পিছফালৰ পৰা মুকুলে মাতিছিল। মুকুল টি,ডি,ছি, দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। হাচানৰ সহপাঠি। কলেজৰ 'উদণ্ড ছাত্ৰ সন্থা'ৰ প্ৰেচিডেণ্ট। গুৰু গোসাই নমনা বিধৰ ছাত্ৰ। 'কোৱালিফাইড' উদণ্ডবোৰ তাৰ সদস্য। ছোৱালী জোকাই, গালিখাই ভালপোৱাটো তাৰ পূৰণা ৰীতি। তাই উভতি চাইছিল। বিনা সংকোচে সি কৈছিল, "আই লাভ ইউ।" "ইডিয়ট"- তাই খৰখেদাকৈ আঁতৰি গৈছিল।

"ভালপোৱা" নামৰ সাপটোৱে মুকুলৰ মগজুত বেয়াকৈ দংশন কৰিছিল। ছেলিনাৰ ভূৱন ভোলোৱা ৰূপত সি বলিয়া হৈ গৈছিল। সি জোকে লগাদি তাইৰ পিছত লাগিছিল। য'তে ত'তেই মাত লগাইছিল ছেলিনাক। তাই তাক ভাল পোৱা বুলি যাৰে তাৰে আগত জহাই ফুৰিছিল। এইবোৰ শুনি খঙত তাই অগ্নিশৰ্মা হৈছিল। ইমানতো সি তাইৰ পিছ এৰানাছিল। সিদিনা লগৰ দুটামানৰ সৈতে ছেলিনাই কেণ্টিনৰ ওলাইছিল। এনেতে মুকুল ওলাইছিল। "আৰে তুমি" সি মাত লগাইছিল--- "ভিতৰলৈ ব'লা।" খঙে তাইৰ চুলিৰ আগ পাইছিলগৈ। কৈছিল, "এইবোৰ কি অসভ্যালি?" "অসভ্যালি?" সি আঁচৰিত হৈছিল-- তোমাক ভাল পাওঁ বুলিহে কৈছোঁ। সি তাইৰ হাত এখন থাপ মাৰি ধৰিছিল। প্ৰচণ্ড যোৰেৰে তাৰ গালত চৰ এটা বহুৱাই দিছিল তাই। খঙে, অপমাণে তাৰ চকু দুটা টিকটিকীয়া ৰঙা পৰি গৈছিল। হিংস্ৰ পশুৰ দৰে গৰ্জি উঠিছিল সি-- "তুমি বুলিহে এৰিছোঁ। নহ'লে আজি ........................ । মনত ৰাখিবা, যেনতেন প্ৰকাৰেই মই তোমাক নিজৰ কৰি লমেই। আৰু শুনা, হাচানক ভাল পোৱা নহয়? তোমাক পাবলৈ মই যিকোনো কামেই কৰিব পাৰোঁ। প্ৰয়োজনত হাচানক চিৰ বিদায় দিবলৈকো মই কুণ্ঠাবোধ নকৰো।" এক বিকট ভংগিমাৰে সি আঁতৰি গৈছিল।

ছেলিনাৰ অন্তৰাত্মা কঁপি উঠিছিল। সি কি সঁচাকৈয়ে প্ৰতিজ্ঞা কৰিছে? মুকুলক তাই ভাল পাব নোৱাৰে। হাচানকো পাহৰিব নোৱাৰে। কি কৰা যায় এতিয়া? কথাবোৰ হাচানক জনাইছিল। সি তাইক সাহস গোটাইছিল-- "ভালপোৱা মানে আমৰণ এক ৰক্ত ৰনাংগন। তুমি চিন্তা নকৰিবা। সি মোক একো কৰিব নোৱাৰে।" মোৰ বৰ ভয় লাগে। তোমাৰ কিবা হৈ গ'লে মই জীয়াই থাকিব নোৱাৰিম।" তাই ফেকুৰি উঠিল।

পশ্চিম আকাশৰ বুকুত ৰাঙলী বেলিটো হেৰাই গৈছিল। মোবাইলটো বাজি উঠিল। তাইৰ চিন্তাত যঁতি পৰিল। ইতিমধ্যে স্কেনিং শেষ হৈছিল। নম্বৰটো চালে। বান্ধৱী ৰেখাই ফোন কৰিছে। 'হেল্লো।' তাই ৰিচিব কৰিলে। "........................"। "হোৱাট? চুইচাইড?? হাচানদাৰ লাচ???" তাইৰ মূৰত যেন কোনোৱাই হাতুৰীৰে কোৱালে। সমগ্ৰ পৃথিৱীযেন ঘুৰিবলৈ লৈছে। হাতৰ পৰা মোবাইল সৰি পৰিল। 'হাচানে চুইচাইড কৰিব নোৱাৰে। তাক হত্যা কৰা হৈছে।" উন্মাদৰ দৰে চিঞৰি উঠিল তাই। ক'ব নোৱাৰা কৈয়ে তাই এতিয়া দৌৰিছে। মাথো দৌৰিছে। কজলা এন্ধাৰবোৰৰ মাজে মাজে মাথো দৌৰিছে। কাণদুখনত তাইৰ প্ৰতিধ্বনিত হৈছে, "চুইচাইড! চুইচাইড! প্ৰয়োজনত ........ কুণ্ঠবোধ নকৰো। প্ৰয়োজনত .............।" ◻◻





গল্প

নীলা খামৰ চিঠি

# নিহাৰ বিয়া।

আব্দুৰ ৰৌফ আহমেদ,
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান শাখা)।

মৰমৰ নিহা,

মৰমবোৰ লবা। তোমাৰ বিয়া হোৱা বাবে মই সুখী হৈছো। বিশেষকৈ তোমাৰ ভাগ্যত এজন ভাল ল'ৰা আৰু এটা ভাল পৰিয়াল পোৱা বাবে। মোক নিমন্ত্ৰণ নকৰা বাবে মই অকণো দুখ পোৱা নাই। কথাষাৰ মই সহজভাৱে লব পাৰিছোঁ। বিয়াৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাত প্ৰয়োজনীয় মানুহকো নিমন্ত্ৰণ কৰিবলৈ ৰৈ যায়। তোমাৰো মোক নিমন্ত্ৰণ কৰিবলৈ নিশ্চয় তেনে কিবা এটা হোৱাটো স্বাভাৱিক বুলি ধৰি লৈছো। কি জানিবা মই তোমাৰ অনিষ্ট সাধনেই কৰো, তেনে ভাবধাৰাৰ বশবৰ্ত্তী হৈ যদি মোক নিমন্ত্ৰণ নকৰিলে, সেইটো সুকীয়া কথা। মই জানো এতিয়া তোমাৰ কোনো পত্ৰ পঢ়াৰ বাবে সময় নাই। কব নোৱাৰো, তথাপি কিয় যে, মন গ'ল তোমালৈ লিখাৰ বাবে।

ইমান সহজতে তুমি পাহৰি গ'লা, পাহৰিব পাৰিলা! কিন্তু মই? মই জানো পাহৰিব পাৰিছো! তোমাৰ প্ৰতি মোৰ আন্তৰিকতা ইমান গভীৰ আছিল যে তোমাৰ স্মৃতি মোৰ মানস পটত চিৰদিন সজীৱ হৈ থাকিব। তুমি কোৱা কথা, প্ৰতিটো শব্দ মোৰ হৃদয়ত লিপিবদ্ধ হৈ আছে। তুমি মোৰ কোঠাত প্ৰতিদিন আহি মোক সাক্ষাৎ কৰাৰ স্মৃতি মই জানো সহজতে মনৰ আঁতৰ কৰিব পাৰিম? মইতো ইমান নিৰ্দ্দয়-নিষ্ঠুৰ নহওঁ। তৰা, জোন, গ্ৰহ, নক্ষত্ৰ আদিয়ে নীৰৱে সাক্ষ্য বহন কৰি আহিছে তোমাৰ কথাবোৰৰ, তুমি দিয়া প্ৰতিশ্ৰুতিৰ। কিন্তু তুমি নৈৰ পানীৰ দৰে সকলোবোৰ উটুৱাই দিলা। চন্দ্ৰ, তৰা আদি সকলোকে তুমি মিছলীয়াত পৰিণত কৰিলা।

এদিন যে তুমি আল্লাহক স্বাক্ষী কৰি মোৰ হাতত ধৰি প্ৰতিশ্ৰুতি কৰিছিলা। কথাবোৰ জানো তোমাৰ বিয়াৰ দিনা মনত নপৰিল!

"আপোনালোক পুৰুষ জাতিটোৰ সমুলি বিশ্বাস নাই।" তুমি কোৱা এইষাৰ কথাৰ জানো অৰ্থ আছে। অঙ্গীকাৰ ভংগ কৰাৰ ভাওত অৱতীৰ্ণ হ'ল কোনে? এবাৰ নিজকে সুধি চোৱাচোন? পুৰুষ জাতিটোক ধৰি কোৱা কথাখিনিয়ে আজি তোমাৰ কাৰ্য্যক কি সূচাইছে। নাৰী জাতিৰ পবিত্ৰতা জানো তুমি ৰক্ষা কৰিব পাৰিলা? তুমি নাৰী। ওঁহ, নহয় তুমি পানী। যি পাত্ৰতেই থোৱা হয়, সেই পাত্ৰৰেই আকাৰ লয়। হৃদয় নথকা যন্ত্ৰ। তুমি ভোগৰ সামগ্ৰী, হৃদয়ৰ অলংকাৰ নহয়। প্ৰেমৰ বজাৰত তুমি সস্তীয়া, সুবিধাবাদী, স্বাৰ্থপৰ। তুমি একুৰা জুই। (যি জুইয়ে পুৰে কিন্তু দাহ্য নহয়।) নিজক অক্ষুন্ন ৰাখি তুমিও আনৰ হৃদয় পুৰিব পাৰা। তুমি মোৰ হৃদয় জ্বলাই থৈ গ'লা। মই তোমাক প্ৰেম নিবেদন কৰিলো, কিন্তু তুমি সেই প্ৰেম প্ৰত্যাখান কৰি মোৰ পৰা গুচি গ'লা। শুনিছো তোমাৰ বোলে মোক পছন্দ নোহোৱাত তুমি মোৰ পৰা গুচি গ'লা। ভাল কথা। মই ভালেই পাইছো, বেয়া পোৱা নাই। মই অপছন্দনীয়, ক'লা। কুৎচিতক তুমি কিয় আপোন কৰিবা! কিন্তু তুমি যে মোক উৎসাহ দিছিলা-- "আপুনি পঢ়াত মনযোগ দিয়ক কাৰণ আমাৰ ভৱিষ্যৎ ভাল কৰিব লাগিব।" আজি মোৰ এনে ভাব হৈছে যেন তোমাৰ আটাইবোৰ কথা ফুটুকাৰ ফেঁনহে। জীৱনৰ লগৰীয়া হিচাপে পালা এজন সুন্দৰ, সুঠাম দেহৰ ডেকা ল'ৰা। কাৰোবাৰ হৃদয় ভাঙি কাৰোবাৰ সপোন ৰচিবলৈ গ'লা তুমি। তুমি ধন্য। বৰ্ত্তমান যুগৰ তুমি এগৰাকী নিখুত অভিনেত্ৰী।

তেওঁকো তুমি হয়তো কবা-- You are first person of my life. যেনেকৈ তুমি কৈছিলা- "You are first and last of my life" আৰু তুমি কৈছিলা--- "You are mine, I am your, we are for each other," কথাবোৰ অন্তৰৰ মাজত কিয় লুকাই আছিল কব নোৱাৰো। মোক তোমাৰ বুকুত সাবটি লৈ নিজক পাহৰি গৈছিলা। মোক মিঠাই খোৱাই দিছিলা, অসুখত শুশ্ৰূষা কৰিছিলা, এইবোৰ কিয় কৰিছিলা বাৰু? মোক জ্বলাবলৈ, পুৰিশেষ কৰিবলৈ? কেতিয়াবা যদি ভুলতো মোৰ কথা তোমাৰ মনলৈ আহে বা অনুতপ্ত হোৱা, সেয়ে হ'ব মোৰ প্ৰতিশোধ। ইতি- ◻◻ ৰাজ।

গল্প

## এয়া মোৰ সম্পূৰ্ণ ব্যক্তিগত ......।

খাদিজা হোছাইন,
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

চন্দ্ৰাই হঠাতে হাঁহি বন্ধ কৰি দিলে। লগৰীয়াহঁতে আঁচৰিত হৈ গ'ল। ছোৱালীজনীৰ কি হ'ল ইমান আনন্দৰ মাজতো হঠাতে বিষাদৰ ছা ইয়ে মুখখনি আৱৰি ধৰিলে। লগৰ ছোৱালী বিলাকে প্ৰথমে তাই এনেদৰে টেনচন ললে। কিন্তু মাজে মাজে তাই এনেকৈ থমকি ৰয়। হঠাতে চুপ হৈ পৰে আৰু কেতিয়াবা কান্ধি থাকে।

চন্দিকা বৰুৱা আচল নাম কিন্তু চন্দ্ৰা বুলিলেহে মানুহে তাইক চিনি পায়। বি, এ, থাৰ্ড ইয়াৰত পঢ়ি আছে। কলেজ হোষ্টেলতে থাকে বহু আশা আছিল তাইৰ পঢ়ি ডাঙৰ মানুহ হোৱাৰ। ছাত্ৰী হিচাপে তাই আগতে বহুত ভাল আছিল। এতিয়া হলে সিমান এটা ভাল নহয়। কাৰণ এটাই তাই কিতাপত যিমান সময় মন দিয়ে তাতকৈ বেছি সময় যায় চিন্তা কৰি। চিন্তা এটাই তাইৰ মানুহৰ মাজত ইমান উচ্চ নীচ কিয়? কোনোৱে অট্টালিকাত আছে, দুই তিনিটা গাড়ী, মোবাইল আৰু যে কিমান। আৰু একে পৃথিৱীৰে একে তেজ মঙহৰে গঢ়া মনুহে থাকিবলৈ ঠাই পোৱা নাই। চৰকাৰী ৰাস্তাৰ কাষত আছে, গাড়ী দূৰৰ কথাই গাড়ীত যোৱাৰ ভাড়াই সিহঁতে যোগাৰ কৰিব পৰা নাই। এজনে চিন্তা কৰে আসাম ষ্টাইলৰ ঘৰ এটা আছে আৰ, চি, চি, বনাব পাৰো নেকি? আন এজনে টোপনি ক্ষতি কৰে এই চিন্তা কৰি যে আজিতো খালো কাইলৈ বা কি খাম।

এইবোৰ লৈ চন্দ্ৰাৰ মূৰ গৰম হৈ উঠে। এটা মুদ্ৰা যদি মানুহৰ জীৱন তেনেহলে তাৰ এটা পিঠিত ধনী মানুহৰ জীৱন আৰু আনটো পিঠিত দুখীয়া নিচলাৰ জীৱন। যি দুটা হয়তো পৃথিৱীৰ অন্তিম দিনতো এটা হ'ব নোৱাৰে। কিন্তু, আমি ইচ্ছা কৰিলে অলপ হলেও সমান কৰিব পাৰিম। জীৱ শ্ৰেষ্ঠ প্ৰাণী মানুহৰ অসাধ্য একো নাই। ইচ্ছা কৰিলে সকলো কৰিব পাৰে। আমি মহাকাশত বিচৰণ কৰিবলৈ সক্ষম হৈছো কিন্তু, আনৰ হৃদয়ৰ অনুভূতি, দুখ-বেদনা বুজিবলৈ সক্ষম হোৱা নাই। আনৰ দুখত দুখী হ'বলৈ চেষ্টা কৰা নাই। কিন্তু কিয়? নিজে যদি দিনত চাৰি সাজ খাব পাৰে আনে এসাজ খাবলৈ পোৱা নাই এই কথা আমি এতিয়ালৈ ভবা নাই। এইবোৰ চন্দ্ৰাই অকলে ভাবিলেতো লাভ নহয়। এই কথা চন্দ্ৰাই জানে আৰু জানিও চন্দ্ৰাই এইবোৰ ভাবিবলৈ এৰিব পৰা নাই।

চন্দ্ৰাহঁতৰ হোষ্টেলত 15th আগষ্টৰ দিনা পাৰ্টি খোৱা হয় আৰু এইবছৰও খাবলৈ যো-জা চলি আছিল। এনেতে চন্দ্ৰাই গেটৰ সন্মুখলৈ আহোতে এজনী তিৰোতা মানুহক প্ৰায় দৌৰি থকা দেখি মাত লগালে ..............।

ঃ কি হ'ল আপোনাৰ। ইমান দৌৰি আছে কিয়?

ঃ বাইদেউ মোৰ ডাঙৰ ছোৱালীজনী সপ্তম মানত পঢ়ি আছে। আজি স্বাধীনতা দিৱস উপলক্ষে স্কুল ফিল্ডত দৌৰ প্ৰতিযোগিতাত দৌৰ দিওঁতে পৰি ভৰি ভাঙিছে। মইতো ঘৰত নাইয়ে এই মাত্ৰ খবৰ পালো। এতিয়া মই কি কৰো। কৈ মানুহজনী যাবলৈ ধৰিলে। তাইৰ চকু দুটা চলচলীয়া হয়তো ৰাস্তাত আছে কাৰণে কন্দা নাই। কিন্তু, ঘৰ পোৱাৰ পিছত মানুহজনীৰ অৱস্থা কি হ'ব তাকে অলপ ভাবিলে চন্দ্ৰাই। হোষ্টেলৰ ওচৰতে ইঘৰ সিঘৰত কাম কৰে মানুহজনীয়ে। তাইৰ মানুহজনও মৰিল। ল'ৰাজনে উপাৰ্জন কৰিবলৈ শিকিলেও উপাৰ্জন নকৰে। এনেয়ে ঘূৰি ফুৰে। ভৰি ভাঙিছে যদি কমেও তিনিহাজাৰ টকাৰ দৰকাৰ হ'ব। এতিয়া মানুহজনীয়ে কি কৰিব হয়তো গোটেই ৰাতি কান্দি কান্দি পাৰ কৰিব। ছোৱালীজনীয়েও বিষত কান্দি থাকিব। চন্দ্ৰাই এইবোৰ চিন্তা কৰি থাকোতে টোপনি গ'ল তাই গমেই নাপালে। পুৱা তাই গেটৰ সন্মুখত সাত বজাত মানুহজনীক অপেক্ষা কৰি থাকিল। চন্দ্ৰাই অলপ আঁচৰিত হ'ল তাই





আজিও আহি আছে। তাইৰ চকু দুটা দেখিয়ে চন্দ্ৰাই গম পালে তাইৰ ওপৰেদি যোৱা চুনামিত হোৱা ক্ষয় ক্ষতিৰ কথা। এনেতে মানুহজনী আহি চন্দ্ৰাৰ ওচৰ পালেহি।

ঃ চন্দ্ৰা বাইদেউ! মই কি কৰিম? দুটা ঠাইত ভাঙিছে ডাক্তৰে কলে।

ঃ ক'লে মানে! এক্সৰে কৰা নাই?

ঃ কৰা নাই। আমাৰ ইয়াৰ হচপিটালত এক্সৰে কৰিব পৰা নাযায়।

ঃ আপোনাৰ ছোৱালীজনী এতিয়া ক'ত আছে?

ঃ ঘৰতে থৈ আহিলো। ৰাতি বিষৰ ঔষধ দুটা খুৱাইছিলো আৰু কবিৰাজে আহি বান্ধি আছে।

ঃ কবিৰাজ কিয়? চন্দাই চিঞৰি উঠিল প্ৰায়।

ঃ বাইদেউ ডাক্তৰৰ ওচৰলৈ যাওঁতে বহুত পইচাৰ দৰকাৰ হ'ব। ইমান পইচা মই ক'ত পাম? বাইদেউ মোৰ ছোৱালীজনীক চাই আহিব?

ঃ হ'ব মই যাম। আপুনি যোৱাৰ সময়ত মোক লৈ যাব।

চন্দ্ৰাৰ যে কলেজলৈ যাব লাগিব, ক্লাছ কৰিব লাগিব সেই কথা তাই এক ৰকম পাহৰি গ'ল। তাই ৰুমলৈ আহি ইউনিফৰ্ম পিন্ধি বহি থাকিল। কেতিয়াবা আহি মানুহজনীয়ে মাত দিব। অলপ সময় পিছত চন্দ্ৰাই ওলাল মানুহজনীৰ লগত। ইফালে বৰষুণ। ৰাস্তাও সিমান ভাল নহয়। তথাপি দুয়ো গৈ থাকিল। বিশ মিনিট মান যোৱাৰ পিছত মানুহজনীৰ ঘৰ পালে। ছোৱালীজনী বেছ ডাঙৰ হৈছে। প্ৰায় তেৰ বছৰ মান হৈছে তাইৰ বয়স চন্দ্ৰাই অনুমান কৰিলে। মানে আৰু দুইবছৰ পিছত বিয়া দিব। দুখীয়া মানুহ। ভৰিখন ফুলি আছে। চন্দ্ৰাই কৈ পেলালে ....।

ঃ যিয়েই নহওঁক এক্সৰে কৰিব লাগিব।

ঃ বাইদেউ কবিৰাজ জন ভাল। বহুত মানুহৰ ভাল হৈছে। আঢ়ৈ হাজাৰ টকা লাগিব।

ঃ তথাপি এক্সৰে কৰিব লাগিব।

ঃ পইচা ক'ত পাম?

ঃ এক্সৰেৰ খৰচ .......। চন্দ্ৰাই অলপ চিন্তা কৰি তাৰ পিছত ক'লে- হ'ব মোৰ লগত আপুনি কলেজলৈ ওলাব? ছাৰ সকলৰ লগত মই এই বিষয়ে কথা পাতিম। চন্দ্ৰাই একো নভবাকৈ যে কৈ পেলালে।

ঃ যাম মই। আপুনি মোক সহায় কৰিব বিচাৰিছে। মোৰ কোনো নাই। মই নিৰুপায়। এই ঘৰটোত কোনোমতে আছো। ডাঙৰ দাদাই মাটিখিনি দিছিল কাৰণে থাকিবলৈ পাইছোঁ।

দুয়ো ওলাল। কলেজলৈ যোৱাৰ পিছত শিক্ষক সকলৰ ইউনিয়নৰ ছেক্ৰেটাৰীক লগ ধৰিলে চন্দ্ৰাই। কিন্তু, ছাৰে টকা জমা নাই বুলি ক'লে আৰু ডিপাৰ্টমেণ্টৰ পৰা উঠাব ক'লে। ছাৰে পঞ্চাছ টকা দি দিলে। এনেকৈ চন্দ্ৰা আৰু মানুহজনীয়ে ডিপাৰ্টমেণ্ট বোৰলৈ যাবলৈ ধৰিলে প্ৰায় তিনিশ হ'ল। এজন ছাৰে মোৰ পিনে চাই ক'লে— চন্দ্ৰা তোমাৰ ক্লাচ নাই।

ঃ আছে। চন্দ্ৰাই লাহেকৈ ক'লে।

ঃ তেনেহলে তুমি কিয় এনেকৈ ঘূৰি আছা পইচাৰ কাৰণে? তোমাৰতো কোনো সম্পৰ্কীয় নহয়। তেনেহ'লে দৰকাৰ কিহৰ এইবোৰত মূৰ ঘমাবলৈ। ক্লাছ কৰা গৈ। সমাজত তোমাৰ এটা ষ্টেটাছ আছে। গতিকে তোমাৰ লাজ লাগিব লাগিছিল এনেকৈ ঘূৰিবলৈ।

চন্দ্ৰাই খুব আশাৰে গৈছিল। কিন্তু ঘূৰি আহিল লাজৰ বোজা লৈ। মাথো বিশ টকা দিলে হৈ গ'লহেঁতেন। তাতে ইমানবোৰ কথা শুনোৱাৰ দৰকাৰ কিহৰ আছিল। তাই লাজ পালেও চিন্তা কৰা নাই। কাৰণ, তাই ভালকৈয়ে জানে যে এইবোৰ কৰিব গ'লে মানুহে কৰা অপমান সহ্য কৰিব লাগিব। চন্দ্ৰাই পঢ়ি আছে, কিন্তু কি কাৰণে পঢ়ি আছে এয়াতো সিহঁতে নাজানে। গোটেই বিশ্বৰ বা ৰাজ্যৰ নোৱাৰিলেও অন্তত নিজৰ সন্মুখত দেখা পোৱা নেখাই থকা জনক এসাঁচ খাবলৈতো দিব পাৰিম। এইয়া তাইৰ জীৱনৰ লক্ষ্যৰ প্ৰথম পদক্ষেপ। প্ৰথম খোজতে থেকেচা খাব লগা হ'ল।

আনে বুজি নাপালে কি হ'ব। কিন্তু, চন্দ্ৰাই সেই সকলক উদ্দেশি ক'বলৈ বুজাবলৈ চেষ্টা কৰি থাকিব যে কোনো দুখীয়াৰ কিবা ব্যক্তিগত দুখ সমস্যা থাকিলে সেয়া চন্দ্ৰাৰও ব্যক্তিগত দুখ সমস্যা। ❑❑

গল্প

# ঃঃ আধুনিক প্রেম ঃঃ

মকিবুল হুছেইন,
স্নাতক ৩য় বর্ষ (কলা শাখা)

এজন যুৱক আৰু এজনী যুৱতীৰ হৃদয়ৰ নিঃস্বাৰ্থ মিলনেই প্ৰকৃত প্ৰেম। কিন্তু অতীতৰ নিঃস্বাৰ্থ প্ৰেমক আজিৰ যুগৰ যুৱক-যুৱতীক কলুষিত কৰিছে। বৰ্ত্তমানৰ যুৱক-যুৱতীয়ে ভাল পোৱাৰ নাম লৈ কেৱল অবৈধ কামবোৰহে কৰি অহিছে। বৰ্তমান স্কুল, কলেজ, ৰাস্তা-ঘাট, পাৰ্ক আদিত প্ৰেমিক-প্ৰেমিকা সকলে প্ৰেমৰ নামলৈ কেৱল অশ্লীল আচৰণ কৰি থকা দেখা যায়। প্ৰায়বোৰ যুৱক-যুৱতীয়ে লাইলা-মজনু, ৰোমিও-জুলিয়েটৰ প্ৰেমৰ নামলৈ ভাল পোৱাৰ অভিনয় কৰি থাকে, আৰু নিজৰ স্বাৰ্থ সিদ্ধি হোৱাৰ পিছত সেই ভাল পোৱা এৰি দিয়ে আৰু বেলেগ যুৱক-যুৱতীক বিবাহ কৰায়। বৰ্ত্তমানে যুৱক-যুৱতীয়ে ভাল পোৱাক ফেশ্বন হিচাপে ব্যৱহাৰ কৰে। এজন যুৱকে বা যুৱতীয়ে আন এজন যুৱক বা যুৱতীক হৃদয়েৰে ভাল পালেওঁ যুৱক বা যুৱতীয়ে প্ৰেমৰ নামত অভিনয়হে কৰে আৰু শেষত গৈ যুৱক-যুৱতী সকলে ধ্বংসৰ পথলৈ যায়। এইদৰে কিমান যুৱক বা যুৱতী যে ধ্বংসৰ পথলৈ গৈছে তাৰ হিচাপ নাই। জগতত যিমান মানুহ ধ্বংসৰ পথলৈ গৈছে তাৰ সৰহ শতাংশই ভাল পোৱাৰ তাৰতম্যৰ কাৰণে হৈছে। কিন্তু এই পৃথিৱীখনত ভাল পোৱা কলুষিত হলেও সম্পূৰ্ণৰূপে কলুষিত হোৱা নাই। পৃথিৱীখনত যদি কোনো পৱিত্ৰ বোলা বস্তু আছে তেন্তে ভাল পোৱাই তাৰ মূল। যিমান দিনলৈ পৃথিৱীত প্ৰকৃত ভাল পোৱা থাকিব সিমান দিনলৈ পৃথিৱী ধ্বংস নহয় আৰু কাৰ মাজত সেই ভাল পোৱা লুকাই আছে বিচাৰি উলিওৱা টান। দুই এজনৰ মাজত প্ৰকৃত ভাল পোৱা থাকিলেও আজিৰ সমাজ ব্যৱস্থাই তাক স্বীকৃত নিদিয়ে। ভাল পোৱা এনেকুৱা এটা পৱিত্ৰ বোলা অনুভূতি যাৰ লগত কোনো বস্তু তুলনা নহয়। ই অটমেটিক হৈ যায় আৰু সেই ভাল পোৱাৰ পৰা যিমানেই এৰাই চলিব খোজে কেৱল ভালপোৱা বাঢ়িহে যায়। এজন মানুহৰ যদি প্ৰকৃত ভাল পোৱা হয় আৰু কিবা কাৰণত সেই ভাল পোৱা হেৰুৱাই যায় তেনেহলে এই পৃথিৱীখনত তেওঁতকৈ আৰু দুৰ্ভগীয়া কোনো নাই। সেই মানুহজনক সেই 'ভালপোৱা' ৰ বাহিৰে যদি সমগ্ৰ পৃথিৱীখনকো দিয়া হয় তথাপি তেওঁৰ আগৰ দৰে মনলৈ শান্তি নাহে। কাৰণ ভাল পোৱাৰ আন এটা নাম 'অন্ধ'। এজনী বিবাহিতা যুৱতী আৰু এজন অবিবাহিত যুৱকৰ মাজত হোৱা বন্ধুত্বৰূপী প্ৰেমো প্ৰকৃত ভাল পোৱা হ'ব পাৰে, যদিহে যৌন গন্ধ নাথাকে। ☐☐






ঃঃ নৱজ্যোতি মহাবিদ্যালয় আলোচনী ঃঃ

গল্প

# আত্মবিকাশ।

মহিবুৰ ৰহমান,
স্নাতক ২য় বৰ্ষ (কলা)

জীৱনৰ সফলতা কিহত? মানুহে সাধাৰণতে সুখ সম্পদ লাভৰ দ্বাৰা সফলতা জোখে। কিন্তু অসাধাৰণ মানুহে লোক হিতকৰ কাৰ্য্য যিমান বেছি কৰিব পাৰিছে সিমান বেছি নিজৰ জীৱন সফল হোৱা বুলি ভাবে। এই দুয়োবিধ কাম কৰিবলৈ যাওঁতে মনত লাগে সাহস আৰু ধৈৰ্য্য। সেইবাবে নিজৰ দক্ষতা আৰু উদ্দেশ্য সাধিব পৰা কৰ্মদক্ষতা বৃদ্ধি কৰা অনিবাৰ্য্য আৰু অপৰিহাৰ্য্য।

ইতিহাসৰ পাতত নাম থৈ যোৱা অতীতৰ ৰজা-মহাৰজা আৰু ওঁচৰ-চুবুৰীয়াৰ গণ্য-মান্য ব্যক্তি সকলৰ জীৱনী পঢ়িলে গম পোৱা যায় যে সিহঁতৰ গাত কিছুমান অসাধাৰণ গুণ আছিল বা আছে। সেই গুণবোৰ আহৰণ কৰিবলৈ সিহঁতৰ কিছু সময় খৰচ হৈছিল আৰু এই সাধনাই সিহঁতৰ সাফল্যৰ বুনিয়াদ।

একবিংশ শতাব্দীৰ পৃথিৱীত এই প্ৰস্তুতি পৰ্বক আত্মবিকাশ বুলি কোৱা হৈছে। কেৰিয়াৰত যশস্বী হবলৈ আত্মবিকাশৰ বাবে চেষ্টা কৰিব লাগে। নহলে জীৱন যুদ্ধত জয়ী হোৱা অসম্ভৱ।

নিজৰ শক্তি সমৰ্থ্য আৰু দুৰ্বলতাৰ সঠিক মূল্যাংকণ কৰিব পাৰিলেহে জীৱনত সফলতা লভিবলৈ লগা বাটৰ উমান পোৱা যায়। তাৰ বাবে সিহঁতে মনোবিজ্ঞান জনা আৰু আৰ্থ সামাজিক পৰিবেশৰ উত্থান পোৱা বিজ্ঞ মানুহৰ সহায় ল'ব লাগিব।

দ্বিতীয় উপায় হ'ল কথা-বতৰা কোৱাত চিঠি লিখাত সাৱধানতা অৱলম্বন কৰা। মনৰ ভাষাৰ সঠিক প্ৰয়োগৰ দ্বাৰাহে অইনৰ মন জিনিব পাৰি। মন জিনিলেহে বন্ধুত্ব গঢ়িব পাৰি।

তৃতীয় পদক্ষেপ হ'ল- জ্ঞানৰ আহৰণ। মৌ-মাখিয়ে নিম গছৰ তিতা ফুলৰ পৰা মিঠা মৌ সংগ্ৰহ কৰাৰ দৰে নিজৰ উন্নতি বিচৰা মানুহে পঢ়া-শুনা কৰি, বিজ্ঞ মানুহৰ সৈতে চৰ্চা কৰি সভা-সমিতিলৈ গৈ সৎ ব্যৱহাৰ কৰি নিজৰ জ্ঞান বঢ়াবলৈ যত্ন কৰিব লাগে।

চতুৰ্থ পদক্ষেপ হ'ল- জনা-নজনা মানুহ সকলোৰে লগত ভাল ব্যৱহাৰ কৰি আত্মবিকাশ সাধন কৰিব পৰা যায়। অইনৰ সৈতে সম্পৰ্ক ভাল কৰি ৰাখিব খোজা মানুহে তলত উল্লেখ কৰা গুণকেইটা অৰ্জন কৰিব লাগে।

১। অইনৰ দৃষ্টি বুজি পাব লাগে আৰু সেই দৃষ্টিৰ প্ৰতি সহিষ্ণু ভাব দেখুৱাব লাগে।

২। অইনৰ কথা ধৈৰ্য্য সহকাৰে শুনাৰ ক্ষমতা থাকিব লাগে।

৩। জীৱনৰ দুখ-কষ্ট পাহৰি হাঁহিব পৰা হ'ব লাগে।

৪। সফলতা অৰ্জনৰ বাবে ধৈৰ্য্য থাকিব লাগে।

৫। কোনো এটা কাম কৰিব বিচাৰিলে মনত উৎসাহ গোটাব লাগে।

৬। মানুহৰ খং পৰিহাৰ কৰিব লাগে। ☐☐



গল্প

# ভাবিয়েই পোৱা নাই।

এফ, এ, মঞ্জিল,
স্নাতক, তৃতীয় বৰ্ষ (কলা শাখা)

"সত্য কেতিয়াও লুকাই নাথাকে, সত্য মেঘৰ আঁৰত লুকাই থকা সূৰ্য্যৰ দৰেই, সি এদিন নহয় এদিন প্ৰকাশ পাবই"।

সেয়ে পাঁচ বছৰ ধৰি সাঁচি ৰখা অন্তৰৰ সাঁচা অনুভৱখিনি এটা উকা কাগজত লিখি বৃষ্টিৰ হাতত তুলি দিছিলো, কেনে হ'ব তাই চিঠিখন গ্ৰহণ কৰা মূহুৰ্ত্তটো ভাবি অস্থিৰ হৈ পৰিছিলো। তাইৰ অৱস্থাটো পাহৰি হৈছো যদিও মোৰ অৱস্থা চাবলগীয়া আছিল।

বৃষ্টি যাক প্ৰথমে লগ পাইছিলো ছৈয়দ ভাইৰ কেন্টিনৰ সন্মুখত। এজাক ছোৱালীৰ মাজত এগৰাকী লাস্যময়ী, ৰূপসী ছোৱালীহে কলেজলৈ গৈ আছিল। বন্ধু ৰক্তাৰে ছোৱালীজনী আমাৰ লগতে পঢ়িব বুলি কলে। ক্লাছ আৰম্ভ হ'ল আমাৰ লগত তাইয়ো ক্লাছ কৰে। এদিনাখন মই কলেজলৈ যাওঁতে দেখো বৃষ্টিয়ে বুকুত কিতাপ সাৰটি লৈ বাছষ্টেণ্ডৰ মাজেৰে পোষ্ট অফিচৰ পিনে আহি আছে, মনে মনে ভাবিলো বুকুত কিতাপ সাৰটি লৈ কোনপিনে যোৱা, বুকুৰ ভৰকে সহিব নোৱাৰা কিতাপৰ ভৰনো কেনেকৈ সহিবা। তাকে প্ৰকাশ নকৰি কলো স্কুললৈ যাব নে নাই? তাই মিচিকিয়া হাঁহি মাৰি ক'লে, "স্কুললৈ নাযাওঁ কিন্তু কলেজলৈ যাম, তুমি যোৱা মই পোষ্ট অফিচৰ পৰা আহি আছো।" হাইস্কুলৰ দেওঁনা এই মাত্ৰ পাৰ হৈছোহে গতিকে স্কুল শব্দটো মুখৰ পৰা যোৱাই নাছিল। জীৱনত প্ৰথমবাৰৰ বাবে ছোৱালীৰ লগত উপযাচি কথা কোৱাৰ অভিজ্ঞতা তথা মোৰ অন্তৰখনত বুজালেও বুজিব নোৱাৰা এক ঢৌৰ সৃষ্টি হৈছিল। এনেদৰে অলপ দিনৰ ভিতৰতে খুব ভাল বন্ধুত্ব গঢ়ি উঠিছিল আমাৰ দুয়োৰে মাজত। মোৰ জীৱনৰ সকলো কথা খুলি ক'ত তেওঁৰ আগত, গভীৰভাৱে শুনে তেওঁ। তাই মোৰ প্ৰতিটো কাম উৎসাহ অনুপ্ৰেৰণা যোগায়, মোক শক্তিশালী কৰি তোলে। আমাৰ বন্ধুত্বৰ এনাজৰীডাল ক্ৰমে গভীৰ পৰা গভীৰতমলৈ যাব ধৰিলে। মই সেই হাঁহি মুখীয় ছবিখন মনত আঁকি সযতনে কৰিয়াই লৈ ফুৰো সেইজনী বৃষ্টিৰ যি হাঁহিলে সোনাৰু ফুলে, চিএঞৰিলে বকুল সৰে, তাই কব নোৱাৰাকৈ মই তাইক ভাল পা পেলালো। যাক লগ পাবলৈ, যাৰ এষাৰ মাত শুনিবলৈ অস্থিৰ হৈ পৰিছিলো। প্ৰচণ্ড জ্বৰ থকা সত্বেও মই ছাইকেলেৰে কলেজলৈ গৈ তাইক লগ ধৰিছিলো। ঘৰ চাহ খাই ভাল নোপোৱা ল'ৰাটোৱে শ্বহিদুলৰ কেন্টিনৰ পাউডাৰেৰে (Top) বনোৱা চাহ খাই আনন্দ লভিছিলো। ঘণ্টাৰ পিছত ঘণ্টা Physics Dept ৰ ওপৰত আড্ডা মাৰিছিলো। তাইৰ প্ৰতিটো কথাতে মই অনুপ্ৰাণিত হৈছিলো। নদীৰ সোঁতৰ দৰে বাঢ়িছিল মোৰ ভাল পোৱা। তাই পিছে একেবাৰে নাজানিছিল সেয়েহে এদিন লিখি পেলালো, "বহুদিনৰ পৰা তোমাক এটা কথা কম কম বুলিও মুখ মেলি ক'ব পৰা নাই সেয়ে এই চিঠিখনৰ আশ্ৰয় ললো। তুমি কি কবা বা ভাবিবা সেইটো নাজানো। কিন্তু মই নোকোৱাকৈ আৰু থাকিব পৰা নাই, মই তোমাক ভাল পাওঁ বৃষ্টি। খুব ভাল পাওঁ"। কিন্তু উত্তৰ আহিল— "চোৱা আকাশ মই তোমাক বন্ধু বুলি ভাবি ভাবি আহিছো আৰু চিৰদিন তোমাৰ প্ৰিয়বন্ধু হিচাপে থাকি ভাল পাম"। কিন্তু বৃষ্টিৰ মই বন্ধুতকৈ কিবা বেছি বুলি ভাৱো, দাবী কৰো। তোমাৰ সতে জীৱনটো উদ্‌যাপন কৰাৰ সপোন দেখো.... কিয় কিয় ???

এতিয়া বৃষ্টিক লগ নকৰা প্ৰায় এবছৰেই হ'ল, তাইৰ সৈতে কথা নোহোৱা ভালে কেইদিন হ'ল। দূৰৈৰ পৰা তাইক মই দেখিহে থাকো। মই এতিয়া কাৰোবাক চিঠি এখন দিবলৈ আগৰ দৰে অস্থিৰতাবোধ নকৰো। জীৱনক এক গতি দিয়া সময়, ব্যস্ততাৰ সময় এয়া। এনেয়ে আমাৰ দৰে ফটুৱা ল'ৰাৰ জীৱনত আহৰিয়েই বা ক'ত। কিন্তু কিয় এতিয়াও বৃষ্টিয়ে দিয়া তাইৰ মোবাইল নম্বৰটো ব্যৱহাৰ কৰিবলৈ মন যায়। কেতিয়াবা পি,চি,অ, ত যাই ডায়েল কৰো ৯৪৩৫৬ ...... ৰিং কৰাৰ লগে লগে ৰিচিভাৰটো থৈ দিও, কথা পাতিব নোৱাৰো- হেল্ল' মই আকাশ তোমাৰ বন্ধু, কেনে আছা, তুমি বুলি কিয় সুধিব নোৱাৰো? কি? এনে কি সম্পদ মই তাইৰ পৰা নাপালো? কি বিচাৰিছিলো তাইৰ পৰা? তাইৰ হাঁহিটো, মাতষাৰ নে লাস্যময়ী তাইৰ দেহৰ যৌৱন, বৈভৱ নে তাইৰ সতে এটা ৰাতি, বহু ৰাতি .... চিৰদিনৰ বাবে মই যেন বিফল হ'লো।

কালি হিয়াই ফোন কৰিছিল। টেষ্ট পৰীক্ষাৰ বাবে শুভেচ্ছা জনালো। হিয়া দৰ্শন বিভাগৰ ছাত্ৰী, মোতকৈ দুবছৰ জুনিয়ৰ। এতিয়া গুৱাহাটীৰ নামী কলেজ এখনত পঢ়ি আছে। তাই মোৰ দুই এটা কবিতা পঢ়িছে আৰু বৰ্ত্তমান চিঠিৰে ভাবৰ লেন-দেন চলি আছে। হিয়াৰ মোবাইলত মই নিয়মিত ফোন কৰো আৰু তাইও মোৰ কলৰ বাবে অপেক্ষা কৰে। হিয়া মোৰ এজন শ্ৰেষ্ঠ সমালোচক, মোৰ কবিতা পঢ়ি বাৰে বাৰে চিঠিৰে প্ৰশ্ন কৰে— আপুনি কি হেৰুৱাই এনে সুন্দৰ কবিতা লিখে? আপুনি বাৰু প্ৰেমত বিফল হৈয়ে এনে কবিতা লিখে নেকি? মই আপোনাক সফল কৰিব খোজো। আপোনাৰ সৈতে জীৱনৰ প্ৰতিটো খোজ পেলাবলৈ বিচাৰো।

হিয়া, যি মোৰ কল্পনাবোৰক এটা আকাৰ দিব খোজে, যি মোক এটা নতুন বাটেৰে লৈ যাব খুজে, যি মোক জীপাল কৰিব খোজে, তাই মোক ধমকিৰ সুৰত কয়, "আকাশদা, আপুনি চিগাৰেট খোৱা বন্ধ কৰিব নে নাই?" তাইৰ সতে এটা সেউজ পথেৰে আগবাঢ়িবলৈ ময়ো চেষ্টা কৰো। তথাপি মোৰ নিৰ্জনতাত বৃষ্টিয়ে আহি কিয় আমনি কৰে? মোৰ সৃষ্টিৰ ভাৱনাত খেলি-মেলি লগায় কিয়? কিয় বৃষ্টিৰ হাঁহিটোৱে কোলাহলৰ সৃষ্টি কৰে?

কালি নলবাৰীৰ বন্ধু এজনৰ ঘৰৰ পৰা ঘৰলৈ আহিছো মাত্ৰ, ভাইটিয়ে কাৰ্ড এখন দিলে, 'শুভ-বিবাহ'- বৃষ্টি। এ.চি.এছ. বিষয়া এজনৰ লগত ২৪ জানুৱাৰীত। 'তুমি যিকোনো প্ৰকাৰে আহিব লাগিব। মই তোমাৰ বাবে অপেক্ষা কৰি ৰম। তুমি নহালেকে মই ৰভাত নবহো।' কাৰ্ডৰ লগত চিঠিখন জাপি টেবুলত থওতেই মোবাইলটো বাজি উঠিল। হিয়াৰ ফোন। 'মই হিয়াই কৈছো, ভালনে? আজি পৰীক্ষা ভালেই হ'ল। ২৩ তাৰিখ ভাটিবেলা আমাৰ পৰীক্ষা শেষ, ২৪ তাৰিখত ঘৰলৈ যাম। আপুনি ঘৰত থৈ আহিব লাগিব। মই ইতিমধ্যে আপোনাৰ লগত ঘৰলৈ যোৱাৰ কথা কৈ থৈছো। সেয়ে ঘৰৰ পৰা কোনো নাহে। আপুনি আহিব লাগিব; ছিঅৰ। এতিয়া মই ভাবিয়েই পোৱা নাই মই কোনপিনে যাম— হিয়াক আদৰিবলৈ নে বৃষ্টিক বিদায় দিবলৈ। □□

## PROFESSIONAL DEVELOPMENT IN A TEACHER.

B.K. Sama
Head of Deptt. of Englis
Nabajyoti College, Kalgachi

The world we inhabit today is constantly changing in all spheres- scientific, technical, political, economic, social and industrial. In this changing world, the learners have to orient them- selves to play a crucial role in preparing themselves not only to face the knowledge based society with confidence, but with purpose and responsibility. In this context, the role of a teacher is highly significant, and in fact, the teacher is the ultimate key to these changes and improvement. Therefore, in the academic field his task is multidimensional. He is to define and refine, interpret and transform the curriculum so as to make learning more meaningful to the learners. Keeping in view the key role the teacher plays in the class room, it essential that he should have a good professional growth. In this paper an attempt has been made to find out the essential qualities of a teacher to become a professional, and also some of the methods that he should adopt for his professional growth.

A 'professional' broadly speaking refers to someone whose work involves certain function with some degree of expertise. Professionalism means preparing oneself to do a competent job through learnin which may take the form of readin reflection on expericence, observatio discussion with colleagues, writing research, the means are numerous. The firs essential quality of a teacher as a tru professional is that he must have a perenia thirst for acquiring knowledge and als experimenting with new ideas. He shoul constantly update the knowledge of hi subject and also of pedagogy. Secondly, h should have the zeal as well as the scope t interact with co-teachers and exchang ideas with them. Thirdly, he should b committed to achieving certain desirabl standard in his profession and he shoul have enough autonomy to do so. Fourthly it is natural for a teacher to change hi professional interest over time. Fo instance, at the initial stage the teacher ma be concerned with 'What-to-teach' questions but as he gains more experience he shoul be more concerned with the principles tha underlie the various teaching technique and activities which he uses. Finally, a tru professional must translate his experienc in his teaching, and to achieve this he mus have the necessary skills too. All thes above mentioned qualities count a lot fo





the professional growth of a teacher, but it should be remembered that as such professionalism doesn't have any fixed standard of perfection. In fact, it is a continunous process of improvement and it is a life-long journey for a teacher. It requires a lot of personal and whole- hearted commitment to excellence.

A true professional; should understand that he is both a teacher and a learner. He needs to be highly devoted to his job. He must develop a cmmunicative competence which is the ability to understand messages across linguistic and cultural boundaries. A professional must feet that he is not a mere technician to perform routine duties as he has been told, but he should constantly innovate and relate them to the innovations of others. He can listen to the recommendations of experts, but he must adopt them only when he finds them acceptable in terms of his own thinking and experience. Three things which are fundamental to the growth of professional competence in a teacher are principles, knowledge and skill. A perfect integration of these three only can make a teacher professionally effective. A knowledgable and principled teacher without the necessary skills cannot be a successful educator. Similarly, a skilful teacher who has amassed an effective array of techniques but have not a parallel level of knowledge limits his effectiveness.

For a ceaseless development of profes- sional effectiveness it is necessary that the professional should be vigilant on the changing needs of time because the principles that guide his decision making can change over time and therefore, deserve to be reconsidered periodically. Reflecting on the drawbacks of professional growth, I would like to point out that in our system of education the biggest drawback is our lack of interest to hold regular discussion on curriculum and methodology issues. In fact, research shows that unless such sessions are formalised for teachers, there is hardly an occasion when a teacher is found genuinely interested to talk over classroom issues with his colleagues. Ofcourse, one can say reading about such issues in some articles or books may be of great use, but there is always a difference between theory and practice.

Now, I would like to focus my point on some of the key areas which considerably influence the professional growth of a teacher. One of these is the dynamics of textbooks. We all know that the role of text- books especially in language classroom is of vital importance. Some critics argue that text books pose a real challenge to a teacher's professionalism by reducing him to a classroom manager, technician or implementor of others' ideas. But this is not true. A professionally competent teacher doen't follow a textbook slavishly because he knows that what is learnt or indeed learn- able in the class should be a product of the interaction between learners, teachers and the materials at his disposal. Furthermore, a teacher does not teach what writers write, just as a learner does not necessarily learn

what the teacher teaches. In fact, textbooks need to be the vehicle for teacher and learner training. Textbooks must provide support and help with classroom management. Then only can it become a great advantage towards the professional development of a teacher.

The other influential factors are classroom dynamics and communication dynamics which need to be taken care of by a professional. We live in an increasingly multimedia world where technological advances allow more flexibility in delivery. It is seen that lectures combined with demonstrations create a rich learning environment which is more effective in communicating skill subjects like science and language. No-verbal communication such as intonation, gesture, facial expression and body posture are effective in drawing the attention of the learners and keeping them alive and active without allowing them to experience micro-sleeps. Further, by introducing carefuuly planned co-operative learning the teacher can make the classroom interaction more dynamic because it involves more relaxed classroom atmosphere with less teacher-talk and increased student talk. With co-operative learning students work together in groups whose visual size is two to four members. But co-operative learning is more than just putting students in groups. In actuality, the co-operative learning techniques and principles are the tools in the hands of a professional for encouraging mutual helpfulness in groups and the active participation of all members.

In conclusion, it can be said that professional development for teachers has become the need of the hour. To make our higher education relevant and effective to meet the challenges of this country, every teacher must build himself as a committed professional. Of course, in our country our teaching has not yet reached the level of professionalism because most of the standards discussed here have not yet been realised. Still, one can't deny the fact that today there is a growing consciousness among the teachers about their position and status, and there has been significant progress towards professionalism be it through the inspirations of UGC or NAAC or any such agency. It is obviously a good sign and we need to keep it up.

**Reference :-**

1. Methodology in Language Teaching: Edited by J. Richards and W. Renandya.
2. Understanding Teacher Development: Edited by Hargreaves A. and Fullan M.G.
3. Developing Professional Competence by Joanne Pettis. ❑❑





# Ozone depletion and its affect.

**Gobinda Karmakar,**
TDC 1st year (Science)

The depletion of stratospheric Ozone is a matter of great concern. This depletion does not occur in a day. The depletion of Ozone in stratosphere is occuring for almost every years. In the stratosphere, the depletion of Ozone is caused due to its interaction with the harmful substances released from the anthropogenic activeties gases like CFC reacts with Ozone molecules and breaks the layer to make a hole. The ultraviolet radiation passed through the Ozone holes. The process is therefore called the depletion of Ozone. As a result, the Ozone layer is becoming thinner. The layer is thinnest in the tropics. A thin layer of Ozone is not capable of absorbing the harmful UV radiation. As a result, alongwith sunlight, UV radiation also enter to our atmosphere and it is known to all that if human is exposed to direct solar radiation containing UV light, will suffer from skin cancer and other eye disorders.

The existence of human life as well as other animals and plant lifes in the earth depends upon this Ozone layer. Unfortunately our scientist can not make an artificial Ozone layer around the world.

But, the people of this world now has committed to save this Ozone layer. To increase the concern of people about the necessity of the Ozone, 16th September is observed as the 'World Ozone day'. Under the Mantreal Protocol, 1987, India has agreed to phase out the use of CFCS (Chloro-Floro-Carbon) and other Ozone damaging subtances by certain target dates. But due to the unavailability of advanced technology, India is facing some problems to use CFC substitutes in refrigerators and other appliances. However, research is going on to use an indigenous substitutes of CFC.

Altenates of compressers and minimized use of chemical fertilizess and some pesticides may save Ozone layer is near future. In this way, the whole world is making great efforts to cease the depletion of the Ozone layer. May God help us to meet this challenge ! ❑❑

# A slum Community with an idea of social thought.

By- Kh. A. Goffur,
H.O.D Deptt. of Pol. Science

